www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

অন্ধই যদি অন্ধক পথ দেখুৱাই, দুয়োজনেই খালত পৰে। — নিউ টেষ্টামেণ্ট।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□ ষষ্ঠ বছৰ □ সংখ্যা - ২৩৭ □ বুধবাৰ □ ১৯ নৱেম্বৰ, ২০২৫ চন □ ২ আঘোণ, ১৯৪৭ শক □ VOL - 6 □ NO.- 237 □ Wednesday □ 19th November, 2025 □ মূল্য ঃ ১০.০০ টকা □ মুঠ পৃষ্ঠা ঃ ৮

## আজিৰ কলম

### জীৱন জীৱন বৰ অনুপম



শৰৎ চন্দ্ৰ চিৰিংফুকন

বহু জনম অতিক্ৰম কৰাৰ পাছতহে জীৱই মনুষ্য জীৱন লাভ কৰে। নিৰাকাৰ নিৰঞ্জন ভগৱন্তৰ কি যে এক অপূৰ্ব ▸▸৬ পৃষ্ঠাত

জুবিনবিহীনটো প্ৰথম জন্মদিনত লোকে লোকাৰণ্য সোণাপুৰৰ শেঁতা শেতেলীত থকা 'জুবিন ক্ষেত্ৰ'

# ৰাজ্যজুৰি ইশ্বৰপুত্ৰৰ ৫৩ সংখ্যক জন্মদিন পালন

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ নৱেম্বৰ: সোণাপুৰৰ জুবিন ক্ষেত্ৰত আজি নিশব্দে, নিৰলে শুই আছে অসমৰ গানৰ ৰজা জুবিন গাৰ্গ। তেওঁৰ শৰীৰ নাই যদিও তেওঁৰ সান্নিধ্যৰ বাবে দিনে-ৰাতিয়ে হাজাৰ হাজাৰ অনুৰাগীৰ ভিৰ লাগি আছে। কাৰো হাতত ফুলৰ মালা, কাৰো হাতত অসমীয়া গামোছা, আন কাৰোবাৰ হাতত জন্মদিনৰ কেক। কিয়নো আজি ১৮ নৱেম্বৰ—জুবিন গাৰ্গৰ ৫৩তম জন্মদিন। প্ৰথমবাৰৰ বাবে জুবিন নথকা এটা ওপজা দিন। তথাপি অনুৰাগীসকলে তেওঁক এফালে অকলশৰীয়া হ'বলৈ দিয়া নাই। পুৱাৰে পৰাই সোণাপুৰৰ শেঁতা শেতেলীত থকা জুবিন ক্ষেত্ৰত মানুহৰ ঢল। বহুতে কেক কাটি, গান গাই, চকুলোৰে মিহলি হাঁহিৰে তেওঁৰ



স্মৃতিৰ সৈতে এই দিনটো উদযাপন কৰিছে। জীৱনৰ দিনত জুবিনে এবাৰ হাঁহি হাঁহি কৈছিল, "মোৰ জন্মদিনত ইমান কেক কাটিব লাগে যে মোৰ বেয়া লাগে।" তথাপি অনুৰাগীৰ ভালপোৱাৰ সেই উষ্মতা তেওঁ সদায় উপভোগ কৰিছিল। আজি সেই একে ভালপোৱাৰ ধাৰা অব্যাহত। কেক কটা হৈছে, গান বাজিছে, আৰু প্ৰতিটো মুখতে এটা কথা—জুবিন নাই যদিও তেওঁৰ গান আছে, তেওঁৰ অস্তিত্ব আছে, তেওঁৰ স্মৃতি আছে। জুবিন বিহীন এই প্ৰথম জন্মদিনতো সোণাপুৰৰ বতাহত তেওঁৰ গানৰ সুৰ বিয়পি আছে। যিজন গায়কে জীৱনৰ দিনত কোটি টকাৰ মালিকৰ পৰা বাটৰ ভিক্ষাৰীলৈ সকলোৰে লগত পানীৰ দৰে মিলি গৈছিল, সেই ▸▸৬ পৃষ্ঠাত

## বৃন্দাবনী বস্ত্ৰ অসমলৈ উভতাই অনাৰ পথ মুকলি

# লণ্ডনত স্বাক্ষৰিত 'লেটাৰ অৱ ইণ্টেণ্ট'



নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ নৱেম্বৰ ঃ অসমৰ ঐতিহ্যৰ এক অমূল্য সম্পদ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট বৃন্দাবনী বস্ত্ৰ পুনৰ নিজৰ মাটিলৈ ঘূৰি অহাৰ পথ পৰিষ্কাৰ হ'ল। ১৭ নৱেম্বৰত লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামত অসম চৰকাৰ আৰু সংগ্ৰহালয় কৰ্তৃপক্ষৰ মাজত আনুষ্ঠানিকভাৱে 'লেটাৰ অৱ ইণ্টেণ্ট' স্বাক্ষৰিত হয়। এই চুক্তিৰ জৰিয়তে বৃন্দাবনী বস্ত্ৰৰ এক বৃহৎ অংশ বিশেষ নিয়মৰ মাধ্যমেৰে সীমিত সময়ৰ বাবে অসমলৈ অনা হ'ব আৰু ৰাইজে ওচৰৰ পৰা এই পৱিত্ৰ সম্পদ দৰ্শন কৰাৰ সুযোগ পাব। সম্ভাৱ্যভাৱে ২০২৭ চনত ▸▸৬ পৃষ্ঠাত

## তোলনীয়া সন্তান নিৰ্যাতন গোচৰত জামিন লাভ ডাঃ সংগীতা দত্তৰ



ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ নৱেম্বৰ ঃ গুৱাহাটী উচ্চ ন্যায়ালয়ে অৱশেষত জামিন মঞ্জুৰ কৰিলে বিখ্যাত চকুৰ চিকিৎসক ডাঃ সংগীতা দত্তৰ। প্ৰায় আঢ়ৈ বছৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ আছিল দত্ত। উল্লেখ্য ▸▸৬ পৃষ্ঠাত

বিএনএছএছ ২০০৮ৰ অধীনত জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ অনুমতি কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ

## তদন্ত প্ৰক্ৰিয়াত আঁতৰিল ন্যায় প্ৰক্ৰিয়াৰ বাধা

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ নৱেম্বৰ ঃ 'জুবিন গাৰ্গ হত্যা গোচৰ'ৰ তদন্তত অভিযুক্তৰ ওপৰত ভাৰতীয় ন্যায় সংহিতাৰ ২০৮ ধাৰা প্ৰযোজ্য কৰাৰ বাবে কেন্দ্ৰীয় গৃহ ▸▸৬ পৃষ্ঠাত



## জুবিন গাৰ্গৰ জন্মদিনত ৰক্তদান কৰি পাৰ্কৰ আধাৰশিলা স্থাপন হাগ্ৰামাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ১৮ নৱেম্বৰ ঃ অসমৰ প্ৰাণপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন আজি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। এই উপলক্ষে বৰ্তমানৰ বড'লেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (বিটিচি)ৰ মুখ্য কাৰ্যবাহী সদস্য তথা প্ৰাক্তন বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে নিজৰ ৰক্তদানেৰে দিনটোৰ সূচনা কৰে।



তাৰ পিছতে কোকৰাঝাৰ জিলাৰ চেংগামাৰিত জুবিন গাৰ্গৰ নামেৰে স্থাপন হ'বলগীয়া স্মৃতি উদ্যানৰ আধাৰশিলা স্থাপন কৰে মহিলাৰীয়ে। একে স্থানতে গছপুলি ৰোপণ কৰি তেওঁ কয়, "জুবিন গাৰ্গ মোৰ অতি প্ৰিয় বন্ধু আছিল। তেওঁৰ স্মৃতি জীয়াই ৰখাৰ বাবে প্ৰায় ৩০ বিঘা মাটিত ২৫ৰ পৰা ৩০ কোটি টকা ব্যয় ▸▸৬ পৃষ্ঠাত

# ৰাজ্যজুৰি জাতীয় স্বাভিমান দিৱস পালন অসম গণ পৰিষদৰ

### গুৱাহাটীত কাৰ্যসূচী মুকলি কৰে প্ৰবীণ অভিনেতা, পৰিচালক নিলু চক্ৰৱৰ্তীৰ

গুৱাহাটী, ১৮ নৱেম্বৰ ঃ অসমীয়াৰ, প্ৰাণৰ শিল্পী, হাৰ্টথ্ৰৱ জুবিন গাৰ্গ অবিহনে প্ৰথমটো জন্মদিন পালন কৰিলে অসমীয়াই। দুমাহ পুৰ্বে হিয়াৰ আমঠু শিল্পীজনক হেৰুৱাৰ দুখ বুকুৰ মাজত সামৰি জুবিন গাৰ্গ নামৰ এই হৃদয়স্পৰ্শী সত্তাটোক উদযাপন কৰিছে অসমীয়াই। মৰমৰ শিল্পীজনলৈ শ্ৰদ্ধা



অৰ্পণ কৰি অসম গণ পৰিষদে আজি ৰাজ্যজুৰি পালন কৰে জাতীয় স্বাভিমান দিৱস। সেই অনুসৰি গুৱাহাটীৰ পাঁচোটাকৈ অগপৰ বিধানসভা সমষ্টি সমিতি—দিশপুৰ, ডিমৰীয়া, নিউ গুৱাহাটী, মধ্য গুৱাহাটী আৰু জালুকবাৰী সমষ্টিৰ প্ৰচেষ্টাত আজি পুৰা আমবাৰীস্থিত মুখ্য কাৰ্য্যালয়ত ৰক্তদান শিবিৰ অয়োজনৰ জৰিয়তে জাতীয় স্বাভিমান দিৱসৰ আৰম্ভ কৰা হয়। এই শিবিৰ মুকলি কৰে ▸▸৬ পৃষ্ঠাত

অসমত ভোটাৰ তালিকাৰ পুংখানুপুংখ সংশোধনী আৰম্ভ

# ১ জানুৱাৰী ২০২৬ক ভিত্তি দিন ধৰি চূড়ান্ত তালিকা ১০ ফেব্ৰুৱাৰীত



ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ নৱেম্বৰ ঃ অসমত দীৰ্ঘদিনৰ পৰা বন্ধ থকা ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী পুনৰ আৰম্ভ হ'বলৈ গৈ আছে। নিৰ্বাচন কমিচন অৱ ইণ্ডিয়াই কালি অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰা আনুষ্ঠানিক পত্ৰত এই কথা স্পষ্ট কৰিছে। ২০২৬ চনৰ ১ জানুৱাৰীক যোগ্যতাৰ ভিত্তি দিন হিচাপে লৈ এই সংশোধনী সম্পন্ন কৰা হ'ব আৰু আজিৰ পৰাই ইয়াৰ প্ৰস্তুতিৰ কাম আৰম্ভ ▸▸৬ পৃষ্ঠাত



বিহাৰৰ পৰাজয়ে অসমত প্ৰভাৱ নেপেলায়

## বিজেপিক উৎখাত কৰিবলৈ ঐক্যবদ্ধ বিৰোধী দলসমূহ

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ নৱেম্বৰ ঃ সদ্যসমাপ্ত বিহাৰ বিধানসভা নিৰ্বাচনত এনডিএৰ জয়ৰ পিছতো অসমৰ ▸▸৬ পৃষ্ঠাত

## বড়ো কছাৰী কল্যাণ পৰিষদৰ নিৰ্বাচনকে ধৰি একাধিক দাবী

## দাবী পূৰণ নহ'লে আন্দোলন অব্যাহত ৰখাৰ হুংকাৰ ইউবিপিঅ'ৰ

নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ নৱেম্বৰ ঃ বিটিএডিৰ বাহিৰত বসবাস কৰা দহ লক্ষাধিক বড়ো জনগোষ্ঠীৰ উন্নয়নৰ বাবে গঠন কৰা বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদ (বিকেডব্লিউএইচচি)ৰ নিৰ্বাচন শীঘ্ৰে অনুষ্ঠিত কৰাৰ লগতে বড়োসকলৰ বিভিন্ন জ্বলন্ত সমস্যাৰ সমাধানৰ ▸▸৬ পৃষ্ঠাত

জুবিনক ষড়যন্ত্ৰমূলকভাৱে মদ্যপান কৰোৱা হৈছিল, যাতে তেওঁক ব্যৱহাৰ কৰিব পাৰি

## জুবিন গাৰ্গৰ জন্মদিনৰ দিনাই মুখ্যমন্ত্ৰীৰ বিস্ফোৰণ



ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ নৱেম্বৰ ঃ অসমৰ প্ৰাণপ্ৰিয় সংগীতশিল্পী তথা নায়ক জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এক চাঞ্চল্যকৰ মন্তব্য কৰি কয় যে, জুবিন গাৰ্গক তেওঁৰ ওচৰ-পাঁজৰৰে থকা কিছু লোকে ষড়যন্ত্ৰমূলকভাৱে মদ ▸▸৬ পৃষ্ঠাত

## আজাৰা থানাৰ গোচৰত জামিন লাভ ভিক্টৰ দাসৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ নৱেম্বৰ ঃ অৱশেষত অসমৰ বিশিষ্ট সমাজকৰ্মী তথা ৰাজনৈতিক ব্যক্তি ভিক্টৰ দাসে আজাৰা আৰক্ষী থানাত পঞ্জীয়ন হোৱা গোচৰটোত জামিন লাভ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে সোমবাৰে তেওঁক কেইবাটাও কঠোৰ চৰ্তসাপেক্ষে জামিন মঞ্জুৰ কৰে। বিচাৰপীঠে ভিক্টৰ দাসক ৩০, ০০০ টকাৰ ব্যক্তিগত নিৰাপত্তা জমা আৰু এজন জামিনদাৰৰ স্বাক্ষৰৰ বিনিময়ত মুক্তিৰ নিৰ্দেশ দিয়ে। লগতে আদালতে স্পষ্টভাৱে উল্লেখ কৰে যে, তদন্তকাৰী বিষয়াই যিকোনো সময়তে তেওঁক তলব কৰিলে তেওঁ আৰক্ষীৰ সন্মুখত উপস্থিত হ'বই লাগিব। এই চৰ্ত ভংগ হ'লে জামিন বাতিল হ'ব পাৰে বুলিও আদালতে সতৰ্ক কৰি দিয়ে। উল্লেখ্য যে, পূৰ্বে ভিক্টৰ দাসক প্ৰথমে গুৱাহাটীৰ আমবাৰী আৰক্ষী থানাৰ ▸▸৬ পৃষ্ঠাত

অন্ধ্ৰ-ছত্তীশগড় সীমান্তত ডাঙৰ সাফল্য

## এনকাউণ্টাৰত নিহত মাওবাদী শীৰ্ষ কমাণ্ডাৰ মাড়ৱী হিডমা সহ ৫ সহযোগী



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ নৱেম্বৰ ঃ অন্ধ্ৰ প্ৰদেশ, তেলেংগানা আৰু ছত্তীশগড়ৰ ত্ৰি-সীমান্তৰ মাৰেদুমিলিৰ ঘন জংঘলত মঙলবাৰে পুৱা সংঘটিত এটা তীব্ৰ এনকাউণ্টাৰত ▸▸৬ পৃষ্ঠাত




■ ইউপিপিএলটো বাদেই, হিমন্ত বিশ্ব শৰ্মাৰ সোঁ-হাত, বাঁওহাত দুয়োখন আমাৰ লগত থাকিব ঃ ৰকিবুল হুছেইন ■

## ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণক লৈ নিৰ্বাচন আয়োগৰ ওপৰত সন্দেহ প্ৰকাশ কংগ্ৰেছৰ



ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ নৱেম্বৰ ঃ বিহাৰ বিধানসভা নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ লগে লগেই অসমত ভোটাৰ তালিকাৰ 'বিশেষ নিবিড় পুনৰীক্ষণ' আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে নিৰ্বাচন আয়োগে। কিন্তু এই প্ৰক্ৰিয়াক লৈ তীব্ৰ আপত্তি আৰু সন্দেহ প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে। দলটোৱে এই প্ৰক্ৰিয়াৰ পৰিৱৰ্তে নিয়মীয়া 'সাৰাংশ পুনৰীক্ষণ' হওক বুলি দাবী জনাইছে। আজি ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়াৰ আহ্বানত অনুষ্ঠিত সৰ্বদলীয় বৈঠকত কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে উপস্থিত আছিল সাংসদ ৰকিবুল হুছেইন আৰু প্ৰাক্তন ৰিপুন বৰা। বৈঠকৰ পিছতে সংবাদ মেলত দুয়োগৰাকী ▸▸৬ পৃষ্ঠাত

## এনআৰচি প্ৰকাশৰ পিছতহে অসমত হ'ব এছ আই আৰ

আৰম্ভ হ'ল ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত পুনৰীক্ষণ



ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ নৱেম্বৰ ঃ অসমত এতিয়াও আনুষ্ঠানিকভাৱে এনআৰচি (নাগৰিকপঞ্জী) প্ৰকাশ নোহোৱাৰ বাবে নিৰ্বাচন আয়োগৰ বিশেষ পৰিচয় পৰীক্ষা (Special Identity Verification - SIR) প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা নগ'ল। ইয়াৰ পৰিবৰ্তে আজিৰে পৰা ৰাজ্যত আৰম্ভ হৈছে ভোটাৰ ▸▸৬ পৃষ্ঠাত

জুবিনৰ আদৰ্শেৰে জাতিক ভাল পাবলৈ জাতিৰ হকে চিন্তা কৰিব লাগিব আৰু মাতৃভাষাক আঁকোৱালি ল'ব লাগিব ঃ সৰ্বানন্দ সোণোৱাল

## জুবিন গাৰ্গৰ কেতিয়াও মৃত্যু নহয়, জুবিন চিৰঞ্জীৱী

অসম বাৰ্তা, নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাষণ প্ৰসংগত কয়, "জুবিন গাৰ্গ ল্ল এই নামটোৱে আমাৰ সকলোৰে মন-প্ৰাণ আলোড়িত কৰি তোলে, যিয়ে তিনি দশকৰো অধিক সময় ধৰি অসমৰ সাংস্কৃতিক জগতক সমৃদ্ধ কৰি ৰাখিছিল। জুবিন ল্ল শেষ নোহোৱা এটা বৰ্ণিল যুগৰ নাম জুবিনৰ সৃষ্টিৰ সুৰভিয়ে অজস্ৰ মানুহৰ জীৱনলৈ প্ৰশান্তি কঢ়িয়াই আনে। জুবিনৰ গানৰ মাজত সজীৱ হৈ উঠে অসমীয়া কলা-সংস্কৃতিৰ মাধুৰ্য আৰু জীৱনৰ জয়গান জুবিন ল্ল প্ৰতিজন অসমীয়াৰ হিয়াৰ কোণত সুপ্ত হৈ থকা এক ▸▸৬ পৃষ্ঠাত



জুবিন গাৰ্গ, দীপক শৰ্মা, ৰামচৰণ ভড়ালীলৈ শ্ৰদ্ধাঞ্জলি

# বৰক্ষেত্ৰীৰ আদাবাৰীত ৰঘুনাথ চৌধাৰীৰ স্মৃতি দিৱস পালন



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৮ নৱেম্বৰ ঃ** ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ উদ্যোগত নলবাৰী জিলা সাহিত্য সভা আৰু পূব বৰক্ষেত্ৰী আঞ্চলিক ছোৱালী হাইস্কুলৰ সহযোগত আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিহগী কবি ৰঘুনাথ চৌধাৰীৰ স্মৃতি দিৱস পালন কৰে। সমান্তৰালভাৱে ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ একবিংশতিতম বাৰ্ষিক অধিৱেশনো আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰে। কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ সভাপতি ৰছিদ আহমেদে। ইয়াৰ পিছতেই পূব বৰক্ষেত্ৰী আঞ্চলিক ছোৱালী হাইস্কুলৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মোহন চন্দ্ৰ কলিতাই। ছহিদ তৰ্পণ কৰে ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ উপদেষ্টা তৰুণ চন্দ্ৰ ডেকাই। ৰঘুনাথ চৌধাৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে মহেন্দ্ৰ নাথ বড়ো আৰু মাল্যাৰ্পণ কৰে আনোৱাৰ হুছেইন শইকীয়াই। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অৱসৰী প্ৰধান শিক্ষক মহেন্দ্ৰ কলিতাই আৰু মাল্যাৰ্পণ কৰে শিল্পী ৰিয়াজুদ্দিন আহমেদে। বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে আদাবাৰী-সূতাৰকুছি গাঁও পঞ্চায়তৰ উপ-সভানেত্ৰী অঞ্জলি ডেকা আৰু মাল্যাৰ্পণ কৰে আদাবাৰী-সূতাৰকুছি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা ৰৌচানাৰা বেগমে। নাগাৰাসূৰ্য ৰামচৰণ ভৰালীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বৰক্ষেত্ৰী নাগাৰা নাম সংঘৰ সভাপতি হেমন্ত কলিতাই আৰু মাল্যাৰ্পণ কৰে আদাবাৰী-সূতাৰকুছি গাঁও পঞ্চায়তৰ সভানেত্ৰী চন্দনা ঠাকুৰীয়াই। বিহগী কবি ৰঘুনাথ চৌধাৰী মৃত্যুদিন আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিন উপলক্ষ্যত পূব বৰক্ষেত্ৰী অঞ্চলৰ বিভিন্ন স্থানত কেইবাটাও গছপুলি ৰোপণ কৰা হয়। বিয়লি নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ড° বীৰেন কুমাৰ চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰঘুনাথ চৌধাৰীৰ জীৱন দৰ্শন সম্পৰ্কত ভাষণ প্ৰদান কৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিত বৰাই। সভাত ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ বাৰ্ষিক মুখপত্ৰ "পূৰ্বজ্যোতি" উন্মোচন কৰে বিশিষ্ট লেখক নৃপেন্দ্ৰ কুমাৰ ভাগৱতীয়ে। মুকলি সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি ডাঃ বিপিন চন্দ্ৰ কলিতা আৰু অসম সাহিত্য সভাৰ স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতা আৰু সাংবাদিক শ্বাহ আলমে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰঘুনাথ চৌধাৰীৰ জীৱন-দৰ্শন ওপৰত অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত সকলক মুকলি সভাতেই পুৰস্কাৰ সমূহ প্ৰদান কৰা হয়। দুটা শাখাত অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ উচ্চ শাখাত প্ৰথম স্থান লাভ কৰে লাউপাৰা হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ অবিনাশ তালুকদাৰ, দ্বিতীয় স্থান লাভ কৰে জি.বি.এল.চি জাতীয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী চাজিনা বেগম আৰু তৃতীয় স্থান লাভ কৰে পূব বৰক্ষেত্ৰী আঞ্চলিক ছোৱালী হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰী নাৰ্জিয়াৰা বেগমে। নিম্ন শাখাত প্ৰথম স্থান অধিকাৰ কৰে ঘোগাস্থিত আদৰ্শ জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী আয়েছা ছিদ্দিকাই, দ্বিতীয় স্থান লাভ কৰে বৰক্ষেত্ৰী আঞ্চলিক জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ আব্দুল কৰিম আৰু তৃতীয় স্থান লাভ কৰে জি.বি.এল.চি জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী মাচুমা বেগমে। পুৰস্কাৰপ্ৰাপ্ত সকলক মুকলি সভাতেই প্ৰয়াত যোগেন্দ্ৰ নাথ মেধি সোঁৱৰণী বঁটাৰে পুৰস্কৃত কৰে।

ব্ৰাহ্মণসকল প্ৰব্ৰজিত ঃ মন্ত্ৰী প্ৰশান্ত ফুকন

# ডিব্ৰুগড়ত ৪১৬ গৰাকী শিক্ষাৰ্থীক সোণোৱাল স্বায়ত্তশাসিত পৰিষদৰ উচ্চ শিক্ষাৰ জলপানি প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ নৱেম্বৰ ঃ** সোণোৱাল কছাৰী জনগোষ্ঠীৰ প্ৰথম গৰাকী আই এ এছ তথা সোণোৱাল কছাৰী সমাজৰ শিক্ষা ক্ষেত্ৰৰ এগৰাকী আদৰ্শ ব্যক্তি হেৰম্বনাথ বড়াৰ সোঁৱৰণত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদে প্ৰতি বছৰে প্ৰদান কৰি অহা 'উচ্চ শিক্ষা প্ৰতিভা বঁটা' ডিব্ৰুগড়ত ৪১৬ গৰাকী শিক্ষাৰ্থীক প্ৰদান কৰা হয়। ইয়াৰে ২০২৪ বৰ্ষত ১৫১ গৰাকী আৰু ২০২৫ বৰ্ষৰ শিক্ষাৰ্থী হৈছে ২৬৫ গৰাকী। এই বঁটাত আছে ২০ হেজাৰ টকাৰ চে'ক আৰু প্ৰশস্তি পত্ৰ। এই উপলক্ষে ডিব্ৰুগড় জিলা পুথিভঁৰালত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ শক্তি আৰু দক্ষতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে কয় যে আৱেগিকভাৱে দুটা কথা কৈ কোনেও এটা জাতিক উদ্ধাৰ কৰিব নোৱাৰে। 'সোণোৱাল জনজাতি'ৰ নামৰ আগত সদায় 'ভূমিপুত্ৰ' শব্দটো ব্যৱহাৰৰ পোষকতা কৰি তেওঁ কয় যে আমি ব্ৰাহ্মণসকল হৈছো প্ৰব্ৰজিত। আমাৰ প্ৰব্ৰজনৰ সময় মাত্ৰ তিনিশ বা চাৰিশ বছৰ। কিন্তু ভূমিপুত্ৰ সোণোৱাল সকল ইয়াৰ আদিম অধিবাসী। সেয়ে এই সকল জনজাতীয় লোকে যিকোনো দিশত অগ্ৰাধিকাৰ লাভ কৰা উচিত। পূৰ্বতে তেওঁলোক সংগঠিত নাছিল যদিও পৰিষদ পিওগঠনৰ পিছৰ পৰা তেওঁলোক সংগঠিত হৈছে। কিন্তু আজিও পৰিষদে জনজাতিটোৰ হকে ৰিচাৰ্চ আৰু উন্নয়নৰ কাম কৰিবলৈ বহু বাকী আছে। পৰিষদে শিক্ষাৰ শিতানত যথেষ্ট কাম কৰিছে বুলি শলাগ লৈ মন্ত্ৰী ফুকনে যিখিনি শিক্ষাৰ্থী আধাতে স্কুল এৰিছে সেই সকলক সমষ্টিয়ে সমষ্টিয়ে চিনাক্ত কৰি প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰিবৰ বাবে আহ্বান জনাই এইক্ষেত্ৰত নিজৰ দক্ষতা বিভাগৰ তৰফৰ পৰা সম্পুৰ্ণ সহযোগিতা প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে। সভাত ভাষণ প্ৰদান কৰি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে সাম্প্ৰতিক একবিংশ শতিকাত যিহেতু হাতৰ মুঠিতেই পৃথিৱীখন পোৱা যায় সেইবাবে সকলোকে প্ৰতিযোগিতামুখী হোৱাৰ আহ্বান জনাই কয় যে উচ্চ শিক্ষা গ্ৰহণ কৰাসকলেই হৈছে জনজাতিটোৰ ভৱিষ্যতৰ দিনৰ মূল সম্পদ। এই সম্পদৰ সদ্ব্যৱহাৰৰ বাবে পৰিষদে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি তেওঁ কয় যে বিশেষকৈ শিক্ষা বিভাগৰ তৰফৰ পৰা আজিপৰ্যন্ত বিভিন্ন শাখাত প্ৰশিক্ষণ প্ৰদান কৰি সহস্ৰাধিক যুৱক-যুৱতীয়ে বিভিন্ন স্থানত নিযুক্তি লাভ কৰিছে। কিন্তু উচ্চতৰ মাধ্যমিক পৰ্যায়ত প্ৰায় ৯০ শতাংশই আধাতে শিক্ষা সামৰা কাৰ্য অত্যন্ত দুৰ্ভাগ্যজনক বুলি অভিহিত কৰি মুখ্য কাৰ্যবাহী সদস্য গৰাকীয়ে অনাগত দিনত এইক্ষেত্ৰত তেওঁলোকৰ বাবে বিশেষভাৱে আঁচনি গ্ৰহণ কৰিব বুলি উল্লেখ কৰি বঁটাপ্ৰাপক শিক্ষাৰ্থী সকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে 'শিপা'ৰ ঠিকনা নেৰি জনজাতিটোৰ হকে সেৱা আগবঢ়াবৰ বাবে আহ্বান জনায়। আনহাতে সভাৰ আদৰণি ভাষণ প্ৰদান কৰি পৰিষদৰ শিক্ষা বিভাগৰ সদস্য খনিন্দ্ৰ সোণোৱালে শিক্ষা বিভাগে বিগত সময়ত বিভিন্ন বৃত্তিগত প্ৰশিক্ষণ প্ৰদান কৰি অহা কাৰ্যসূচীসমূহৰ সম্পৰ্কে চমুকৈ আলোকপাত কৰি জলপানি লাভ কৰা শিক্ষাৰ্থীৰ ভিতৰত ল'ৰাৰ তুলনাত ছোৱালীৰ সংখ্যাই অধিক (ছোৱালীৰ প্ৰায় ৭০ শতাংশ) বুলি উল্লেখ কৰি চলিত বৰ্ষত পৰিষদে এইবাৰ চাৰি গৰাকী শিক্ষাৰ্থীক বিনামূলীয়াকৈ আইএএছ ক'ছিঙৰ বাবে দিল্লীৰ শিক্ষানুষ্ঠানলৈ প্ৰেৰণ কৰিছে বুলি জানিবলৈ দিয়ে। পৰিষদৰ প্ৰেছ উপদেষ্টা পেইম থি গোহাঁয়ে আঁত ধৰা অনুষ্ঠানত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ উপাধ্যক্ষা অনামিকা বৰশইকীয়াকে ধৰি সদস্য ঋষিকেশ শইকীয়া, ৰিদীপ হাজৰিকা, বিশ্বজিৎ সোণোৱাল, ধীৰেণ সোণোৱাল, বসন্ত সোণোৱাল, দীপক সোণোৱাল, নন্দিনী ডেকা, ৰমনী হাজৰিকা, দুলেশ্বৰী বড়া, দীপ্তি সোণোৱাল, অসীম সোণোৱাল, যাদৱ ডেকাবৰুৱাসহ ভালেসংখ্যক গণ্যমাণ্য ব্যক্তি আৰু পাঁচ শতাধিক লোক উপস্থিত থাকে।



# গোৱালপাৰা চহৰৰ 'ডাইমণ্ড চিনেমা' ছবিগৃহ, শিমলাবাৰী আঞ্চলিক যুৱ সংঘৰ উদ্যোগত জুবিন গাৰ্গৰ ওপজা দিন উদ্‌যাপন

**অসম বাৰ্তা, গোৱালপাৰা, ১৮ নৱেম্বৰ ঃ** আজি ১৮ নৱেম্বৰ। আজিৰ দিনটোতে অসমৰ প্ৰাণৰ শিল্পী হাৰ্ট থ্ৰব জুবিন গাৰ্গৰ জন্ম হৈছিল। তাৰেই পৰিপ্ৰক্ষিতত আজি গোৱালপাৰা চহৰৰ 'ডাইমণ্ড চিনেমা' ছঁবি গৃহৰ স্বত্বাধিকাৰি মতলেব হুছেইনে ছঁবিগৃহতে প্ৰাণৰ শিল্পী গৰাকীক আৱেগেৰে সুঁৱৰি তেখেতৰ জন্মদিন পালন কৰিলে। প্ৰাণৰ শিল্পী গৰাকীৰ ওপজা দিন উপলক্ষে ছঁবিগৃহৰ স্বত্বাধিকাৰী মতলেব হুছেইনে আমন্ত্ৰীত মৌলানাৰ দ্বাৰা কোৰান পাঠ ও দোৱা কৰোৱাৰ লগতে নাম-কীৰ্তন পাঠ কৰায় শিল্পী গৰাকীৰ আত্মাৰ শান্তিৰ বাবে। নাম-কীৰ্তন আৰু কোৰান পাঠৰ অন্তত ছঁবি গৃহৰ স্বত্বাধিকাৰী মতলেবে সাংবাদিকৰ আগত কয় যে, জুবিন দা আমাৰ মাজত এতিয়াও জীয়াই আছে আৰু থাকিব। জুবিন দা আমাৰ অসমবাসীৰ হিয়াৰ আমঠু আছিল। তেখেত অসমৰ ৰত্ন আছিল। তেখেতে সদায় সকলো ধৰ্মৰ লোকক সমান চকুৰে চাইছিল। যাৰ পৰিপ্ৰেক্ষিতত আজি গোটেই অসমবাসী একত্ৰিত হৈ আছে ভাতৃত্ববোধৰ এনাজৰীৰে। জুবিন দা'ৰ এই আদৰ্শক আমি সকলোৱে হিন্দু-মুছলিম নকৰি জীয়াই ৰাখিব লাগিব। প্ৰাণৰ শিল্পী গৰাকীক সুঁৱৰি এইবুলি মন্তব্য প্ৰকাশ কৰে ছঁবি গৃহৰ স্বত্বাধিকাৰিয়ে। একেদৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিন উপলক্ষে শিমলাবাৰী আঞ্চলিক যুৱ সংঘৰ সৌজন্যত আৰু শিমলাবাৰী ক্লাৱৰ সহযোগতো পালন কৰা হৈছে মহান শিল্পী গৰাকীৰ ওপজা দিন। এছ এল কলেজীয়েট হাইস্কুলত সংগীতৰ সম্ৰাট জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি শুভাৰম্ভ হয় কাৰ্যসূচীৰ। পুৱা ৮ বজাত ছাফাই অভিযান, নাহৰ পুলি ৰোপণ আৰু বিতৰণ, ৰক্তদান শিবিৰ, সৰ্ব ধৰ্ম প্ৰাথনা, চিত্ৰাংকন প্ৰতিযোগিতা, সন্ধিয়া শ্ৰদ্ধাঞ্জলি আৰু বন্তি প্ৰজ্বলন আৰু জুবিন সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰোপৰি সন্ধিয়া কণ কণ শিশুৰ সৈতে চহৰৰ ডাইমণ্ড চানেমা ছঁবি গৃহতে গোৱালপাৰা ভালুকডুবি জিলা পৰিষদৰ চেয়াৰমেন আব্দুৰ ৰহিম জিব্ৰানৰ দ্বাৰা কেক্ কাটি শিশু সকলোৰ মাজত বিলোৱা হয়।

# অসম গণ পৰিষদৰ উদ্যোগত পুৰণিগুদামত জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উদ্‌যাপন




**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যত জুবিন গাৰ্গ বিহীন প্ৰাণৰ শিল্পীগৰাকীৰ ৫৩ সংখ্যক জন্মদিন উদ্‌যাপন কৰা সমান্তৰালকৈ নগাঁও জিলাৰ পুৰণিগুদামতো উদ্‌যাপিত হ'ল জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন। অসম গণ পৰিষদ বঢ়মপুৰ সমষ্টিৰ উদ্যোগত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালত আজি জুবিন গাৰ্গৰ জন্মদিনটি উদ্‌যাপন কৰা হয়। এই দিনটো আজি বিশেষভাৱে জাতীয় স্বাভিমান দিৱস হিচাপে পালন কৰা পৰিলক্ষিত হয়। জুবিন গাৰ্গৰ জন্মদিনৰ লগত সংগতি ৰাখি জুবিন গাৰ্গৰ সংগীতৰো এক অনুষ্ঠান আয়োজন কৰে। অনুষ্ঠানটিত প্ৰকৃতি আৰু সংস্কৃতিৰ লগত জড়িত কেইবাজনো ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আজিৰ অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে কেন্দ্ৰীয় সম্পাদক আৰু অসম গণ পৰিষদৰ নগাঁও জিলা সভাপতি মণিমাধৱ মহন্ত উপস্থিত থাকি জুবিন গাৰ্গৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমা সম্পৰ্কত নৱপ্ৰজন্মৰ বাবে এক উদগনিমুলক ভাষণ প্ৰদান কৰে। আজিৰ অনুষ্ঠানৰ আৰম্ভণিতে বৃক্ষৰোপণ কৰে কৃষ্ণ গোস্বামী, পুলিন হাজৰিকা, প্ৰফুল্ল কলিতা, অনিল বৈৰাগী আৰু বিপুল মজিন্দাৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে ফণীন্দ্ৰ নাথ গায়নে। আজিৰ অনুষ্ঠানত সাহিত্য আৰু সাংস্কৃতিক কৰ্মী হিচাপে পুৰণিগুদামৰ দ্বিজেন্দ্ৰ মোহন শইকীয়া, দীপক বৰা, চিত্তৰঞ্জন বৰা, চামগুৰিৰ ভাস্কৰজ্যোতি বৰাক সম্বৰ্ধনা জনোৱা হয়। লগতে প্ৰকৃতি বন্ধু চাপানালাৰ বিনোদ দুলু বৰা, মেঘনা ময়ূৰ হাজৰিকা, কামপুৰৰ ধৰণী শইকীয়া আৰু নৰৈৰ লুইত বৰাক সম্বৰ্ধনা জনোৱা হয়। জাতীয় স্বাভিমান দিৱস উদযাপন সমিতিৰ সম্পাদক খগেন কুমাৰ গায়নে আঁত ধৰা আজিৰ অনুষ্ঠানত জাতীয় স্বাভিমান দিৱস উদযাপন সমিতিৰ সভাপতি তথা অসম মহিলা আয়োগৰ সদস্যা মামণি বৰা, কাৰ্যকৰী সভাপতি পূৰ্ণানন্দ বাৰিক, অসম সাহিত্য সভা, পুৰণিগুদাম শতদল শাখা, অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, পুৰণিগুদাম আঞ্চলিক সমিতি, সদৌ অসম ছাত্ৰ সন্থা, পুৰণিগুদাম শাখা, অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদ, পুৰণিগুদাম, অঞ্জুমান-ঈ-ইছমীয়া, পুৰণিগুদাম, পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, পুৰণিগুদাম প্ৰেছ ক্লাৱ, চামগুৰি ইলেক্ট্ৰনিক মিডিয়া এছচিয়েশ্যন, অৰ্নিবান গোষ্ঠী, পুৰণিগুদাম, অবিনশ্বৰ গোষ্ঠী, পুৰণিগুদাম, জালজৰী, পুৰণিগুদামকে ধৰি কে'বাটাও সংগঠনৰ প্ৰতিনিধি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। আজিৰ অনুষ্ঠানত উপস্থিত সকলোৱে জুবিন গাৰ্গৰ কালজয়ী গীত "মায়াবিনী ৰাতিৰ বুকুত" পৰিবেশন কৰে।

# জাঁজী শাখা লেখিকা সংস্থাৰ উদ্যোগত জুবিন গাৰ্গৰ জন্মদিন পালন

**অসম বাৰ্তা, জাঁজী, ১৮ নৱেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু সদ্যপ্ৰয়াত সংগীত শিল্পী জুবিন গাৰ্গৰ আজিৰ জন্মদিনটোত জাঁজীৰ কেইবাঠাইতো গীত-মাতৰ অনুষ্ঠানেৰে পালন কৰা হয়। জাঁজী শাখা লেখিকা সংস্থাৰ উদ্যোগত আজি জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সংযুক্ত হোৱা বালিকা বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰে জুবিন গাৰ্গক সোঁৱৰণ কৰা হয়। শিল্পীজনৰ সত্তাক জীয়াই ৰখাৰ বাবে পুৱাবেলা লেখিকা সংস্থাৰ সদস্যা সকলে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত নাহৰ পুলি ৰোপণ কৰে। ইয়াৰ পাছত বিদ্যালয়ৰ প্ৰাংগনত জুবিনৰ প্ৰতিচ্ছৱিৰ আগত বন্তি প্ৰজ্বলন কৰে জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষা দীপ্তি গায়নে। ইয়াৰ পাছত জাঁজী লেখিকা সংস্থাৰ সম্পাদিকা বিজু বৰঠাকুৰ আৰু সহঃ সম্পাদিকা অৰ্চনা দত্ত শইকীয়াই আঁত ধৰা অনুষ্ঠানত জুবিন গাৰ্গৰ জীৱনৰ বহু দিশৰ ওপৰত আলোকপাত কৰে অৱসৰ প্ৰাপ্ত শিক্ষক নেত্ৰৰঞ্জন বড়া, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক জীৱমণি নাথ, প্ৰাঞ্জল প্ৰতীম বড়া, ভাস্কৰ তালুকদাৰ, জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীণা বৰুৱা, আমগুৰি সাহিত্য সভাৰ সভাপতি প্ৰমোদ বৰুৱাই। কবিতা পাঠ কৰে বিশিষ্ট শিশু সাহিত্যিক তথা কবি অদিতি খাউণ্ড, বাবুল কুমাৰ বৰুৱা, মীনা নাথ, অধ্যাপিকা বেবী মহন্ত, জাঁজী শাখা সাহিত্য সভাৰ সম্পাদক প্ৰসেনজিৎ গগৈ, ৰুলী বৰগোঁহাই গগৈ, অপৰূপা শইকীয়া, যুতিকা শইকীয়া, অৰ্চনা দত্ত শইকীয়া, বিজু বৰঠাকুৰে। অনুষ্ঠানত জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে ৰূপালী বৰকটকী, অমন আৰান্ধৰা, সঞ্চয়িতা বৰুৱা, আদ্ৰিতি কাশ্যপ, সুস্মিতা শইকীয়া, আৰু কণমানি নিয়ৰসনা শইকীয়াই। শাখাৰ সভাপতি মঞ্জুমালা শৰ্মা ভট্টাচাৰ্য, অনন্যা গগৈ শইকীয়া, ৰিন্তী বৰুৱা, মালা বৰুৱা, প্ৰজ্ঞাজ্যোতি বৰুৱা, ৰঞ্জিতা ভৰালী, সংগীতা ফুকন, মীনাক্ষী বৰুৱা, সাংবাদিক দিগন্ত শৰ্মা আৰু বহুতো গন্যমান্য ব্যক্তি উপস্থিত থাকে।

# ৰূপহীহাটত অসম যুৱ পৰিষদৰ উদ্যোগত জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, ৰূপহীহাট, ১৮ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ৰূপহীহাটৰ জ্ঞান জ্যোতি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত উলহ-মালহেৰে জন্ম বাৰ্ষিকী পালন কৰে। অগপৰ ভাতৃ সংগঠন অসম যুৱ পৰিষদ চামগুৰি যুৱ বিধান পৰিষদৰ উদ্যোগত হাৰ্টথ্ৰৱ শিল্পী জুবিন গাৰ্গে ভাল পোৱা বিভিন্ন সা-সৰঞ্জাম লগত লৈ জন্মদিন পালন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জন্ম বাৰ্ষিকী উপলক্ষে বিদ্যালয়খনত শিক্ষাৰ্থী সকলৰ মাজত জুবিন গাৰ্গৰ গীত, জিকিৰ-জাৰি আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিদ্যালয়খনৰ অধ্যক্ষৰ সঞ্চালনাত অনুষ্ঠিত কাৰ্যসূচীত বিদ্যালয়খনৰ খাটোৱাল অঞ্চলৰ ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। মায়াবিনী গীতেৰে আৰম্ভ কৰা অনুষ্ঠানত অগপৰ চামগুৰি বিধান পৰিষদৰ সম্পাদক নাৰায়ণ বৰা, যুৱ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক তাজ মেহবুব আহমেদ, চামগুৰি সমষ্টিৰ অসম যুৱ পৰিষদৰ সভাপতি খাইৰুল ইছলাম, সম্পাদক ৰাজিবুল ইছলাম অগপ দলৰ চামগুৰি মহিলা বিধান পৰিষদৰ সভানেত্ৰী আঞ্জুমা বেগম আৰু সম্পাদিকা মুছফিকুন নেহাৰ, বিশিষ্ট সমাজ সেৱক নুৰুল আমিন চৌধুৰীকে ধৰি বহু নেতা-কৰ্মীয়ে অংশ লোৱা পৰিলক্ষিত হয়। জন্মদিন উদযাপন অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষকসকলো উপস্থিত থাকে। জুবিন গাৰ্গৰ জন্মদিনৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা প্ৰতিযোগিতাত অংশ লৈ বিজয়ী হোৱা শিক্ষাৰ্থী সকলৰ মাজত পুৰস্কাৰ আৰু বঁটা বিতৰণীৰে সম্পন্ন হোৱা অনুষ্ঠান বৃক্ষ ৰোপণ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়।

গীত-মাত-কথাৰে সোঁৱৰণ হামিং সম্ৰাটক

# মায়াবিনী বকোৰ উদ্যোগত জুবিন গাৰ্গৰ ৫৩ সংখ্যক বাৰ্ষিক জন্মদিন পালন

**অসম বাৰ্তা, বকো, ১৮ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ বকোত আজি বিশেষ ব্যতিক্ৰমী বৰ্ণাঢ্য কাৰ্য্যসূচীৰে আয়োজন কৰে সদ্য প্ৰয়াত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিন। বকোৰ বিভিন্ন জাতীয় অনুষ্ঠান আৰু ৰাইজৰ আন্তৰিকতাত আজি দিনযোৱা কাৰ্য্যসূচীৰে আয়োজন কৰা হয় জুবিনৰ দিন। উল্লেখ্য যে বকোৰ গান্ধী মৈদানত এক মনোজ্ঞ পৰিবেশত আটকধুনীয়া সাজ সজ্জাৰ মনোমোহা পৰিবেশত আয়োজন কৰা হৈছে মায়াবিনী বকোৰ উদ্যোগত জুবিন গাৰ্গৰ জন্ম দিন। ইফালে মায়াবিনী বকোৰ সভাপতি গোবিন্দ দলৈ আৰু সাধাৰণ সম্পাদক হিৰণ্য কুমাৰ নাথে জনোৱা অনুসৰি মায়াবিনীৰ কাৰ্য্যসুচীত দুজোপা নাহৰপুলি ৰোপণ কৰে বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ সভাপতি ধনঞ্জয় মেধি আৰু বগাইৰ সাধাৰণ সম্পাদক হিৰণ্য পাঠকে। অনুষ্ঠানত যশস্বী শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰে বিশিষ্ট ক্ৰীড়া সংগঠক মনোৰঞ্জন কলিতাই। লগতে প্ৰাণৰ শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য অৰ্জুন চেত্ৰীয়ে। ইয়াৰ পিছতে বকোৰ সমাজ জীৱনৰ লগত জড়িত বিশিষ্ট সমাজ কৰ্মীৰ জৰিয়তে শ্ৰদ্ধাঞ্জলিৰে পুষ্পাঞ্জলী প্ৰদান কৰে। আবেলিৰ ভাগত মঞ্চত জুবিন চৰ্চা কৰে অসমৰ স্বনামধন্য শিল্পী ইবছন বৰুৱা, ঈশান নিউজৰ মুখ্য সম্পাদক সুশীল পাটোৱাৰী, জ্যেষ্ঠ সাংস্কৃতিক সাংবাদিক বিদ্যুৎ কুমাৰ ভূঞা; এন ডি ২৪ ৰ জ্যেষ্ঠ সাংবাদিক সঞ্জীৱ প্ৰকাশ আৰু পাঞ্চুনা খ্যাত ড° বুলুমণি ৰাভাৰ উপৰিও বহু সংখ্যক লোকে। ইফালে সন্ধিয়া পৰত জুবিনৰ গীত মাতৰ অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰে বিশিষ্ট সমাজ কৰ্মী তথা ব্যৱসায়ী ৰাজু মেছে। ইয়াৰ পিছতে ৰাজহুৱা বন্তি প্ৰজ্বলন কৰে বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন কলিতা; বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মুন্না পাচনি আৰু বকোস্থিত শিংৰা বনাঞ্চলিক বিষয়া পিংকু সিঙে। নিশা সাংস্কৃতিক মঞ্চত প্ৰায় বহু গৰাকী শিল্পীয়ে জুবিনৰ গীত পৰিৱেশন কৰে।

# আমগুৰিত 'জয় জুবিন দা' গীত উন্মোচন

**অসম বাৰ্তা, আমগুৰি, ১৮ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিত অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই আজি "জয় জুবিন দা" শীৰ্ষক এখন নতুন গীতৰ উন্মোচন কৰা হয়। গীতটিৰ পৰিকল্পনা আৰু কণ্ঠ শিল্পী ৰুণজুন ঢেকিয়াল ফুকনৰ। আমগুৰিৰ জ্ঞান বিকাশ বিদ্যাপীঠত আয়োজিত এক সভাত গীতটিৰ আনুষ্ঠানিক উন্মোচন হয়। আউনীআটী হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰকমল ফুকনে গীতটি মুকলি কৰি উল্লেখ কৰে যে জুবিন গাৰ্গে সমাজখনক আজীৱন সংগীতৰে সংঘবদ্ধ কৰি ৰাখিছিল। তেওঁ আজি শাৰীৰিকভাৱে আমাৰ মাজত নাই যদিও, তেওঁৰ সৃষ্টি আৰু আদৰ্শ জনমানসত সদায় জীয়াই থাকিব। গীতটি উন্মোচনৰ পূৰ্বে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে আমগুৰি খণ্ড উন্নয়ন বিষয়া ৰাতুল গগৈয়ে। জুবিন গাৰ্গৰ ৫৩ তম জন্ম দিৱসৰ সৈতে সংগতি ৰাখি এই অনুষ্ঠানতে ৫৩ গৰাকী বিশিষ্ট ব্যক্তিয়ে জ্ঞান বিকাশ বিদ্যাপীঠৰ চৌহদত ৫৩টা নাহৰৰ পুলি ৰোপণ কৰে। অনুষ্ঠানত শিক্ষক কৃপাল ভূঞা, আমগুৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অনিল হাজৰিকা, অধ্যাপক হিমান্ত বুঢ়াগোহাঁই, অধ্যাপক মালা হাজৰিকা, জ্ঞান বিকাশ বিদ্যাপীঠৰ অধ্যক্ষ হিমাদ্ৰী জ্যোতি দত্ত, চম্পক দত্ত, সদৌ অসম মহিলা সমিতিৰ সম্পাদিকা ইন্দ্ৰাণী ৰাজকুমাৰী প্ৰমুখ্যে বিভিন্নজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# কবিৰ মৃত্যু হ'ব পাৰে, কিন্তু কবিতাৰ কোনোদিন মৃত্যু হ'ব নোৱাৰে ঃ হিল্লোলজ্যোতি সিংহ

**অসম বাৰ্তা, লেংটিছিঙা, ১৮ নৱেম্বৰ ঃ** "মিহিৰ মৌচুম ৰয়ৰ মৃত্যু হ'লেও তেওঁ নিজৰ সৃষ্টিৰ মাজতে চিৰদিন জীযাই থাকিব। কবিৰ মৃত্যু হ'ব পাৰে, কিন্তু কবিতাৰ কোনোদিন মৃত্যু হ'ব নোৱাৰে।" আজি অসমৰ বিশিষ্ট কবি মিহিৰ মৌচুম ৰয়ৰ সোঁৱৰণত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক, লেখক হিল্লোলজ্যোতি সিংহই এইদৰে কয়। বিশিষ্ট কবি মিহিৰ মৌচুম ৰয়ৰ মহাপ্ৰয়াণৰ আজি এমাহ পূৰ্ণ হয়। এই উপলক্ষে কবিগৰাকীক স্মৰণ কৰি কবিগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে মিহিৰ মৌচুম ৰয় স্মাৰক গ্ৰন্থ সম্পাদনা সমিতিয়ে 'মিহিৰ' নামেৰে এখন স্মাৰকগ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়। এই উপলক্ষে আজি প্ৰয়াত কবিগৰাকীৰ বাসভৱন তথা অভয়াপুৰীৰ ভোমাপাৰাস্থিত 'প্ৰান্তিক পঁজা'ত এখনি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সভাৰ পূৰ্বে কবিগৰাকীৰ লগতে শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। জ্যেষ্ঠ নাগৰিক গীতেন চন্দ্ৰ নাথে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিচতে অভয়াপুৰী শতদল শাখা সাহিত্য সভাৰ সভাপতি ৰমেশ নাথৰ সভাপতিত্বত সভা অনুষ্ঠিত হয়। অভয়াপুৰী মহাবিদ্যালয় সহকাৰী অধ্যাপক ড° অশোক কুমাৰ দাসে সমিতিৰ হৈ আদৰণি ভাষণ দিয়া সভাত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা লেখক হিল্লোলজ্যোতি সিংহই 'মিহিৰ' নামৰ স্মাৰকগ্ৰন্থখন উন্মোচন কৰে। অনুষ্ঠানত 'অসমীয়া প্ৰতিদিন' কাকতৰ জ্যেষ্ঠ সাংবাদিক ৰঞ্জিত কুমাৰ শৰ্মা আৰু অভয়াপুৰী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰাণজিত কলিতা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ভাষণ প্ৰসংগত ৰঞ্জিত কুমাৰ শৰ্মাই কবি গৰাকীৰ সমগ্ৰ কবিতা তথা অন্যান্য ৰচনা সমূহ একত্ৰিত ৰূপত প্ৰকাশ কৰাত গুৰুত্ব দিয়ে। সভাত পবিত্ৰ কুমাৰ নাথ, ৰোহিনী কুমাৰ চৌধুৰী, অনুকূল নাথেও মিহিৰ মৌচুম ৰয়ৰ কাব্য প্ৰতিভাৰ লগতে তেওঁৰ সান্নিধ্যৰ বিষয়ে কয়। উক্ত সভাতেই 'মিহিৰ'ৰ বেটুপাত অংকন কৰা ছাত্ৰী জিমি দেৱীকো সম্বৰ্ধনা জনোৱা হয়। সম্পাদক কামাখ্যা প্ৰসাদ ৰায়ে আঁত ধৰা আৰু শলাগৰ শৰাই আগবঢ়োৱা সভাত পৰিয়ালৰ হৈ মিহিৰ মৌচুম ৰয়ৰ পুত্ৰ ধৰম ৰঞ্জন ৰয়ে কৃতজ্ঞতা সূচক ব্যক্তব্য ৰাখে। সভাত কবি গৰাকীৰ ভালে সংখ্যক গুণমুগ্ধ উপস্থিত থাকে।

# নগাঁৱৰ ৰাঙলুৰ বৃদ্ধাশ্ৰমত ব্যতিক্ৰমী চিন্তাৰে উদ্‌যাপন কৰিলে অসমীয়াৰ হিয়াৰ আমঠু জুৱিন গাৰ্গৰ জন্মদিন



**অসম বাৰ্তা, কামপুৰ, ১৮ নৱেম্বৰ ঃ** আজি জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উদ্‌যাপন। জুবিন বিহীনৰে প্ৰথমটো জন্মদিন উদযাপন কৰিলে অসমবাসীয়ে। সমগ্ৰ অসমৰ লগতে নগাঁও জিলাৰ ৰাঙলুৰ গ্ৰাম বিকাশ পৰিষদৰ বৃদ্ধাশ্ৰমতো এক ব্যতিক্ৰমী চিন্তাৰে আয়োজন কৰিলে জুৱিন গাৰ্গৰ জন্মদিন। বৃদ্ধাশ্ৰমৰ বৃদ্ধ আৱাসী সকলৰ মাজত দিনযোৱা কাৰ্যসূচীৰে অসমীয়াৰ হিয়াৰ আমঠু শিল্পী গৰাকী অবৰ্তমানত প্ৰথমটো জন্মদিন উদ্‌যাপন কৰে। এই সম্পৰ্কত জুৱিন গাৰ্গৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন আৰু প্ৰতিচ্ছৱিত মাল্যপন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে সাংবাদিক মুক্তিকাম লস্কৰ লগতে বৃদ্ধাশ্ৰম খনৰ আৱাসী ককা আইতা সকলে। ইয়াৰ পিছতে নাহৰ গছৰ পুলি ৰোপণ কৰা হয়। এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৰত চন্দ্ৰ ভট্টাচাৰ্যই। কাৰ্যসূঁচীৰ অংশ হিচাপে ককা-আইতাৰ লগতে এশ গৰাকী ব্যক্তিক জুৱিন গাৰ্গৰ স্বাক্ষৰ সম্বলিত ফটোগ্ৰাফ বিতৰন কৰা হয়। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাবে উপস্থিত থকে ডাইনেষ্টি কনচাৰ্ট ষ্টুডিঅৰ স্বত্বাধিকাৰী তথা জুবিন গাৰ্গৰ বন্ধু জোন বৰা আৰু কণ্ঠশিল্পী জয়শ্ৰী অধিকাৰী। কাৰ্বি ব্লক পকাই গাঁও নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিৰুপম বৰাই সভাপতিত্ব কৰা স্মৃতিচাৰন অনুষ্ঠানটোত কণ্ঠশিল্পী জয়শ্ৰী অধিকাৰীয়ে জুৱিন গাৰ্গৰ কেইবাটাও গীত পৰিবেশন কৰে। অনুষ্ঠানটোত ৰাঙলু আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ফিৰদৌছ আহমেদ, ৰাঙলু গ্ৰাম বিকাশ পৰিষদৰ অধ্যক্ষ আবুল কালাম, সমাজকৰ্মী কৃষ্ণ দাস ড° এপি জে আব্দুল একাডেমীৰ প্ৰধান শিক্ষক গুলজাৰ হুছেইন আদিয়ে জুৱিন গাৰ্গৰ স্মৃতিচাৰন কৰে। অনুষ্ঠানৰ শেষত ড° এপি জে আব্দুল একাডেমীৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে ককা আইতা আৰক্ষী শিল্পী সকলোৱে একেলগে জুৱিন গাৰ্গৰ মায়াবিনী গীত পৰিবেশন কৰে।

# কোকৰাঝাৰত ৩০ বিঘা ভূমিত 'জুবিন গাৰ্গ উদ্যান'ৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, দোতমা, ১৮ নৱেম্বৰ ঃ** বিটিচি প্ৰধান শ্ৰীযুত হাগ্ৰামা মহিলাৰীয়ে হাৰ্টথ্ৰব জুবিন গাৰ্গৰ জন্ম দিনটোত কোকৰাঝাৰৰ চান্দমাৰিত, আই, টি পাৰ্কৰ সমীপত ৩০ বিঘা ভূমিত 'জুবিন গাৰ্গ উদ্যান'ৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপনৰ লগতে গোটেই দিনজোৰা কাৰ্যসূচী লৈ হাৰ্টথ্ৰবৰ জন্মদিন পালন কৰে। যুৱপ্ৰিয়ৰ জন্মদিন উপলক্ষে ৰক্তদান শিবিৰ আয়োজন কৰে। ৫৩ তম জন্মদিন উপলক্ষে উদ্যানখনত ৫৩টা 'নাহৰ' গছ ৰোপণ কৰে। স্থানীয় শিল্পীসকলক লৈ জুবিন গাৰ্গৰ লগত সংগতি ৰাখি গান আৰু অভিনয়ৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰে। প্ৰায় ২৫, ০০০ শিল্পী আৰু স্থানীয় ৰাইজক লৈ বড়ো আৰু অসমীয়া দুয়োটা ভাষাত 'মায়াবিনী' গান পৰিবেশন কৰে।

## সম্পাদকীয়

# মূল্যবান গণতন্ত্ৰৰ স্তম্ভ ঃ নিৰ্ভৰযোগ্য ভোটাৰ তালিকা

এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ মূল্যবান স্তম্ভ হ'ল ইয়াৰ ভোটাৰ তালিকা। এই তালিকাখন যিমান সঠিক, নিৰ্ভৰযোগ্য আৰু সামগ্ৰিক, গণতন্ত্ৰৰ ভেটি সিমান শক্তিশালী। এই দিশটোলৈ গুৰুত্ব দিয়েই নিৰ্বাচন কমিচন অৱ ইণ্ডিয়াই অসমত দীৰ্ঘদিন ধৰি বন্ধ থকা ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী (Special Summary Revision) পুনৰ আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। ২০২৬ চনৰ ১ জানুৱাৰীক ভিত্তি দিন ধৰি আৰম্ভ হ'ব এই গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া আৰু ১০ ফেব্ৰুৱাৰীত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। নিৰ্বাচনী প্ৰক্ৰিয়াক অধিক স্বচ্ছ, সক্ৰিয় আৰু অংশগ্ৰহণমূলক কৰি তোলাৰ বাবে এই পদক্ষেপ এক ঐতিহাসিক অগ্ৰগতি বুলি ক'লেও অত্যুক্তি নহ'ব। বিশেষ সংশোধনীৰ এই প্ৰক্ৰিয়াটোৱে এটা লক্ষ্যৰে আগবাঢ়িব — নতুন ভোটাৰসকলক তালিকাভুক্ত কৰা, আৰু মৃত, স্থানান্তৰিত বা অনুপযুক্ত নামবোৰ আঁতৰোৱা। প্ৰকৃতাৰ্থত, ভোটাৰ তালিকাৰ পৰা এখন নিৰ্মল আৰ্চী (Mirror) সজ্জা কৰাৰ চেষ্টা ই। যিসকল তৰুণ-তৰুণীয়ে ১ জানুৱাৰী ২০২৬-ত ১৮বছৰ বয়স পূৰ্ণ কৰিব, তেওঁলোকৰ বাবে এইটো তালিকাত নামভৰ্তিৰ সোণালী সুযোগ। আনহাতে, যিসকলৰ নাম ভুলকৈ আছে বা থাকিব নলগীয়া, সেইবোৰ আঁতৰাই তালিকাখনক কৰি তোলা হ'ব আণবিক স্তৰলৈ সঠিক। ইতিমধ্যে নথি-পত্ৰ ছপা আৰু বুথ লেভেল অফিচাৰ (BLO) সকলৰ প্ৰশিক্ষণৰ জৰিয়তে এই যাত্ৰাৰ আৰম্ভণি হ'ল। ২২ নৱেম্বৰৰ পৰা BLOসকলে ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব। এইটো এক গুৰুত্বপূৰ্ণ স্তৰ, কিয়নো ইয়াত সাধাৰণ নাগৰিকৰ সৈতে প্ৰত্যক্ষ সংযোগ স্থাপন কৰা হয়। ২৭ ডিচেম্বৰত খচৰা তালিকা ওলোৱাৰ পিছত সাধাৰণ মানুহে তাক পৰীক্ষা কৰি দাবী-আপত্তি উত্থাপন কৰিব পাৰিব। সকলো ধৰণৰ সংশোধনী আৰু নিষ্পত্তিৰ পিছতহে ২০২৬ৰ ১০ ফেব্ৰুৱাৰীত চূড়ান্ত তালিকাই ৰূপ ল'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচন কমিচনৰ এই সিদ্ধান্তক উষ্ম আদৰণি জনাই কৈছে যে ইয়াৰ ফলত অসমে এখন সম্পূৰ্ণ শুদ্ধ, নিকা আৰু আধুনিক ভোটাৰ তালিকা লাভ কৰিব। ৰাজ্য চৰকাৰে সম্পূৰ্ণ সহযোগিতাৰ কথা ঘোষণা কৰিছে। ই এক শুভ সংকেত। কিয়নো, এনে এক গুৰুত্বপূৰ্ণ ৰাজহুৱা কাম-কাজত সকলো ৰাজনৈতিক দল আৰু নাগৰিক সমাজৰ সহযোগিতা অতি প্ৰয়োজনীয়। এই গুৰুত্বপূৰ্ণ ঘোষণাই সাধাৰণ নাগৰিকৰ মনত কেইটামান প্ৰশ্নৰো সৃষ্টি কৰিছে। প্ৰথম প্ৰশ্নটো হ'ল — ইয়াৰ প্ৰয়োজনীয়তাটো কি? দীৰ্ঘদিন ধৰি অসমত এই বিশেষ সংশোধনী কিয় বন্ধ আছিল? ইয়াৰ উত্তৰ অসম চুক্তিৰ বিশেষ ধাৰা ৬এ(6A)-ৰ সৈতে জড়িত। নাগৰিকত্বৰ এই জটিল আইনী ব্যৱস্থাৰ বাবেই অসমক ইতিপূৰ্বে এই প্ৰক্ৰিয়াৰ পৰা বাদ ৰখা হৈছিল। বিগত মাহত এই কমিচনে গুজৰাট, মধ্যপ্ৰদেশ, ৰাজস্থান আদি ৰাজ্যত এই প্ৰক্ৰিয়া আৰম্ভ কৰে। এতিয়া অসমকো ইয়াৰ ভিতৰত অন্তৰ্ভুক্ত কৰাটোৱে এক বৃহত্তৰ ৰাজনৈতিক আৰু প্ৰশাসনিক সমতাৰ ইংগিত দিয়ে। সাধাৰণ মানুহে ভাবিব পাৰে যে এই সংশোধনীৰ পিছত তেওঁলোকৰ ভোটৰ ক্ষমতা সঁচাকৈয়ে সুৰক্ষিত হ'ব নেকি? এই সংশোধনীয়ে প্ৰত্যক্ষভাৱে ভোটাৰ তালিকাত থকা অসামঞ্জস্যবোৰ দূৰ কৰিব বুলি আশা কৰা হৈছে, যাৰ ফলত নিৰ্বাচনত হস্তক্ষেপ (Rigging)ৰ আশংকা হ্ৰাস পাব। দ্বিতীয়তে, — এই প্ৰক্ৰিয়াৰ লগত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (NRC)ৰ কোনো সম্পৰ্ক আছে নেকি? ইয়াৰ সৰল উত্তৰ হ'ল — এই দুয়োটা প্ৰক্ৰিয়া সম্পূৰ্ণ বেলেগ। NRC হ'ল নাগৰিকত্ব প্ৰমাণ কৰা এক ব্যায়বহুল আৰু জটিল প্ৰক্ৰিয়া, আনহাতে ভোটাৰ তালিকাৰ সংশোধনী হ'ল এটা নিয়মীয়া, চলিত প্ৰক্ৰিয়া য'ত ভাৰতৰ নাগৰিক তথা ভোটদাতা হিচাপে থকা প্ৰত্যেকজন লোকৰ নাম সঠিকভাৱে তালিকাভুক্ত কৰা হয়। NRCৰ সৈতে ইয়াৰ পোনপটীয়া কোনো সম্পৰ্ক নাই। তৃতীয়টো প্ৰশ্ন হ'ল — নতুনকৈ ভোটদাতা হ'বলৈ ওলোৱা ডেকা-গাভৰুসকলে কি কৰিব লাগিব? তেওঁলোকে নিজৰ সংশ্লিষ্ট গাঁও/মহল্লাৰ BLO বা নিৰ্বাচনী বিষয়াৰ সৈতে যোগাযোগ কৰিব লাগিব। প্ৰয়োজনীয় নথি-পত্ৰ, যেনে বয়স প্ৰমাণপত্ৰ, ঠিকনা প্ৰমাণপত্ৰ আদি যোগাৰ কৰি যথাসময়ত নামভৰ্তি কৰিব লাগিব। খচৰা তালিকা ওলোৱাৰ পিছত যদি কাৰো নাম নাথাকে, তেনেহ'লেও তেওঁলোকে দাবী-আপত্তি উত্থাপন কৰিব পাৰিব। চতুৰ্থতে, বহুতে ভাবে — এই বিশেষ সংশোধনীৰ পৰা ৰাজ্যখনৰ কি লাভ? নিৰ্বাচনী বিশ্লেষকসকলৰ মতে, এই সংশোধনীয়ে অসমৰ ভোটাৰ তালিকাক অধিক সঠিক আৰু বিশ্বাসযোগ্য কৰি তুলিব। এনে এখন নিৰ্ভৰযোগ্য তালিকাই নিৰ্বাচনী প্ৰক্ৰিয়াক অধিক স্বচ্ছ আৰু ন্যায়সংগত কৰি তোলে। ইয়াৰ প্ৰভাৱ আগন্তুক সকলো নিৰ্বাচনতে পৰিব বুলি আশা কৰিব পাৰি। ভৱিষ্যতৰ বিধানসভা আৰু লোকসভা নিৰ্বাচনসমূহত ই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। এইটো সুন্দৰভাৱে বুজিব লাগিব যে ভোটাৰ তালিকা হ'ল গণতন্ত্ৰৰ প্ৰাণ। এই তালিকাখন শুদ্ধ হ'লেহে আমাৰ ভোটৰ ক্ষমতাও সাৰ্থক হ'ব। গতিকে, এই বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়াত প্ৰত্যেক নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণ অপৰিহাৰ্য। BLOসকলে যেতিয়া ঘৰে ঘৰে যাব, তেতিয়া তেওঁলোকক পূৰ্ণ সহযোগিতা কৰিব লাগিব। প্ৰয়োজন হ'লে নিজৰ তথ্য যাচাই কৰিব লাগিব। খচৰা তালিকা চাব লাগিব আৰু তাত ভুল থাকিলে সঠিক সময়ত আপত্তি দাখিল কৰিব লাগিব। নিৰ্বাচন কমিচনৰ এই সিদ্ধান্তই অসমৰ গণতান্ত্ৰিক জীৱনত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰিব পাৰি। এখন শুদ্ধ, নিকা আৰু আধুনিক ভোটাৰ তালিকাই নাগৰিকৰ বিশ্বাস বৃদ্ধি কৰাৰ লগতে আমাৰ গণতন্ত্ৰক আৰু অধিক মজবুত কৰিব। এয়া কেৱল প্ৰশাসনীয় প্ৰক্ৰিয়া নহয়, এয়া আমাৰ গণতান্ত্ৰিক অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি থকা দায়বদ্ধতাৰ প্ৰকাশ। আমি সকলোৱে মিলি এই ঐতিহাসিক প্ৰক্ৰিয়াটো সফল কৰোঁ আহক।

◀◀ জুবিনৰ আটাইতকৈ ভাল কামটো হ'ল, খুব অধ্যয়নপুষ্ট মন। মাথোঁ পুচ-বছৰ বয়সতে দহ হাজাৰ (১০, ০০০) কিতাপ পঢ়িলে, মুখৰ কথা নহয় কিন্তু। পৃথিৱীৰ বিভিন্ন ভাষাৰ গ্ৰন্থ তেওঁ অধ্যয়ন কৰিছে। সেয়ে চাগে ইমান গুণী, জ্ঞানী -বিদ্যান। পঢ়াশালীৰ পাঠ্যপুথি বেছি নপঢ়িছিল বুলি তেওঁৰ ভাষ্যৰ পৰা গম পাইছিলো। স্কুলীয়া দিনৰ পৰাই বাহিৰা কিতাপ খুব পঢ়িছিল। সেই কাৰণে চাগে ভাষাৰ জ্ঞানো বেছি। সেয়ে তেওঁ আনতকৈ ব্যতিক্ৰম। অহৰ্নিশে মগজ সক্ৰিয় হৈ থকাৰ কাৰণো চাগে সেয়ে কাৰণ অনুভৱবোৰে জুমুৰি দি ধৰে চাগৈ। ▶▶

# জুবিন গাৰ্গৰ জীৱনৰ ইটো-সিটো কথাৰে

### পমী গোস্বামী

মই আজি এনে এজন ব্যক্তিৰ জীৱনৰ ওপৰত কলম চলাব লৈছো, যিজন ব্যক্তিয়ে জীৱনৰ মাথোঁ ৫২-টা বছৰতে ১০, ০০০ (দহ হাজাৰ )গ্ৰন্থ অধ্যয়ন কৰিছে ; ৭, ০০০ (সাত হাজাৰ) গান-কবিতা নিজে লেখিছে আৰু জীৱন কালত ৩৮, ০০০ -৪০, ০০০( চল্লিছ হাজাৰৰ) ভিতৰত গীতত কণ্ঠ দান কৰিছে আৰু ৪০/৪৫(চল্লিছ নে পঞ্চলিছটা ভাষাত গীত গাইছে। তথ্যবোৰ সময়ে সময়ে পাই থকাৰ ভিত্তিত দিছো। কিমাচ্যৰ্য! তাকেহে কলো। নিজে লিখোঁতেই কিবা ঠিক লিখিছোনে নাই সংকোচ হয় কাৰণ আমাৰ বোধগম্য ভিতৰত নহয়। জীৱনৰ পাঠ যেন নতুনকৈ শিকিছো জুবিনৰ আদৰ্শৰে।

বিচিত্ৰতাৰে ভৰা একোজন বিশিষ্ট ব্যক্তিৰ জীৱন সমগ্ৰ লেখা সহজ কথা নহয়। তাতে আকৌ কম কথাত বিশাল কৰ্মজীৱন দাঙি ধৰা। ভুৰুকাত হাঁতী ভৰোৱাৰ দৰে। তাতে আকৌ মানুহজন হ'ল, অসমীয়াৰ প্ৰাণৰো প্ৰাণ, হিয়াঁৰ আমঠু, যুৱচামৰ হাৰ্টথ্ৰব জুবিন গাৰ্গ। তেওঁৰ অৱদান অসম, অসমীয়া ৰাইজলৈ বিভিন্ন ক্ষেত্ৰত অপৰিসীম।

প্ৰথমতে, তেওঁ এজন সুমধুৰ কণ্ঠৰ গায়ক লগতে সুৰকাৰো। একে সময়তে তেওঁ এজন গীতিকাৰো। তেওঁ গোৱা বহুত গীতৰ স্ৰষ্টা তেওঁ নিজেই। নিজেই লিখে, সুৰ দিয়ে আৰু কণ্ঠও নিগৰায়। আনকি প্ৰযোজনা পৰিকল্পনা সকলো নিজৰ। আনকো গোৱাই প্ৰতিষ্ঠা কৰে। তেওঁৰ গীতৰ প্ৰতিটো শব্দই কথা কয় আৰু সেয়ে ৰাইজৰ আপোন তেওঁ। থলুৱা শব্দৰ ভৰাঁল আছিল আৰু তাৰ সুপ্ৰয়োগ কৰিছিল। মাটিৰ মানহৰ ভাষা আছিল।

তেওঁৰ গীতত সুখৰ ছবি, দুখৰ ছবি, জীৱন-দৰ্শনৰ বাস্তৱ চিত্ৰ আমি দেখা পাওঁ। তেওঁৰ অবৰ্তমানত তেওঁৰে কিছুমান গান শুনিলে এনে অনুভৱ হয় যেন তেওঁ নিজে নিজৰ ভবিষ্যৎ গম পাইছিল আৰু সেয়ে এনেদৰে লেখিছিল। বৰ্তমান তেওঁক সকলোৱে ভগৱানৰ শাৰীত ৰাখি ঈশ্বৰ পুত্ৰ বুলিহে অভিহিত কৰিছে। উল্লেখযোগ্য কথা যে, যি সময়ত অসমীয়া সঙ্গীত জগতৰ একেবাৰে পয়াঁলগা অৱস্থা মানে ল'ৰা-ছোৱালীবোৰে অসমীয়া ভাষাৰ গান শুনিবলৈ এৰিয়েই দিছিল। অনা-অসমীয়া ভাষাৰ গানৰ প্ৰতিহে আগ্ৰহী আছিল তেনে সময়তে। জুবিনে সেই চিন্তাধাৰা সম্পূণ দূৰ কৰি অসমীয়া ভাষাতে গানৰ এক অভ্যুত্থান আনিবলৈ সমৰ্থ হ'ল। অসমীয়া গানলৈ এক নতুন ধাৰা বোৱাই আনিলে।

দ্বিতীয়তে, অসমীয়া চিনেমাৰ অতি দুৰ্দিন তেতিয়া, হলবোৰত অসমীয়া চিনেমা একেবাৰে নচলে বাবে হলৰ মালিক সকলেও দুই/এদিনতে অসমীয়া চিনেমা আঁতৰাই হিন্দী বা অন্য ভাষাৰ চিনেমা লগাই নিজৰ ব্যৱসায়িক দিশটোৰ প্ৰতি লক্ষ্য ৰাখে। এইবোৰ কথা লৈ বহু সময়ত অলপ মনোমালিন্যও চলিছিল অসমীয়া চিনেমাৰ লগত জড়িতসকল লগত। কিন্তু জুবিন গাৰ্গ এই দিশটোত সোমায়েই সকলো দিশ চালিজাৰি চাই সকলো কৰ্তৃপক্ষ আৰু চিনেমা সংগঠনৰ লগত জড়িত সকলোকে একগোট কৰি হলবোৰো ঠিক্ঠাক্ কৰাই লগতে চিনেমা নিজেই বনাই প্ৰচাৰৰ ব্যৱস্থা কৰা সকলো সামৰি এক চিনেমা উদ্যোগৰ আন্দোলন কৰি জাগৰণ তুলিলে। মাৰ্কেটিং আজিৰ যুগত সকলো কৰ্মতে লাগে। এই কথা জুবিন গাৰ্গে ভালকৈ উপলব্ধি কৰিছিল। তেৰেঁই অসমীয়া চিনেমাত এক ব্যয়বহুল প্ৰচাৰ অভিযান আৰম্ভ কৰিছিল।

জুবিন গাৰ্গৰ 'মিচন্ চাইনা' অসমীয়া ব্যৱসায়িক চিনেমাৰ এক মাইলৰ খুটি বুলি সকলোৱে স্বীকাৰ কৰিছে।

তেওঁৰ জীৱনৰ আটাইতকৈ ডাঙৰ গুণটোৱেই হৈছে মানৱতাবাদ। তেওঁ জাতি ধৰ্ম ভাষা সকলোৱে উৰ্দ্ধত মানৱ ধৰ্মৰ পূজাৰী। সেয়ে তেওঁ হাতত যি থাকে বিনাদ্বিধাই আৰ্তজনক দান কৰিব পাৰে। তেওঁৰ এই সৰলতাক বহুতে দুৰ্বলতা হিচাপে ললে। নিতৌ তেওঁৰ ওচৰত সহায় বিছাৰি অহা মানুহৰ অভাৱ নাই। বিভিন্ন কথাৰ বাবে বা প্ৰয়োজনত নিজৰ অভীষ্ট সিদ্ধিৰ বাবে ঠিক যেনেকৈ মানুহ এম এল এ বা মন্ত্ৰী বিষয়াৰ তাত যায় তেনেকৈ তেওঁ ৰাজনৈতিক ব্যক্তি নোহোৱা সত্ত্বেও তেওঁৰ ওচৰতো সহায় বিছৰা লোকৰ অভাৱ নাছিল। কাকো নিৰাশ নকৰিছিল হেনো জুবিনে। মোৰ চাক্ষুষ অভিজ্ঞতা নাই যদিও বিভিন্ন উৎসৰ পৰা জানিছো, বুজিছো। কেৱল ঘৰলৈ সহায় বিছাৰি অহা লোকৰ বাবেই নহয় বাটে-ঘাটে লগ পোৱা বিভিন্নজনকো সহায় কৰিছিল। এই নিঃস্বাৰ্থ মৰমৰ বাবেই তেওঁ সকলোৱে বাবে ভগৱানস্বৰূপ আছিল।

তেওঁৰ গানৰ অৰ্থ বৰ সাংঘাতিক বাস্তৱ। এটা গানৰ অৰ্থ এনেকুৱা, মানুহে যি কৰে চব দি থয়েই যাব লাগিব, লগত একো নিব নোৱাৰে আৰু গ'ল মানে গলেই আৰু উভতি অহাৰ বাট নাই। এইবোৰ বাস্তৱ সকলোৱে জানে



কিন্তু জুবিনৰ গানৰ ভাৱনা বা প্ৰকাশ শৈলী বৰ হৃদয়স্পৰ্শী আৰু একক ষ্টাইলৰ।

কাক কি দিয়া নাই তেওঁ? অকল টকা-পইচাৰেই নহয়।। কাৰোবাক চিকিৎসাৰ ব্যৱস্থা কৰি দিয়া, কোনোবাক পঢ়া-শুনাৰ খৰচ দিয়া আকৌ বিভিন্ন দিশত সহায়-সহযোগ কৰি সকাহ দিছে। নিঃসঙ্গ কোনোবাজনক মৰমৰ মাতষাৰ দি আস্থা দিয়া, 'মই আছো চিন্তা কৰিব নেলাগে' এনেকে চাগে কিমানক ক'লে। সেয়ে বহু তেনে লোকে দিক্‌বিদিক্ হেৰুৱাৰ দৰে হৈছে। সেয়ে এতিয়া আগৰ দৰে ঘৰুৱাভাৱে জুবিন জুবিন বুলি কোনেও নমতা হ'ল। তেওঁৰ মহাপ্ৰয়ানৰ পিছতহে তেওঁৰ এই নিঃস্বাৰ্থ মহানুভতা আৰু জীৱন দৰ্শন উপলব্ধি কৰি জুবিন নামৰ মহান সত্তাক 'ঈশ্বৰ পুত্ৰ', দেৱদূত বুলিহে স্মৰণ কৰিছে।

জুবিনে গছ-গছনি ভাল পাইছিল, পাহাৰ-পৰ্বতক ভাল পাইছিল, নদী-সাগৰ ভাল পাইছিল আৰু সাগৰক শেষ ঠিকনা বুলি কৈছিল। সাগৰৰ তলিত শুবৰে মন বুলি গানেৰে কৈছিল। সেয়ে হয়তো মহাপ্ৰয়ানো সাগৰৰ তলিতে হ'ল।

গছৰ লগত কথাও পাতিছিল। নাহৰ তেওঁৰ প্ৰিয় ফুল আছিল। বৰ্তমান কেৱল তেওঁৰ অনুৰাগীয়েই নহয় সমগ্ৰ অসমবাসীয়ে বিভিন্ন ঠাইত নাহৰৰ পুলি ৰোপণ কৰিছে। চৰকাৰী-বেচৰকাৰীভাৱে সকলোৱে স্বইচ্ছাই এই কাম কৰিবলৈ আগবাঢ়ি আহিছে।

গছ কাটিলে জুবিনে মনত বৰ দুখ পাইছিল। চৰকাৰে প্ৰয়োজনত কাটিব লগা হওঁতেও জুবিনে অনাহকত নাকাটিবলৈ সাঁকিয়াই দিছিল। নদীৰ গতিশীলতাক তেওঁ জীৱনৰ কৰ্মৰ লগত তুলনা কৰিছিল সেয়ে তেওঁ নদীৰ প্ৰতি শ্ৰদ্ধাশীল আছিল।

পাহাৰ-পৰ্বত সকলোৱে প্ৰকৃতিক সুৰক্ষিত কৰি ৰাখে গতিকে তেওঁ সকলোতে প্ৰাণ দেখা পায়। প্ৰকৃতিৰ ধ্বংসলীলা দেখিলে তেওঁ কথাবোৰ আওকান কৰা নাছিল। হক্ কথাত মাত মাতিছিল সংসাহসেৰে।

এইটোও সঁচা যে, তেওঁ কেতিয়াবা কিছুমান খামখেয়ালি মঞ্চত কৰে হয়তো নিচাৰ দোষত। হলেও কাকো একো অপকাৰ বা অনিষ্ট হোৱা কাম নকৰে। সুধী সমাজে যি প্ৰকৃততে জুবিনৰ ভাল চিন্তা কৰে আৰু স্বাস্থ্য কুশলে থকাটো বিছাৰে তেওঁলোকে সময়ে সময়ে আঙুলিয়াই দিয়ে। কিন্তু এচাম অন্ধ অনুৰাগীয়ে ভাল সমালোচকসকলক আঙুলি টোৱাঁই জুবিনক উচতাই দিয়ে। জুবিন গাৰ্গ এজন সহজ-সৰল ব্যক্তি, শিশুসুলভ মনৰ ব্যক্তি, তেওঁৰ এই শিশুসুলভ স্বভাৱটোৰ সুবিধা লৈ এচামে তেওঁক জিৰণি ল'বলৈ সুবিধাই নিদিলে, কেৱল ব্যৱহাৰ কৰিলে নিজৰ ব্যক্তিগত স্বাৰ্থত।

জুবিন গাৰ্গৰ আৰু এটা প্ৰতিভা সিমান চৰ্চা নহয়, সেইটো হৈছে তেওঁ সুন্দৰ কবিতা লেখিছিল। কবিতাৰ ভাৱ-ভাষা বৰ অপূৰ্ব। ইচ্ছা কৰা হ'লে হয়তো তেওঁ এজন ভাল লেখক বা সাহিত্যিক হিচাপেও প্ৰতিষ্ঠা লাভ কৰিব পাৰিলেহেঁতেন। কিন্তু মানুহৰ প্ৰত্যেকৰে নিজৰ নিজৰ ইচ্ছা বা অভিলাষ থাকে জীৱনটোক সজোৱাৰ গতিকে নিজৰ পচণ্ডৰ কামবোৰ কৰি যাব লাগে। কিছুমানলোক বহু প্ৰতিভাৰ গৰাকী হ'লেও তেনে লোকও কিন্তু নিজৰ পৰিচয়টো ভালপোৱা কামটোৰেহে দিব বিছাৰে। জুবিনেও গানৰ ধাৰাটোৰ পৰা নিজৰ ইচ্ছাৰেই চিনেমা জগতত ভৰি দিলে। তেতিয়া সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত জুবিনে কোৱা কথা মোৰ মনত আছে। জুবিনে টি ভিৰ সাক্ষাৎকাৰত কৈছিল- "মই গান বহুত গালো প্ৰায় ৩৮-হাজাৰ গালো হ'ব আৰু বাকী চিনেমাৰ গানবোৰতো থাকিবই। গতিকে এতিয়া চিনেমা বনাম। বহুকিখন চিনেমাৰ পৰিকল্পনা কৰা আছে, চাওঁ কি কৰিব পাৰো। মানুহে যাতে ক'ব নোৱাৰে অকল সঙ্গীত শিল্পী বুলি।" সঁচাকৈ মানুহজনে য'তে যি কৰিছে সফল হৈছে। কাৰণ তেওঁ কাম এটা হাতত ল'লে সম্পূৰ্ণ মন-প্ৰাণ(dedication) দি কাম কৰে। কামটোক বা হাতত লোৱা প্ৰকল্পটোক সম্পূৰ্ণ অধ্যয়ন কৰি লৈ নিজক প্ৰস্তুত কৰি কামত আগবাঢ়ে। এইবোৰ শিকিবলগা কথা। আজিৰ প্ৰজন্মই অনুৰাগী বুলি হুলস্থুল কৰি থকাতকৈ গুণবোৰ অনুকৰণ, অনুসৰণ আৰু আদৰ্শ হিচাপে লৈ বাস্তৱমুখী কাম কৰক। তেতিয়াহে জুবিনৰ প্ৰতি প্ৰকৃত ণ্যায় দিয়া হ'ব আৰু জুবিন গাৰ্গ আমাৰ মাজত জীয়াই থাকিব। আবেগৰে কাম নহয়, বিবেকৰেহে হয়।

জুবিনৰ আটাইতকৈ ভাল কামটো হ'ল, খুব অধ্যয়নপুষ্ট মন। মাথোঁ ৫২-বছৰ বয়সতে দহ হাজাৰ (১০, ০০০) কিতাপ পঢ়িলে, মুখৰ কথা নহয় কিন্তু। পৃথিৱীৰ বিভিন্ন ভাষাৰ গ্ৰন্থ তেওঁ অধ্যয়ন কৰিছে। সেয়ে চাগে ইমান গুণী, জ্ঞানী -বিদ্যান। পঢ়াশালীৰ পাঠ্যপুথি বেছি নপঢ়িছিল বুলি তেওঁৰ ভাষ্যৰ পৰা গম পাইছিলো। স্কুলীয়া দিনৰ পৰাই বাহিৰা কিতাপ খুব পঢ়িছিল। সেই কাৰণে চাগে ভাষাৰ জ্ঞানো বেছি। সেয়ে তেওঁ আনতকৈ ব্যতিক্ৰম। অহৰ্নিশে মগজ সক্ৰিয় হৈ থকাৰ কাৰণো চাগে সেয়ে কাৰণ অনুভৱবোৰে জুমুৰি দি ধৰে চাগৈ। শব্দৰ ভৰাল তেওঁ। সৃষ্টিশীলতা খুব বেছি। সৃষ্টিশীল মানুহবোৰ এনেয়ো আনতকৈ অকণমান পৃথক হয়; খামখেয়ালী মনৰো হয়।

মাত্ৰ ৫২-বছৰ বয়সতে বিদেশৰ মাটিত অনুষ্ঠান কৰিবলৈ গৈ এক অনাহূত পৰিস্থিতিত মৃত্যুক সাবটি লব লগা হয়। এই মৃত্যু অসমবাসীয়ে মানি লব পৰা নাই, শোকত ভাগি পৰিছে। ন্যায় বিচাৰি ডিজিটেল সক্ৰিয়তা একৰকম অঘোষিত বিপ্লৱ হৈ পৰিল। বিচাৰ ন্যায়ালয়ৰ অধীনত চলি আছে। আমি আশাবাদী যথা সময়ত নিশ্চয় ণ্যায় পাব আৰু দোষীয়ে শাস্তি পাব। জুবিনৰ এই মৃত্যু অপৰাজেয়। জুবিনৰ সমাধিক্ষেত্ৰ চৰকাৰে সংৰক্ষণ কৰি জুবিন ক্ষেত্ৰ নামাকৰনেৰে এক বৃহৎ প্ৰকল্পৰ আঁচনি লৈ লগে লগে কাম আৰম্ভ কৰিছেই। তাত সেউজীয়া প্ৰকৃতি সুৰক্ষিত কৰি ৰাখিও, মিউজিয়াম বা জুবিন গাৰ্গৰ সমস্ত সৃষ্টিৰাজি সুৰক্ষিতভাৱে সংৰক্ষণ কৰি ৰখাৰ ব্যৱস্থা কৰিছে যাতে দৰ্শনাৰ্থীয়ে চাব পাৰে। লগতে গৱেষণাৰ সমলো পাব। পৰ্যতনস্থলী সদৃশ হ'বগৈ এটা সময়ত।

জুবিনৰ মহাপ্ৰয়ানৰ পিছৰে পৰা বৰ্তমানলৈ দিন-ৰাতি একাকাৰ কৰি সমগ্ৰ অসমৰ ৰাইজ আহি ধূপ-দ্বীপ জ্বলাই, গামোচা, ফুল, মালা ইত্যাদি বিভিন্ন দান-দক্ষিণাৰে নাম-কীৰ্তন কৰি বৈকুণ্ঠপুৰীলৈ পৰিবৰ্তন কৰিছে। তেওঁৰ ফটো থাপনা পাতি ভগৱান মানি সমাধি ক্ষেত্ৰৰ ব্যৱস্থাপনাই সলনি কৰি স্বতঃস্ফূৰ্তভাৱে সকলো ধৰ্মৰ ৰাইজে উপাসনাস্থলীৰ স্বীকৃতি দিয়ে। মুঠতে আমি এজন নিষ্ঠাবান অভিভাৱক অকালতে হেৰুৱালো। এই দুখে অসমীয়াক সদাই কষ্ট দিব তথাপি ভগৱানৰ ওচৰত প্ৰাৰ্থনা তেওঁক শান্তিত ৰাখা।

# হুৰা-হুৰে বন্ধ হ'ব খোজা চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহ জন-প্ৰতিনিধিসকলে ৰক্ষা কৰক

### ব্ৰজেন দাস

সম্প্ৰতি প্ৰায় ১০,০০০ হাজাৰ অসমৰ চৰকাৰী বিদ্যালয় (উচ্চ মাধ্যমিক বিদ্যালয়কে ধৰি) বন্ধ হৈ পৰিছে আৰু বহু বিদ্যালয় চিৰদিনলৈ বন্ধ হোৱাৰ পথত আগবাঢ়িছে। অসমৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহৰ পয়ালগা অৱস্থাটোৰ প্ৰতি জনপ্ৰতিনিধিসকল কিমান সচেতন তাক লৈও বৌদ্ধিক সমাজত প্ৰশ্ন উঠিছে। বিভিন্ন সমস্যাই চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহক গ্ৰাস কৰি পেলোৱাৰ সমান্তৰালকৈ শিক্ষকৰ সমস্যাইও এইক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰা দেখা পোৱা গৈছে। অসমৰ চৰকাৰীএই প্ৰাথমিক বিদ্যালয়সমূহৰ সমস্যাসমূহ সমাধানৰ কাৰণে অসমৰ জনপ্ৰতিনিধিসকলে গুৰুত্ব দিয়া দেখা পোৱা নাযায়। সেয়েহে ২০২৬ বৰ্ষৰ অষ্টম দৰমহা আয়োগে সেই সমস্যা সমূহ সমাধানকল্পে ব্যৱস্থা ল'ব পৰাকৈ জনপ্ৰতিনিধিসকলৰ জ্ঞাতাৰ্থে চৰকাৰী বিদ্যালয়ৰ এজন শিক্ষক হিচাপে বিষযবস্তুসমূহ উত্থাপন কৰিব খোজিছোঁ যাতে আগন্তুক অধিৰেশনত জন-প্ৰতিনিধিসকলে চৰকাৰী বিদ্যালযসমূহৰ. সংস্কাৰৰ দিশত বিষয়সমূহ আলোচনালৈ আনিবলৈ সুবিধা হয়।

ক) পুৰণিকলীয়া ৩০:১অনুপাতৰ ভিত্তিত শিক্ষক নিয়োগৰ যি ব্যৱস্থা তাক বিলুপ্তি ঘটাব



লাগে। ইয়াৰ পৰিৱৰ্তে শ্ৰেণী অনুপাতে বিদ্যালয়ত একোজন শিক্ষক নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। ছাত্ৰ-শিক্ষকৰ নিযুক্তিৰ অনুপাত ১০:১ লৈ পৰিৱৰ্তন কৰিব লাগে। প্ৰাথমিক বিদ্যালয়ত ছটা শ্ৰেণী থাকে ( ক, ১ম, ২য়, ৩য়, ৪ৰ্থ, ৫ম)। ছটা শ্ৰেণীত ছজন শিক্ষক নিযুক্তি দিয়াৰ পিছত যদি বিদ্যালয়খনত প্ৰতিটো শ্ৰেণীত দহ জনৰ ওপৰত ছাত্ৰ-ছাত্ৰী থাকে, তেন্তে সেইখন বিদ্যালয়ত পুনৰ আৰু এজন শিক্ষক নিয়োগ কৰিব লাগে। অৰ্থাৎ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১০ : ১শ্ৰেণী অনুপাতে যিমানে বাঢ়ি যাব সিমানে শিক্ষকৰ নিযুক্তিৰ সংখ্যাও বঢ়াই নিব লাগে, যিটো অসমৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ত কাহানিও প্ৰয়োগ হোৱা পৰিলক্ষিত হোৱা নাই। সকলোৱে এখন বিদ্যালয়ত ৩০ জন ছাত্ৰ-ছাত্ৰী থাকিলেহে এজন শিক্ষক নিযুক্তি দিয়াৰ নিয়ম বুলি ভুল ভাবি আহিছে। সেয়েহে বিধানসভাত জন-প্ৰতিনিধিসকলে এই সম্পৰ্কত এখন বিধেয়ক উত্থাপন কৰি সিদ্ধান্ত গ্ৰহণ কৰিব লাগে আৰু অসমৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহক পয়ালগা অৱস্থাটোৰ পৰা মুক্ত কৰিব লাগে। তদুপৰি নতুনকৈ নিযুক্তি দিব লগা শিক্ষকসকলক বিদ্যালয়ত শিক্ষক ছাত্ৰৰ অনুপাতৰ লগতে শ্ৰেণী অনুপাতে শিক্ষক আছেনে নে নাই তাক নিৰীক্ষণ কৰিহে নিয়োগ পত্ৰ প্ৰদান কৰিব লাগে। একেদৰে উচ্চ প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ বেলিকাও এই নিয়ম প্ৰয়োগ হোৱাটো বাঞ্চনীয়।

খ) চৰকাৰী বিদ্যালয়বোৰৰ আন্তঃগাঠনিৰ অনুদান বৃদ্ধি কৰি ব্যক্তিগত বিদ্যালয়ৰ দৰে শ্ৰেণী অনুপাতে কোঠাৰ ব্যৱস্থা কৰিব লাগে।এই ক্ষেত্ৰত প্ৰাথমিক বিদ্যালয়ৰ একেবাৰে দুখলগা এখন ছবি পৰিলক্ষিত হয়।

গ) প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পদ স্থায়ীকৰণ কৰণত চৰকাৰে লোৱা পদক্ষেপ আদৰণীয় আছিল। কিন্তু শিক্ষকে শিক্ষকৰ শত্ৰু বুলি দোহাই দি বিষয়টোৰ পৰা ফালৰি কটাৰ কাৰণটোহে অবুজ সাঁথৰ হৈ পৰিছে। এইক্ষেত্ৰত ক'ত কি অসুবিধা আছে তাক নিৰাময় কৰাৰ ব্যৱস্থা কৰি শীঘ্ৰে প্ৰধান শিক্ষকৰ পদটো স্থায়ীকৰণ কৰিব লাগে।

ঘ) শিক্ষাগত অৰ্হতা অনুসৰি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক মান্যতা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

ঙ) উপযুক্ত অৰ্হতা সম্পন্ন শিক্ষক আৰু গৱেষকৰ যোগেদিহে প্ৰাথমিক বিদ্যালয়ৰ কাৰিকোলাম আৰু পাঠ্যপুথি প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰিব লাগে।

চ) শিক্ষকৰ মূৰৰ ওপৰত বিভিন্ন বাহিৰা কামৰ বোজা জাপি দিয়াৰ পৰিৱৰ্তে শিক্ষকক নিজৰ দায়িত্ব পালন কৰিবলৈ স্বতন্ত্ৰতা দিয়াৰ ব্যৱস্থা কৰা প্ৰয়োজন।

ছ) বহু শিক্ষকে শিক্ষকতাৰ সেৱা আগবঢ়াই অহাৰ পিচটো কেইবামাহ ধৰি দৰমহাৰ বকেয়া পাবলৈ বাকী আছে। সেইসকলক সেই বকেয়া দিয়াৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ টিউটৰ সকলক শিক্ষকৰ মৰ্যদা দিব লাগে।

জ) সপ্তম দৰমহা আয়োগৰ মতে গ্ৰেজুৱেট শিক্ষক সকলৰ বহুতে ৮৭০০ টকাৰ গ্ৰেড পে লৈ ঘূৰাই দিব লগা বিষয়টোৱে স্নাতক ডিগ্ৰীধাৰী শিক্ষকসকলক দোকোজাত পেলাইছে। ২০২৬ বৰ্ষৰ অষ্টম দৰমহা আয়োগে ইয়াৰ এটা স্থায়ী সমাধান দিয়াৰ ব্যৱস্থা কৰিব লাগে।

ঞ)শিক্ষকৰ টাইম স্কেলৰ বকেয়াসমূহ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মোৰ আশা অসমৰ জনপ্ৰতিনিধিসকলে উল্লিখিত বিষয়বোৰৰ ওপৰত গুৰুত্ব দিব আৰু অষ্টম দৰমহা আয়োগে অসমৰ প্ৰথমিক শিক্ষাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন অনাৰ পোষকতা কৰিব।

# জুবিন গাৰ্গ: তেওঁ নাই, কিন্তু তেওঁৰ সৃষ্টি চিৰঞ্জীৱ



### চন্দন কুমাৰ নাথ

আজি ১৮ নৱেম্বৰ, অসমৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ জন্মদিন। তেওঁ আজি শাৰীৰিকভাৱে আমাৰ মাজত নাই, কিন্তু তেওঁৰ সৃষ্টি, তেওঁৰ দৰ্শন, আৰু তেওঁৰ কণ্ঠস্বৰ চিৰদিনৰ বাবে অসমীয়া সংস্কৃতিৰ এক অমূল্য সম্পদ হৈ ৰ'ল। মৃত্যুৱে এজন মানুহকহে লৈ যাব পাৰে, কিন্তু এজন মহান শিল্পীৰ কলাক কেতিয়াও ম্লান কৰিব নোৱাৰে। জুবিন গাৰ্গৰ ক্ষেত্ৰতো এই কথা ধ্ৰুৱপ। এক আবেগৰ নাম 'জুবিন', জুবিন গাৰ্গ আছিল অসমীয়া সংগীত আৰু সংস্কৃতিৰ এক বিৰল প্ৰতিভা। ১৮ নৱেম্বৰ, ১৯৭২ চনত মেঘালয়ৰ তুৰাত জন্মগ্ৰহণ কৰা গায়ক, সুৰকাৰ, গীতিকাৰ, অভিনেতা আৰু পৰিচালক গৰাকীয়ে অসমৰ লগতে ভাৰতৰ সংগীত জগতত এক গভীৰ চাপ পেলাই গ'ল। ১৯৯২ চনত তেওঁৰ প্ৰথম অসমীয়া এলবাম 'অনামীকা' মুক্তিৰ পাছৰে পৰা তেওঁ অসমীয়া যুৱ প্ৰজন্মৰ 'হাৰ্টথ্ৰব' হৈ পৰে। তেওঁৰ সংগীত আছিল অসমীয়া লোকসংগীতৰ সুৱাস আৰু আধুনিক ৰক, পপৰ এক সুন্দৰ সংমিশ্ৰণ। তেওঁৰ কণ্ঠই অঞ্চলটোৰ প্ৰতিটো ভাষা, যেনে — বঙালী, হিন্দী, বড়ো, কাৰ্বি আদিত গীত গাই একতাৰ বাৰ্তা বহন কৰিছিল। হিন্দী ছবি 'গেংষ্টাৰ'ৰ 'ইয়া আলী' গীতটোৱে তেওঁক ৰাষ্ট্ৰীয় পৰ্যায়ত এজন জনপ্ৰিয় শিল্পীৰূপে প্ৰতিষ্ঠা কৰিছিল।

জুবিন গাৰ্গ কেৱল এজন শিল্পীয়েই নাছিল, তেওঁ আছিল এক আবেগ, এক দৰ্শন যাক বহুতে 'জুবিনিজম' বুলি অভিহিত কৰে। তেওঁৰ গীতত আছিল প্ৰেম, বিৰহৰ অনুভৱৰ লগতে সমাজৰ প্ৰতি দায়বদ্ধতাৰ স্পষ্ট প্ৰতিফলন। বানাক্ৰান্ত লোকক সহায় কৰা, দৰিদ্ৰ লোকৰ চিকিৎসাৰ বাবে পুঁজি সংগ্ৰহ কৰা আদি তেওঁৰ মানৱীয়তাৰ উজ্জ্বল দৃষ্টান্ত। জুবিন গাৰ্গৰ সৰ্বমুঠ ৩৮ হাজাৰতকৈও অধিক গীত বিভিন্ন ভাষাত বাণীবদ্ধ হৈছে। তেওঁৰ সৃষ্টিৰাজিৰ মাজতেই তেওঁৰ আত্মা বিৰাজমান। তেওঁৰ গীতসমূহে নতুন প্ৰজন্মক অসমীয়া সংস্কৃতিৰ প্ৰতি আগ্ৰহী কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। জুবিন গাৰ্গে অসমীয়া সংগীতেৰে ৰক, ৰোমাঞ্চ, আৰু লোকগীতৰ এক নতুন বাট মুকলি কৰিলে। তেওঁৰ গীতত ব্যৱহৃত বিভিন্ন বাদ্যযন্ত্ৰ যেনে - কীবৰ্ড, গীটাৰ, তবলা, মেণ্ডলিন আদিৰ প্ৰয়োগে অসমীয়া সংগীতক এক আধুনিক মাত্ৰা দিছিল। তেওঁ কেৱল কণ্ঠশিল্পী নাছিল, তেওঁ চলচ্চিত্ৰ নিৰ্মাণ আৰু অভিনয়ৰ জৰিয়তেও অসমীয়া চিনেমাজগতত এক বিপ্লৱৰ সূচনা কৰিছিল। তেওঁৰ দ্বাৰা পৰিচালিত আৰু অভিনীত ছবিসমূহে অসমীয়া চলচ্চিত্ৰ উদ্যোগক পুনৰুজ্জীৱিত কৰাত সহায় কৰিছিল। তেওঁৰ শেষ ছবি 'ৰৈ ৰৈ বিনালে' বক্স অফিচত অভিলেখ সৃষ্টি কৰিছে। তেওঁৰ গীত আৰু স্পষ্টবাদী ব্যক্তিত্ব আছিল অন্যায় আৰু ভণ্ডামিৰ বিৰুদ্ধে এক তীক্ষ্ণ মাত। তেওঁৰ সাহস আৰু সৰলতাই তেওঁক জনগণৰ মাজত 'আইকন' কৰি তুলিছিল। তেওঁ কেতিয়াও কোনো ভাবুকি বা ৰাজনৈতিক চাপৰ ওচৰত মূৰ দোৱোৱা নাছিল।

জুবিন গাৰ্গৰ জন্মদিনটোৱে এতিয়া আৰু এটা সাধাৰণ জন্মদিন হৈ থকা নাই। তেওঁৰ জন্মদিন ১৮ নবেম্বৰ এইটোৱে আমাক সোঁৱৰাই দিব যে তেওঁ এজন শিল্পীয়েই নাছিল, তেওঁ আছিল সমগ্ৰ অসমীয়া জাতিৰ আত্মাৰ প্ৰতীক। আজি তেওঁ আমাৰ মাজত নাই, কিন্তু তেওঁৰ কণ্ঠস্বৰ চিৰদিনৰ বাবে অমৰ হৈ ৰ'ব। তেওঁৰ গীতেৰে, তেওঁৰ সৃষ্টিৰে, তেওঁ চিৰকাল অসমীয়াৰ বুকুত জীয়াই থাকিব। তেওঁৰ দৰেই তেওঁৰ সৃষ্টিও চিৰঞ্জীৱ।

## সম্পাদকলৈ চিঠি

# সময়ৰ মূল্য

### প্ৰাণজিৎ মজুমদাৰ

সময় হৈছে জীৱনৰ আটাইতকৈ মূল্যৱান সম্পদ। ধন, পদ, প্ৰতিষ্ঠা লাভ কৰিব পাৰি, কিন্তু এবাৰ পাৰ হৈ যোৱা সময়ক কোনোদিনেই ওভতাই আনা সম্ভৱ নহয়। জীৱন সফল বনাবলৈ সময়ক সঠিক ৰূপে ব্যৱহাৰ কৰা মানুহে জীৱনত আগবাঢ়ে, আৰু সময় নষ্ট কৰা মানুহে পাছত হে সময়ৰ মূল্য উপলব্ধ কৰে।

সময় হৈছে নদীৰ পানীৰ দৰে — এবাৰ যোৱাৰ পিছত পুনৰ উভতি নাহে। সেয়েহে মানুহে নিজৰ প্ৰতিটো মুহূৰ্ত সঠিক কামত ব্যয় কৰা শিকিব লাগে। শিক্ষাৰ্থীয়ে অধ্যয়ন সময়ত অধ্যয়ন কৰিব লাগে, কৰ্মজীৱীয়ে নিজৰ কামত মনোযোগ দিব লাগে। সময়ৰ মূল্য বুজি কাম কৰিলে জীৱন গঠন হয়।

মহান মানুহবোৰে কেতিয়াও সময় নষ্ট নকৰে — তেওঁলোকে প্ৰতিটো ক্ষণৰ সদ্ব্যৱহাৰ কৰে।

যি মানুহে সময়ৰ মূল্য বুজি নাপায়, তেওঁ নিজৰ লক্ষ্যপূৰ্ণ জীৱনৰ পৰা ধীৰে ধীৰে আঁতৰি যায়। এলেহুৱা, আৱহেলা আৰু সময়ৰ অপব্যৱহাৰে জীৱনক ধ্বংসৰ দিশে লৈ যায়। সময়ত কাম নকৰা মানে সুযোগ হেৰুৱা। সেয়ে আমি সদায় সময়ৰ সদ ব্যৱহাৰ কৰিব লাগে।

সময় হৈছে জীৱনৰ মূল ভিত্তি। সময়ৰ সঠিক ব্যৱহাৰেই জীৱনৰ সফলতাৰ গুপ্ত চাবিকাঠি। সেয়েহে আমি সকলোৱে উচিত—

"আজিকেই কাম আৰম্ভ কৰা, কাইলৈ নহয়।"

সময়ৰ সন্মান কৰা মানে জীৱনৰ সন্মান কৰা।

### মধ্য ৰাতিলৈকে সহস্ৰাধিক ভক্তই সমস্বৰে গালে বৈৰাগী নাম

# মাজুলীৰ ঐতিহ্যমণ্ডিত আদিএলেঙী সত্ৰত মাহজোৰা বৈৰাগী নামৰ সামৰণি



**অসম বাৰ্তা, উজনী মাজুলী, ১৮ নৱেম্বৰ ঃ** ঐতিহ্যমণ্ডিত মাজুলী জিলাৰ নামনি মাজুলীৰ আদিএলেঙী সত্ৰত যোৱা ৰাতি মাহজোৰা বৈৰাগী নামৰ আনুষ্ঠানিকভাৱে সামৰণী পৰে। ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি আদিএলেঙী সত্ৰত সত্ৰ পৰিচালনা সমিতিৰ উদ্যোগত সমগ্ৰ কাতি মাহজুৰি চলি থকা বৈৰাগী নাম যোৱা ৰাতি সামৰণী পৰে। সত্ৰখনৰ বৈষ্ণৱসকলে মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কেইবা শতাধিক বৈষ্ণৱৰ সহযোগত সমস্বৰে পৰিৱেশন কৰা বৈৰাগী নাম আৰু কৰুণাময় ঘোষাৰে মাহজোৰা আধ্যাত্মিক অনুষ্ঠানৰ সামৰণী মৰা হয়। উক্ত, বৈৰাগী নাম সামৰণী উপলক্ষে কালি ঐতিহ্যমণ্ডিত আদিএলেঙী সত্ৰত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। পুৱা ঊষা কীৰ্তনৰে শুভাৰম্ভ হোৱা উক্ত নাম সামৰণী অনুষ্ঠান উপলক্ষে গাঁৱৰ যুৱ বৈষ্ণৱসকলে পৰিৱেশ পৰিষ্কাৰ কৰে। তাৰপিছত, বৰগীত প্ৰসঙ্গ, খোল প্ৰসঙ্গ আৰু আই সকলৰ নাম পৰিৱেশন কৰা হয়। তাৰপিছত সত্ৰৰ নামলগোৱা কৃষ্ণৰাম হাজৰিকাৰ নেতৃত্বত মধ্যাহ্ন প্ৰসঙ্গ পৰিৱেশন কৰা হয়। উক্ত মধ্যাহ্ন প্ৰসঙ্গৰ পাছত সত্ৰৰ নামঘৰত "গৰখীয়া সবাহ" আৰম্ভ হয়। উক্ত গৰখীয়া সবাহত সত্ৰবাসীৰ গো- বৎসসকলৰ মঙ্গলৰ বাবে ভগৱানৰ ওচৰত নাম কীৰ্তন কৰা হয়। সন্ধিয়া সাত বজাৰ পৰা আদিএলেঙী সত্ৰৰ নামঘৰত মাহজোৰা বৈৰাগী নাম সামৰণী অনুষ্ঠান আৰম্ভ হয়। শ্ৰীশ্ৰী মাজুলী বৰ এলেঙী সত্ৰৰ সত্ৰাধিকাৰ চন্দন গোস্বামীয়ে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শুভাৰম্ভ কৰা উক্ত নাম সামৰণী অনুষ্ঠানত মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অগণন বৈষ্ণৱে অংশগ্ৰহণ কৰে। সমবেত বৈষ্ণৱসকলে মধ্য ৰাতিলৈকে, সমস্বৰে বৈৰাগী নাম পৰিৱেশন কৰি সমগ্ৰ অঞ্চলটো মুখৰিত কৰি তোলে। বৈৰাগী নামৰ শেষত সত্ৰৰ বৰ নামলগোৱা কৃষ্ণৰাম হাজৰিকাৰ নেতৃত্বত সত্ৰখনৰ আপুৰুগীয়া "কৰুণাময় ঘোষা" আৰু কীৰ্তন পাঠ কৰা হয়। তাৰপিছত সত্ৰৰ বৰগায়ন বাপধন গায়নে ভাগৱত পাঠ, আৰু গুণমালা পাঠ কৰে। শেষত পুৰোহিতৰ মন্ত্ৰোচাৰণ আৰু ৰাইজৰ সেৱাৰে মাহজোৰা বৈৰাগী নামভাগি সামৰণী মৰা হয়। উক্ত, বৈৰাগী নাম সামৰণী অনুষ্ঠানত অগণন ৰাইজে ধূপ-দীপ জ্বলাই শ্যামৰায় মহাপ্ৰভুৰ আৰ্শীবাদ ভিক্ষা কৰে। উক্ত, বৈৰাগী নামভাগিত অংশগ্ৰহণ কৰা সকলো ভক্তপ্ৰাণ ৰাইজক আদিএলেঙী সত্ৰ পৰিচালনা সমিতিৰ সভাপতি শিশুৰাম বৰা আৰু সম্পাদক অজিত মুক্তিয়াৰে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখযোগ্য যে মাজুলীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আদিএলেঙী সত্ৰত যোৱা চাৰিশ বছৰ ধৰি সত্ৰখনত প্ৰতিবছৰৰ কাতি মাহত উক্ত বৈৰাগী নাম পৰিৱেশন কৰি আহিছে। সত্ৰবাসীৰ মংগলৰ বাবে উক্ত বৈৰাগী নাম পৰিৱেশন কৰা হয়। কাতি মাহত বৈৰাগী নাম পৰিৱেশন কৰিলে সত্ৰবাসীৰ মাৰি-মৰক, অপায় অমংগল দূৰ হয় বুলি সত্ৰবাসীয়ে বিশ্বাস কৰে। সেয়ে আদিএলেঙী সত্ৰত প্ৰতিবছৰে কাতি মাহত উক্ত বৈৰাগী নাম পৰিৱেশন কৰা হয়।

# বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী গোটৰ উদ্যোগত গাৰ্গৰ জন্ম দিৱস উদ্‌যাপন

## জুবিন গাৰ্গ সম্পৰ্কীয় দুখন গ্ৰন্থ উন্মোচন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৮ নৱেম্বৰ ঃ** বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজ তথা বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপনৰ অন্যতম কাৰ্যসূচী হিচাপে সংগীত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত আজি বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সভাকক্ষত জুবিন গাৰ্গৰ ৫৪ সংখ্যক জন্ম দিৱস উদ্‌যাপন কৰা হয়। প্ৰথমতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনায় ক্ৰমে অনুষ্ঠানৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি ডঃ মদন শৰ্মা, কাৰ্যকৰী সভাপতি ড° জ্যোতিপ্ৰসাদ চলিহা আৰু অতিথি শৰৎ চন্দ্ৰ নেওগ, ড°




সুনীল বৰগোহাঁই, গোপাল চন্দ্ৰ দাস, ভাৰতী বৰা, আদিয়ে। একে উপলক্ষে দিগন্ত গগৈৰ সম্পাদনা আৰু অংগসজ্জাৰে সুশোভিত প্ৰাচীৰ পত্ৰিকা এখন উন্মোচন কৰে পৰ্টেইট শিল্পী লোকেন্দ্ৰ সন্দিকৈয়ে। সংগীত মহাবিদ্যালয়খনৰ প্ৰথম বৰ্ষৰ ছাত্ৰ (প্ৰাক্তন) দিগন্ত গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড়ৰ শৰৎ চন্দ্ৰ নেওগে জুবিন গাৰ্গৰ জীৱন পৰিক্ৰমাৰ কিছু দিশ দাঙি ধৰে। অন্য এগৰাকী বক্তা লিপিকা শইকীয়া বৰুৱাই জুবিন গাৰ্গৰ গীতৰ বিশ্লেষণ দাঙি ধৰে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ হৈ অন্যতম আহ্বায়ক পাৰ্থ প্ৰতিম শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত সমবেত সংগীত পৰিবেশন কৰে বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ শিল্পী বৃন্দই। জুবিন গাৰ্গৰ জীৱনাদৰ্শ সম্পৰ্কে যুগোতোৱা আৰু প্ৰবীণ সাংবাদিক তথা লেখক অমূল্য খাটনিয়াৰৰ সম্পাদনাত প্ৰকাশ কৰা 'জুবিন ধৰ্ম-বৰ্ণহীন নিৰ্ভীক শিল্পীজন' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে অনুষ্ঠানটোৰ সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য (ভাৰপ্ৰাপ্ত) ড° মদন শৰ্মাই। মাকুমৰ ড° সুনীল বৰগোহাঁই আৰু ভাৰতী বৰাৰ সম্পাদনাত প্ৰকাশ পোৱা জুবিন সম্পৰ্কীয় অন্য এখন গ্ৰন্থ 'প্ৰাণময় গীতিময় জুবিন' উন্মোচন কৰে তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ডঃ অপূৰ্ব ভাস্কৰ গগৈয়ে। সভাত গোপাল চন্দ্ৰ দাস, ভাৰতী বৰা, জুবিন গাৰ্গৰ সম্পৰ্কীয় ভগ্নী পল্লৱী শৰ্মা আদিয়ে দুআষাৰ বক্তব্য দাঙি ধৰে। এই সভাতে যোৱা ৫ নৱেম্বৰত ড° ভূপেন হাজৰিকাৰ ১৪ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে অনুষ্ঠিত ভূপেন্দ্ৰ সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ বঁটাসমূহো প্ৰদান কৰা হয়। জুবিন গাৰ্গৰ গীত, কবিতা, গীতৰ আলোচনা আৰু গণশিল্পীজনাৰ বিষয়ে কথা-বতৰাৰে দিৱসটো পালন কৰা হয়। উক্ত অনুষ্ঠানত বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, অনুষ্ঠানৰ সদস্যবৰ্গ, প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকল, অভিভাৱকসকল তথা শুভানুধ্যায়ী ৰাইজৰ উপস্থিতিৰে অনুষ্ঠানটো সাফল্যমণ্ডিতকৰণত সহযোগ কৰাবাবে অনুষ্ঠানৰ অন্যতম আহ্বায়ক উত্তৰণ বৰগোহাঁয়ে শলাগৰ শৰাই আগবঢ়াই সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

## গীত মুকলিৰে প্ৰাণৰ শিল্পীগৰাকীলৈ জন্মদিনৰ ওলগ

# অবিনশ্বৰ গোষ্ঠীৰ উদ্যোগত পুৰণিগুদামত জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিন পালন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ নৱেম্বৰ ঃ** অসমীয়াৰ প্ৰাণৰ কণ্ঠশিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিনৰ শ্ৰদ্ধা জনাই আজি পুৰণিগুদামত মুকলি কৰা হ'ল ৰঞ্জন কুমাৰ বৰাৰ নৱতম সৃষ্টি এটি গীত। নগাঁৱৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান অবিনশ্বৰ গোষ্ঠীৰ সৌজন্যত আজি অবিনশ্বৰ গোষ্ঠীৰ কাৰ্যালয় প্ৰাংগণত সন্ধিয়া ৫ বজাৰ পৰা উদ্‌যাপিত হ'ল জনকণ্ঠ জুবিন গাৰ্গৰ ৫৩ তম শুভ জন্মদিন। জনপ্ৰিয় শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা অনুষ্ঠানটিত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান ৰূপায়ণ কৰা হয়। সাংবাদিক সীমান্ত কলিতাই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে অবিনশ্বৰ গোষ্ঠীৰ সভাপতি প্ৰণৱ বৰঠাকুৰে আৰু




পুষ্পাঞ্জলি অৰ্পণ কৰে ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমীৰ সম্পাদক প্ৰিয়াংকু শইকীয়াই। ইয়াৰ পাছতে অবিনশ্বৰ গোষ্ঠীৰ সদস্যসকলৰ লগতে উপস্থিত গুণমুগ্ধসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰৱৰ্তী সময়ত ৰঞ্জন কুমাৰ বৰাৰ কথা, সুৰ আৰু কণ্ঠৰে সমৃদ্ধ "জয় জুবিন দা" শীৰ্ষক এটি গীত জুবিন গাৰ্গৰ ওপজা দিনৰ শ্ৰদ্ধা জনাই মুকলি কৰা হয়। গীতৰ শুভ উদ্বোধনী অনুষ্ঠানত অবিনশ্বৰ গোষ্ঠীৰ সভাপতি তথা পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰণৱ বৰঠাকুৰ, সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল কলিতা, সাংবাদিক নীলৰঞ্জন শৰ্মা আৰু পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত শইকীয়া উপস্থিতিত সাংস্কৃতিক কৰ্মী তথা কৃতি শিক্ষক কুলপ্ৰদীপ দাসে গীতটি শুভ উন্মোচন কৰে। আজিৰ অনুষ্ঠানটিত কুমাৰিকা বৰা, ৰঞ্জন কুমাৰ বৰা, দিচাং দিবং বৰা, বিশ্বজ্যোতি বৰদলৈ, প্ৰণামী কলিতা প্ৰমুখ্যে স্থানীয় শিল্পী আৰু ৰাইজৰ দ্বাৰা প্ৰিয় শিল্পীগৰাকীৰ কালজয়ী গীতসমূহ পৰিৱেশন কৰা হয়। ইফালে, নগাঁও জিলাৰ পুৰণিগুদামৰ সমীপৱৰ্তী ৰামটিলাআটি মায়াবিনী মহিলা সংঘৰ ব্যৱস্থাপনাত অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ জন্মদিন উদযাপন কৰা হয়। ৰামটিলাআটি প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা জন্মদিনৰ কাৰ্যসূচীত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। ইয়াৰ উপৰিও জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বন্তি প্ৰজ্বলন কাৰ্যসূচীত অৱসৰপ্ৰাপ্ত শিক্ষক পুষ্পকান্ত বৰুৱা আৰু শৰৎ শইকীয়াই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত হিন্দু, মুছলমান, খৃষ্টান ধৰ্মালম্বী লোকে অংশগ্ৰহণ কৰে। ৰামটিলাআটি গাঁৱৰ সমূহ ৰাইজৰ সহযোগত ৰূপায়ণ হোৱা কাৰ্যসূচীত পতাকা উত্তোলন, বৃক্ষৰোপণ কাৰ্যসূচীৰ লগতে নিশা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

# জাঁজীৰ পিতৃ ভিঠা তামোলীছিগাত জুবিনবিহীন প্ৰথম জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, জাঁজী, ১৮ নৱেম্বৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন শিল্পী গৰাকীৰ অনুপস্থিতিত প্ৰথমবাৰৰ বাবে জাঁজীৰ পিতৃ ভিঠা ককাক কুমুদ বৰঠাকুৰৰ বাস গৃহৰ সমুখৰ তামোলীছিগা ঘনকান্ত বৰা মহাবিদ্যালয়ৰ শিক্ষক গোট, ৰাষ্ট্ৰীয় সেৱা আচনি গোটৰ অধিনত আজি অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ ৰাষ্ট্ৰীয় সেৱা আচনি গোটে আঁত ধৰা অনুষ্ঠানত অধ্যক্ষ দেৱজিত বৰাৰ উপস্থিতিত জুবিন গাৰ্গৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক প্ৰকাশ বৰঠাকুৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। আদ্য দেওপানী গজলা সত্ৰৰ সত্ৰীয়া, জ্যেষ্ঠ সাংবাদিক দেৱকুমাৰ মহন্তই এটি বকফুলৰ পুলী ৰোপণ কৰি জুবীন গাৰ্গৰ প্ৰকৃতি সুৰক্ষা আৰু প্ৰকৃতি প্ৰেমৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰি মহাবিদ্যালয় পৰিয়ালেও কেইবাটাও নাহৰ পুলি ৰোপণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱজিৎ বৰাই জুবিন গাৰ্গৰ জীৱনাদৰ্শ সোঁৱৰণ কৰি শ্ৰদ্ধা জনাই তেখেতৰ কৰ্মৰ আদৰ্শৰে উদ্বুদ্ধ হবলৈ সকলোকে আহবান জনায়। জুবিন গাৰ্গৰ ককাৰ বাসগৃহটো পেহীয়েক দেবজানী বৰঠাকুৰ শৰ্মাই শিল্পী গৰাকীৰ জন্মদিন উদ্‌যাপন কৰে।

# 'অঙ্কুৰণ কাব্য চৰ্চা কেন্দ্ৰ'ৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, নাহৰকটীয়া, ১৮ নৱেম্বৰ ঃ** 'অঙ্কুৰণ কাব্য চৰ্চা কেন্দ্ৰ' নাহৰকটীয়াৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন খনি যোৱা ১৬ নবেম্বৰত নাহৰকটীয়া টাউন প্ৰাথমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। অধিৱেশনৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে 'অঙ্কুৰণ কাব্য চৰ্চা কেন্দ্ৰ'ৰ সভাপতি মেঘালী দত্ত শইকীয়াই। পথাৰ কবি ৰাম গগৈৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু স্মৃতি তৰ্পন কৰে শাখাৰ সম্পাদক ৰুমী শিখা খাউণ্ডে লগতে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে 'অঙ্কুৰণ কাব্য চৰ্চা কেন্দ্ৰ'ৰ প্ৰতিষ্ঠাপক সদস্য লৱণু শইকীয়াই। ডিব্ৰুগড় জিলা কবি সন্মিলনৰ সম্পাদক প্ৰশান্ত কুমাৰ দত্ত পৰ্য্যবেশক আৰু সহকাৰী সম্পাদক স্বপ্না দেৱী নাথ নিৰ্বাচনী বিষয়া হিচাবে উপস্থিত থকা বিষয়বাছনি সভাত প্ৰশান্ত কুমাৰ গগৈক সভাপতি আৰু ধৰিত্ৰী লাহনক সম্পাদক হিচাবে লৈ ২০২৫-২৭ বৰ্ষৰ বাবে এখন পোন্ধৰজনীয়া সমিতি গঠন কৰা হয়। অংকুৰণ কাব্য চৰ্চা কেন্দ্ৰ, (নাহৰকটীয়া)ৰ সম্পাদক ৰুমী শিখা খাউণ্ডে আঁত ধৰা মুকলি সভাত সভাপতিত্ব কৰে মেঘালী দত্ত শইকীয়াই। অনুষ্ঠানটিত মুনমী ফুকনৰ দ্বাৰা সম্পাদিত শাখাৰ মুখপত্ৰ "জ্যোতিমঞ্জুৰী"ৰ শুভ উন্মোচন কৰে নাহৰকটীয়া সমষ্টিৰ প্ৰাক্তন বিধায়ক কুসুম্বৰ টাইৰাই গগৈয়ে। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন চন্দ্ৰ গগৈয়ে উক্ত অনুষ্ঠানতে পূৰ্ণিমা চলিহাৰ কাব্যগ্ৰন্থ "কবিতাৰ সুবাস" গ্ৰন্থখনি উন্মোচন কৰে। ভোজপুৰী সাহিত্যৰ অনুবাদক বিশিষ্ট লিখক বিষ্ণুকমল ডেকাক 'অঙ্কুৰণ কাব্য চৰ্চা কেন্দ্ৰ'ৰ পৰিয়ালবৰ্গই তৰফৰ পৰা সম্বৰ্ধনা জনোৱা মুকলি সভাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অজয় সিং, নাহৰকটীয়া অঞ্চলৰ বিশিষ্ট লেখিকা আমচাউ খ্যা চাখাপ, ডিব্ৰুগড় জিলা কবি সন্মিলনৰ প্ৰাক্তন উপ-সভাপতি ৰেজিয়া বেগম, ডিব্ৰুগড় জিলা কবি সন্মিলনৰ কোষাধ্যক্ষ গীতাৰাণী বৰা, জিলা কবি সন্মিলনৰ প্ৰচাৰ সম্পাদক সবিতা বৰুৱা দত্তকে ধৰি অঞ্চলটোৰ বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

### হাতীমূৰাত জুবিন গাৰ্গৰ পুৰ্ণবয়ব প্ৰতিমূৰ্তি উন্মোচন

# কলিয়াবৰত আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন জাতীয় স্বাভিমান দিৱস

**অসম বাৰ্তা, কলিয়াবৰ, ১৮ নৱেম্বৰ ঃ** জুবিন বিহীনভাৱে ৰাজ্যবাসীয়ে পালন কৰিলে প্ৰাণৰ শিল্পী গৰাকীৰ ওপজা দিন। কলিয়াবৰটো ইয়াৰ ব্যতিক্ৰম নহয়। কলিয়াবৰটো তিনিটা স্থানত ব্যাপক কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয় জুবিন গাৰ্গৰ জন্ম দিনটো। কুঁৱৰীটোলত জাতীয় স্বাভিমান দিৱসটি কলিয়াবৰ সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তৰ উদ্যোগত উদযাপন কৰা হয়। অনুষ্ঠানটোত বিধায়ক মহন্তই ৪ বিঘা নতুন চৰকাৰী ভূমি জুবিন গাৰ্গৰ নামত জুবিন গ্ৰীনছ নামেৰে উৎসৰ্গা কৰাৰ কথা ঘোষণা কৰে। উল্লেখ্য যে, কলিয়াবৰৰ ১২২টা জাতীয় অনুষ্ঠান -প্ৰতিষ্ঠানে অংশ লোৱা অনুষ্ঠানটোৰ আৰম্ভণিতে জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে ৫৩টা নাহৰ পুলি ৰোপণ কৰা হয়। ইয়াৰ পাছতে জাতীয় অনুষ্ঠান - প্ৰতিষ্ঠান সমূহে ৫৩গছি বন্তি প্ৰজ্জ্বলন কৰে। অনুষ্ঠানত পাঁচ শতাধিক গায়ন-বায়নে দেৱবাদ্য বজায় শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ লগে লগে কলিয়াবৰৰ ৩ হাজাৰ মহিলাই দিহানাম পৰিবেশনেৰে অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানৰ শেষত সহস্ৰাধিক শিল্পী তথা উপস্থিত থাকি কেইবাটাও ভাষাত মায়াবিনী গীত পৰিৱেশনেৰে অনুষ্ঠানটো সামৰণী ঘটাই। অনুষ্ঠানৰ স্থলীত একেলগে বহু চিত্ৰশিল্পীয়ে অংকন কৰে জুবিন গাৰ্গৰ চিত্ৰ। সুদীৰ্ঘ তিনিটা দশকৰ বৰ্ণময় সাংগীতিক যাত্ৰা সামৰি মৃত্যু জিনি অমৰ হোৱা নৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ৱ জুবিন গাৰ্গৰ স্মৃতিচিহ্ন স্থাপন কৰা হয় উদ্‌যাপন স্থলীতে। কোনোধৰণৰ ঘোষক অবিহনে প্ৰায় ১ ঘণ্টা ১৫ মিনিট ধৰি অবিৰতভাৱে পৰিৱেশনেৰে সামৰণী পৰে জাতীয় স্বাভিমান দিৱসৰ কাৰ্যসূচী। ইফালে ইয়াৰ হাতীমূৰাত ব্ৰহ্মপুত্ৰৰ পাৰত বিশিষ্ট সমাজ কৰ্মী কৃষ্ণ মহন্তৰ উদ্যোগত জুবিন গাৰ্গৰ পুৰ্ণবয়ৱ প্ৰতিমূৰ্তি উন্মোচনেৰে শিল্পী গৰাকীৰ ওপজা দিন উদযাপন কৰা হয়। মূৰ্তিটো উন্মোচন কৰে কেবিনেট মন্ত্ৰী কেশৱ মহন্তই। উক্ত স্থানতে জুবিন গাৰ্গৰ নামত এটি পথ উছৰ্গা কৰা হয়। আৰম্ভণিতে বন্তি প্ৰজ্জ্বলন কৰে কৃষ্ণ মহন্তই। অনুষ্ঠানত মায়াবিনী গীতটো পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে। ইফালে জখলাবন্ধাৰ মিলন সংঘৰ প্ৰাংগণতো শিল্পী গৰাকীৰ ওপজা দিন উদ্‌যাপন কৰা হয়।

# কচুৱাৰ হাতীখুটি খেলপথাৰত ফুটবল প্ৰতিযোগিতা শুভাৰম্ভ

**অসম বাৰ্তা, কচুৱা, ১৮ নৱেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱাৰ হাতীখুটি বিৰিংআটি খেল পথাৰ উন্নয়ন সমিতিৰ উদ্যোগত একঁকালিন প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰি আজি খেলখন শুভাৰম্ভ কৰে। ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভ অনুষ্ঠানত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গক



শ্ৰদ্ধাঞ্জলি জনাই। আজি শুভাৰম্ভ খেলখনত চিমলাই পথাৰ এফ চি দল আৰু জুৰিৰপাৰ এফ চি দলে অংশগ্ৰহণ কৰে। উক্ত খেলত প্ৰথম পুৰস্কাৰ হিচাপে থাকিব ৩০, ১০১ টকাসহ ট্ৰফি আৰু দ্বিতীয় পুৰস্কাৰ হিচাপে ২০, ১০১ টকা আৰু ট্ৰফি। আজি খেলখনত উপস্থিত থাকে খেল পৰিচালনা সমিতিৰ সভাপতি কুমুদ লস্কৰ, সম্পাদক আমৰ আলী, সমাজসেৱক ফইজুদ্দিন, মাহমদ আলী, আব্দুল ৰহিম, সূৰুজ আলী, নবী হুছেইন, চামছুল হক, আতাউৰ ৰহমান, কুদ্দুজ আলী, আবুল কাছেম, আতিকুৰ ৰহমান, নুৰুল ইছলাম, আনোৱাৰ হুছেইন, ছইফুল ইছলাম, কচুৱা প্ৰেছ ক্লাবৰ সম্পাদক মুজাক্কিৰ আহমেদ সহ সমাজৰ বহু গণ্য মান্য ব্যক্তি সকল।

# সৰুপথাৰত সংযুক্ত বড়ো গণমঞ্চ অসমৰ উদ্যোগত বিভিন্ন দাবীৰে ২ঘণ্টীয়া অৱস্থান ধৰ্মঘট




**অসম বাৰ্তা, ধনশিৰি, ১৮ নৱেম্বৰ ঃ** ৰাজ্যৰ ২২খন জিলাৰ সমান্তৰালভাৱে মঙ্গলবাৰে সৰুপথাৰতো সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সমীপত সংযুক্ত বড়ো গণমঞ্চ অসমৰ উদ্যোগত বিভিন্ন দাবীৰে ২ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৱে অৱস্থান ধৰ্মঘটৰ জৰিয়তে অসম চৰকাৰৰ ওচৰত কেইবাটাও গুৰুত্বপূৰ্ণ দাবী আগবঢ়াই। প্ৰতিবাদী কাৰ্যসূচীত হাতে হাতে প্ৰে- কাৰ্ড লৈ বিভিন্ন শ্লোগান দিয়াৰ উপৰিও তেওঁলোকে কয় বড়ো শান্তি চুক্তি ৰূপায়ণৰ আজি চাৰিটা বছৰ অতিক্ৰম কৰাৰ পিছতো অসম চৰকাৰে শান্তি চুক্তিত থকা কোনো এটা দাবী পূৰণ নকৰিলে। গতিকে অসম চৰকাৰে বড়ো শান্তি চুক্তিত লিপিবদ্ধ থকা প্ৰতিটো দফা অতি শীঘ্ৰে কাৰ্যকৰী কৰক। ইয়াৰ উপৰি তেওঁলোকে অসম চৰকাৰৰ ওচৰত বড়োলেণ্ডৰ বাহিৰত অসমৰ ২২খন জিলাক লৈ বড়ো শান্তি চুক্তিৰ জৰিয়তে গঠন কৰা বড়ো স্বায়ত্ত্ব শাসিত পৰিষদৰ অন্তৰ্গত সম্পুৰ্ণ গাঁৱসমূহ চিনাক্ত কৰি সমষ্টি নিৰ্ধাৰণৰ দ্বাৰা নিৰ্বাচন অনুষ্ঠিত কৰা, বড়ো শান্তি চুক্তিৰ প্ৰতিটো দফা ৰূপায়ণ কৰা, বড়ো ৰেজিমেণ্ট গঠন কৰা, বড়ো মাধ্যমৰ বিদ্যালয় সমূহ প্ৰাদেশিকীকৰণ কৰা, কাৰ্বিআংলং আৰু ডিমা হাচাও অঞ্চলত বসবাস কৰা বড়ো লোকসকলক পাহাৰীয়া জনজাতিৰ মৰ্যাদা প্ৰদান কৰা, বড়ো স্বায়ত্ত্ব শাসিত পৰিষদৰ প্ৰয়োজন অনুসৰি পুঁজি আৱণ্টন দিয়া ইত্যাদি কেইবাটাও গুৰুত্বমূলক দাবী পুৰণ কৰিবলৈ আহ্বান জনাই। তেওঁলোকে কয় আমি শান্তিপূৰ্ণভাৱে অৱস্থান ধৰ্মঘট কৰাতো চৰকাৰে যাতে দুৰ্বলতা বুলি নাভাবি অতি শীঘ্ৰে সকলো দাবী পুৰণ কৰে। অন্যথা অনাগত দিনত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰো তেওঁলোকে অসম চৰকাৰ ওচৰত সকিয়নি প্ৰদান কৰে।

# ডুমডুমাত বিজেপিৰ নেতা-কৰ্মীৰ ৰক্তদান কাৰ্যসূচী

### ১০০ গৰাকী যুৱক-যুৱতীয়ে কৰে ৰক্তদান

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৮ নৱেম্বৰ ঃ** 'জনতাৰ শিল্পী' জুবিন গাৰ্গৰ ৫৩সংখ্যক জন্মদিন উপলক্ষে আজি ভাৰতীয় জনতা পাৰ্টিয়ে ৰাজ্যৰ ৫৩টা স্থানত ৰক্তদান কৰি শিল্পী গৰাকীক স্মৰণ কৰে। ডুমডুমাৰ মাৰোৱাৰী পঞ্চায়তী ভৱনত বিজেপিৰ ডুমডুমা বিধানসভা সমষ্টি সমিতিৰ উদ্যোগত অনুষ্ঠিত শিবিৰত আজি প্ৰায় ১০০ গৰাকী যুৱক-যুৱতীয়ে ৰক্তদান কৰে। এই শিবিৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই। আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। সমগ্ৰ ৰাজ্যৰ ৫৩টা স্থানত আজি প্ৰায় ১০ হাজাৰ ইউনিট তেজ জমা কৰা হ'ব বুলি মন্ত্ৰী গৰাকীয়ে জানিবলৈ দিয়ে।

# ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ উদ্যোগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন পালন

**অসম বাৰ্তা, গেলেকী, ১৮ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে শিৱসাগৰ জিলাৰ গেলেকীতো প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ উদ্যোগত শৈশৱ The next zen smart school ৰ বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পালন কৰা হয়। এই অনুষ্ঠানতে কণকণ ছাত্ৰ-ছাত্ৰীৰ মাজত শিল্পীজনৰ সৃষ্টিৰাজি গীত আৰু নৃত্যৰ প্ৰতিযোগিতাত অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত শ্ৰেষ্ঠ দুজন প্ৰতিযোগীক প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰে পুৰস্কৃত কৰাৰ লগতে অন্য সকলো ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰা হয়। আজিৰ এই কাৰ্যসূচীত উপস্থিত আছিল ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ উপদেষ্টা আব্দুল হেলিম, ৰেকিবুল হুছেইন, সভাপতি ৱাহিদ আলী, উপ-সভানেত্ৰী দিপামণি মৰাণ, বেনজিৰ নাৰফা আজম, সম্পাদিকা পূৰবী নেওগ, বিত্ত সম্পাদিকা তনুজা বেগম,জন সংযোগ সম্পাদিকা তনুজা বেগম, সদস্যা দিপালী ৰাধিকা, চুৰেহা বেগম আৰু শিক্ষানুষ্ঠানখনৰ সমূহ শিক্ষয়িত্ৰী।

# মাজুলীত জুবিন গাৰ্গৰ জন্ম দিনটোত অসম যুৱ ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতিৰ প্ৰতিবাদী বাইক ৰেলী

**অসম বাৰ্তা, মাজুলী, ১৮ নৱেম্বৰ ঃ** আজি প্ৰাণৰ শিল্পী অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিনৰ দিনাই ন্যায় বিচাৰি মাজুলীৰ ৰাজপথত বিশাল বাইক ৰেলি উলিয়াই যুৱ ছাত্ৰ পৰিষদৰ। শিল্পী গৰাকীৰ মৃত্যুৰ দুমাহ উকলি যোৱাৰ পাছতো জুবিনে ন্যায় লাভ কৰা নাই। মুখ্যমন্ত্ৰী জুবিন হত্যা হোৱা বুলি কোৱাৰ পাছতো চিনাক্ত নহল হত্যাকাৰী কোন? কিয় চিনাক্ত নহ'ল হত্যাকাৰীৰ? এই ৰহস্য ফাদিল নোহোৱাৰ কাৰণ কি? সমগ্ৰ অসমতে এই প্ৰশ্নৰ অৱতাৰণা হৈছে। এই প্ৰশ্নৰ উত্তৰ বিচাৰি জুবিনে যিদিনালৈ ন্যায় নাপাই সেইদিনালৈ আমাৰ প্ৰতিবাদ চলি থাকিব 'বুলি সদৰি কৰে মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদে। এই প্ৰতিবাদত সহযোগিতা কৰিছে মাজুলী ই-ৰিস্কা সন্থাই।

# জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰত হাৰ্ট'থ্ৰব জুবিন গাৰ্গৰ ৫৩ তম জন্মদিন পালন

**অসম বাৰ্তা, দোতমা, ১৮ নৱেম্বৰ ঃ** আজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰত হাৰ্ট'থ্ৰব জুবিন গাৰ্গৰ ৫৩ তম জন্মদিন উপলক্ষে শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰশিক্ষণাৰ্থীসকলে হৃদয় উজাৰি চকুলো নিগৰাই 'মায়াবিনী' গান পৰিবেশন কৰে। মহান শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে প্ৰতিষ্ঠানখনৰ চাৰিওফালে নাহৰ গছ ৰোপণ কৰি প্ৰশিক্ষণাৰ্থীসকলক গোট সজাই দি নাহৰ'ৰ গছসমূহৰ যত্ন লোৱাৰ দায়িত্ব প্ৰদান কৰে। প্ৰশিক্ষণাৰ্থীসকলেও নিজে-নিজেই দায়িত্ব লৈ গছসমূহৰ যত্ন লোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। অনুষ্ঠানখন জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰৰ অধ্যক্ষ মহোদয়, সকলো শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ডি, এল, এড, প্ৰথম আৰু তৃতীয় ষাণ্মাসিকৰ প্ৰশিক্ষণাৰ্থীসকলৰ উপস্থিতিত থাকে।

# বিশিষ্ট অভিনেত্ৰী চেতনা দাসক চেনিমাই দাস ২০২৫ বঁটা প্ৰদান

### নগাঁও জিলাৰ ঘাহিত প্ৰথম সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ১৮ নৱেম্বৰ ঃ** অনূসুচিত জাতিৰ মহিলা সকলৰ আৰ্থ সামাজিক উন্নয়নৰ হকে গঠন হোৱা সদৌ অসম অনুসূচিত জাতি মহিলা ঐক্য মঞ্চয়ে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিছে প্ৰথম সংখ্যক প্ৰতিষ্ঠা দিৱস। নগাঁও জিলাৰ ঘাহি অঞ্চলত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসত বিশিষ্ট অভিনেত্ৰী চেতনা দাসলৈ চেনিমাই দাস ২০২৫ বঁটা প্ৰদান কৰে। লগতে সোমবাৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰাৰ উপৰিও মংগলবাৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন কৰে সদৌ অসম অনুসূচিত জাতি মহিলা ঐক্য মঞ্চয়ে।

## জুবিন গাৰ্গৰ কেতিয়াও মৃত্যু নহয়, জুবিন চিৰঞ্জীৱী

বিৰল প্ৰতিভাৰ নাম। জুবিন গাৰ্গ আমাৰ মাজত কায়িকভাৱে নাই যদিও জুবিনৰ সৃষ্টিৰাজি প্ৰতিপলে জীয়াই আছে, জীয়াই থাকিব প্ৰজন্মৰপৰা প্ৰজন্মলৈ। আজি জুবিনৰ ৫৩সংখ্যক জন্মবাৰ্ষিকীত আমাৰ হিয়াৰ আমঠুক গভীৰ শ্ৰদ্ধাৰে, মৰমেৰে, এবুকু বেদনাৰে স্মৰণ কৰিছোঁ। জুবিন গাৰ্গ এটা বৰ্ণাঢ্য সাংস্কৃতিক শক্তি, যিয়ে এককভাৱে বিংশ শতিকাৰ শেষৰফালে আৰু একবিংশ শতিকাৰ আৰম্ভণিত অসমীয়া হোৱাৰ অৰ্থক নতুনকৈ সংজ্ঞায়িত কৰিছিল। জুবিন গাৰ্গ কেৱল সংগীতজ্ঞ নহয়, তেওঁ আধুনিক অসমৰ হৃদস্পন্দন। জুবিন গাৰ্গে অসমীয়া লোকসংগীতক বিশ্বমঞ্চলৈ লৈ গৈছিল। তেওঁ প্ৰমাণ কৰি থৈ গৈছে যে- মাত্ৰ কেইমিলিয়ন মানুহে কোৱা এটা ভাষা প্ৰেম, গভীৰতা, অৰ্থবহ আৰু দৃঢ়তাৰে উপস্থাপন কৰিলে বিশ্ব মঞ্চত জিলিকি উঠিব পাৰে। তেখেতৰ সাংস্কৃতিক অৱদান কেৱল সুৰ, সংগীততে সীমাবদ্ধ নহয় — সেয়া ঐক্য, শান্তি, সমন্বয়ৰ বিস্তৃত পৰিসৰলৈ সম্প্ৰসাৰিত। প্ৰকৃতিৰ প্ৰতি তেওঁৰ প্ৰেম এটা শিশুৰ সৰল মাতৃপ্ৰেমৰ দৰে। জুবিন গাৰ্গে দেখুৱাই থৈ গৈছে যে- প্ৰকৃতিক উপেক্ষা কৰি মানৱ সমাজে কেতিয়াও আগুৱাই যাব নোৱাৰে। মানুহ যে প্ৰকৃতিৰে অংগ এই কথা পাহৰি যাব নালাগে আৰু প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ ভূমিকা পালন কৰিব লাগে। মানৱতাৰ ক্ষেত্ৰত তেওঁৰ দায়বদ্ধতা সদায়েই প্ৰকাশ পাইছিল- বানপানীত, ক'ভিডত, হাজাৰ হাজাৰ লোকৰ ব্যক্তিগত দুৰ্যোগত। তেওঁ মানৱীয় প্ৰমূল্যবোধৰ ভাৱধাৰা জাগ্ৰত কৰি তুলিছিল।" সোণোৱালে লগতে কয়, "জুবিন গাৰ্গৰ উত্তৰাধিকাৰ আগবঢ়াই নিবলৈ নতুন প্ৰজন্মই মাতৃভাষাৰ চৰ্চা, অধ্যয়ন আৰু প্ৰসাৰৰ বাবে দায়বদ্ধ হ'ব লাগিব। মাতৃভাষাত কথা পাতিবলৈ, অধ্যয়ন কৰিবলৈ নতুন প্ৰজন্মই লাজ কৰিব নালাগিব। জাতিক ভালপাবলৈ জাতিৰ হকে চিন্তা কৰিব লাগিব আৰু মাতৃভাষাক আঁকোৱালি ল'ব লাগিব। নতুন প্ৰজন্মই নিজৰ শিপা ধৰি ৰাখিহে বিশ্বজনীন হ'ব লাগিব। প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব আৰু গছপুলি ৰোপণ কৰাৰ বাবে আগ্ৰহী হ'ব লাগিব। মানৱতা, সহানুভূতি, মমতা আৰু আৰ্তজনক সহায়ৰ হাত আগবঢ়োৱা ইত্যাদি দিশবোৰক নতুন প্ৰজন্মই গুৰুত্ব দিব লাগিব। এখন বৈষম্যহীন সমাজ গঢ়াৰ বাবে সংকল্পবদ্ধ হ'ব লাগিব। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত শান্তি-সমন্বয়ৰ ভাৱধাৰা অধিক শক্তিশালী কৰিব লাগিব আৰু জাতি-ভাষা-বৰ্ণ নিৰ্বিশেষে সৰ্বস্তৰৰ মাজত একতা সুদৃঢ় কৰিব লাগিব। জুবিনৰ দৰে নতুন প্ৰজন্মই ডাঙৰ সপোন দেখিব লাগিব, কঠোৰ পৰিশ্ৰম কৰিব লাগিব। জুবিনেও ডাঙৰ সপোন দেখাৰ বাবেই, কঠোৰ পৰিশ্ৰম আৰু সাধনা কৰাৰ বাবেই এগৰাকী মহান শিল্পীৰূপে জনমানসত উজলি ৰ'ল। আমি জুবিন গাৰ্গক তেওঁৰ মূল্যবোধৰ মাজেৰে, সৃষ্টিৰ মাজেৰে জীয়াই ৰাখিম, যিমান দিন ব্ৰহ্মপুত্ৰ বৈ থাকিব, যিমান দিন অসমীয়া জাতি জীয়াই থাকিব, তেতিয়ালৈকে জুবিন গাৰ্গৰ কেতিয়াও মৃত্যু নহয়, জুবিন চিৰঞ্জীৱী। আমাৰ মৰমৰ শিল্পী জুবিন গাৰ্গে প্ৰায়ে কৈছিল-"কিতাপ নপঢ়া বা কিতাপ নথকা জাতিক গামোচাই বচাব নোৱাৰে। তেখেতৰ বিয়োগ কেৱল সংগীত জগতৰে ক্ষতি নহয়, অসমীয়া সাহিত্যৰো অপূৰণীয় ক্ষতি। কাৰণ জুবিন গাৰ্গ নামৰ মহান সত্তা কেৱল গায়ক নাছিল — তেওঁ আছিল জনতাৰ কণ্ঠ আৰু সুৰ। তেখেতৰ গীতৰ কথাবোৰত আমাৰ নদী, প্ৰকৃতি, জনজীৱন, আমাৰ আৱেগ আৰু একাধিক প্ৰজন্মৰ বেদনা আৰু আশা প্ৰস্ফুটিত হৈছিল। জুবিনৰ শব্দ আৰু কণ্ঠত জীৱন্ত আছিল আধুনিক অসমীয়া ভাষা। জুবিনৰ গানবোৰ অধ্যয়ন কৰিলে নতুন প্ৰজন্মই অসমীয়া ভাষাক ভাল পাই থাকিবলৈ উৎসাহ লাভ কৰিব আৰু অসমীয়া ভাষাৰ ওপৰত দখল বৃদ্ধি পাব। আহক, আমি সকলোৱে জুবিনৰ মানৱতা, প্ৰকৃতিপ্ৰেম, সমাজ সচেতনতা, সমন্বয় আৰু সৃষ্টিশীলতাৰ পৃথিৱীখনক সৰ্বাংগসুন্দৰকৈ সজাই ৰাখোঁ।"

## ৰাজ্যজুৰি ইশ্বৰপুত্ৰৰ ৫৩ সংখ্যক জন্মদিন পালন

জুবিনক আজিও অনুৰাগীসকলে একোটি মুহূৰ্তৰ বাবেও অকলশৰীয়া কৰি ৰখা নাই। তেওঁৰ সমাধিৰ চাৰিওকাষে ফুলৰে সজোৱা হৈছে, দীপ জ্বলিছে, আৰু হৃদয়ৰ পৰা হৃদয়লৈ বিয়পি গৈ আছে একেটাই কথা—হাৰ্টথ্ৰব জুবিন গাৰ্গ চিৰঞ্জীৱ।

## লণ্ডনত স্বাক্ষৰিত 'লেটাৰ অৱ

এই বস্ত্ৰ অসমৰ মাটিত উপস্থিত হ'ব বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লণ্ডনৰ পৰাই সামাজিক মাধ্যমত লিখিছে, "ব্ৰিটিছ মিউজিয়াম বিশ্বৰ অন্যতম ঐতিহাসিক সংগ্ৰহালয়। আজি এই পৱিত্ৰ স্থানত মই উপস্থিত হৈ আছো। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ অপূৰ্ব সৃষ্টি বৃন্দাবনী বস্ত্ৰ অসমলৈ ঘূৰাই অনাৰ বাবে অসম চৰকাৰ আৰু ব্ৰিটিছ মিউজিয়ামৰ মাজত 'লেটাৰ অৱ ইণ্টেণ্ট' স্বাক্ষৰিত হ'ল। আমাৰ ঐতিহ্য, আমাৰ স্বাভিমানৰ প্ৰতীক এই বস্ত্ৰ পুনৰ অসমৰ মাটিত উভতি আহিব আৰু অসমবাসীয়ে ইয়াক দৰ্শন কৰিব পাৰিব। আজিৰ দিনটো আমাৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।" তেওঁ আৰু লগতে কয়, "বৃন্দাবনী বস্ত্ৰ কেৱল এখন সাধাৰণ বস্ত্ৰ নহয়, এয়া আমাৰ সংস্কৃতিৰ জীৱন্ত দলিল। আমাৰ চৰকাৰে এই অমূল্য সম্পদক নিজৰ ভূমিলৈ ঘূৰাই অনাৰ বাবে অহৰহ চেষ্টা কৰি আহিছে আৰু আজিৰ এই চুক্তিয়ে সেই প্ৰচেষ্টাক সাৰ্থক কৰিলে।" ষোড়শ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তত্ত্বাৱধানত অসমীয়া শিল্পীসকলে বৈ উলিওৱা এই বৃহৎ বস্ত্ৰত বৃন্দাবনত শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ দৃশ্যসমূহ ৰং-তুলিকাৰে অংকিত কৰা হৈছে। ইয়াত গুৰুজনাৰ এটি পদো সুন্দৰকৈ তৈয়াৰ কৰি ৰখা হৈছে। বৰ্তমান এই বস্ত্ৰৰ কিছু অংশ ব্ৰিটিছ মিউজিয়ামত, কিছু অংশ লণ্ডনৰ ভি'ক্টৰিয়া এণ্ড এলবাৰ্ট মিউজিয়ামত আৰু আন কিছু অংশ পেৰিছৰ গুইমেট মিউজিয়ামত সংৰক্ষিত হৈ আছে। ভাৰত চৰকাৰৰ বিভিন্ন সংস্থাই দীৰ্ঘদিন ধৰি এই বস্ত্ৰ ঘূৰাই অনাৰ চেষ্টা কৰি আহিছিল যদিও সফলতা লাভ কৰা নাছিল। অৱশেষত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে এই দিশত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিলে। এই ঘটনাই কেৱল অসমবাসীকেই নহয়, সমগ্ৰ ভাৰতক গৌৰৱান্বিত কৰিছে বুলি ৰাজনৈতিক আৰু সাংস্কৃতিক মহলে মত প্ৰকাশ কৰিছে। অসমৰ সাংস্কৃতিক ঐতিহ্যৰ এই মহৎ প্ৰতীক পুনৰ নিজৰ ঠাইত ঘূৰি অহাৰ খবৰে ৰাজ্যজুৰি আনন্দৰ বতাহ বিয়পাই দিছে।

## তদন্ত প্ৰক্ৰিয়াত আঁতৰিল ন্যায় প্ৰক্ৰিয়াৰ বাধা

মন্ত্ৰণালয়ে দিছে অনুমোদন। এই ধাৰাৰ জৰিয়তে বিদেশত সংঘটিত অপৰাধৰ অপৰাধীৰ ওপৰত গোচৰ ৰুজু কৰাত সহায়ক হয়। আনহাতে, ১০ ডিচেম্বৰত এছ আই টিয়ে দাখিল কৰিব জুবিন হত্যা গোচৰৰ অভিযোগনামা। লণ্ডন ভ্ৰমণৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে সদৰি কৰে এই তথ্য। মুখ্যমন্ত্ৰী শৰ্মাই সদৰি কৰে, "আজি আমাৰ প্ৰিয় জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন। এই দিনটোৱে আমাক তেওঁৰ সংগীত, তেওঁৰ স্বৰলিপি আৰু অসমৰ হৃদয়ত তেওঁৰ অপৰিহাৰ্য স্থানৰ কথা স্মৰণ কৰাই দিয়ে। এই বিশেষ দিনটোতেই, সন্মানিত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই ভাৰতীয় নাগৰিক সংহিতাৰ (BNSS) ধাৰা ২০৮ৰ অধীনত প্ৰয়োজনীয় প্ৰয়োগৰ বাবে সন্মতি প্ৰদান কৰিছে, যাতে ছিংগাপুৰত জুবিনৰ মৃত্যুৰ সৈতে জড়িত অভিযুক্তসকলৰ বিৰুদ্ধে তদন্ত আগবঢ়াব পৰা যায়।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে এইদৰে সদৰি কৰিছে, "সৰল ভাষাত ক'বলৈ হ'লে— ভাৰতৰ বাহিৰত কোনো অপৰাধ কাৰ্য সংঘটিত হ'লে BNSSৰ ধাৰা ২০৮ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে পূৰ্বানুমতি দিলেহে আন ন্যায়ালয়ত গোচৰ গ্ৰহণ কৰিব পৰা যায়।" লগতে মুখ্যমন্ত্ৰী শৰ্মাই কয়, "গৃহ বিভাগৰ এই সন্মতিয়ে বৰ্তমানৰ আইনী পদক্ষেপত চাৰ্জশ্বীট ফাইল কৰি গোচৰৰ বিচাৰ প্ৰক্ৰিয়া দৃঢ়ভাৱে আৰু আইনগতভাৱে আগবঢ়িবলৈ সহায় কৰিব।" ইফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে ১০ ডিচেম্বৰত অসম আৰক্ষীয়ে অভিযোগনামা দাখিল কৰিব। মুখ্যমন্ত্ৰীৰ মন্তব্য, "আমি সম্পূৰ্ণৰূপে সংকল্পবদ্ধ যে অভিযুক্ত ব্যক্তিসকলৰ বিৰুদ্ধে চাৰ্জশ্বীট ২০২৫ৰ ডিচেম্বৰ ১০ৰ ভিতৰত ফাইল কৰিম।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই লণ্ডনৰ পৰা এই বিষয়ে সামাজিক মাধ্যম X-ত (পূৰ্বৰ টুইটাৰ) পোষ্ট কৰিছে। উল্লেখ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ পিছত অসমজুৰি তোলপাৰ লগাৰ পিছত অসম চৰকাৰে বিশেষ অগ্ৰাধিকাৰ দি তদন্ত অব্যাহত ৰাখিছে। এই তদন্ত অব্যাহত ৰাখিছে অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান মুন্নাপ্ৰসাদ গুপ্তাৰ নেতৃত্বত এক বিশেষ তদন্তকাৰী দলে (SIT)। লগতে অসম চৰকাৰৰ অনুৰোধমৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ অধীনত এখন ন্যায়িক সমিতিয়েও জুবিনৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। তদন্ত প্ৰক্ৰিয়াৰ মাজতে বি এন এছ এছ ২০৮ আৰোপ কৰাৰ ক্ষেত্ৰত গৃহ মন্ত্ৰণালয়ৰ সন্মতিয়ে গোচৰৰ তদন্ত প্ৰক্ৰিয়া ত্বৰান্বিত কৰি ন্যায় প্ৰদানৰ ক্ষেত্ৰত পথ মুক্ত কৰিছে।

## এনকাউণ্টাৰত নিহত মাওবাদী শীৰ্ষ কমাণ্ডাৰ মাড়ৱী হিড়মাসহ

মাওবাদীৰ শীৰ্ষ নেতা তথা পিপলছ লিবাৰেচন গেৰিলা আৰ্মী (PLGA)ৰ ১ নম্বৰ বেটেলিয়নৰ কমাণ্ডাৰ মাডবী হিডমা (৪০) নিহত হৈছে। তেওঁৰ লগতে নিহত হৈছে আৰু পাঁচজন মাওবাদী, যাৰ ভিতৰত হিডমাৰ পত্নী মাডবী ৰাজে ওৰফে ৰাজাক্কাও অন্তৰ্ভুক্ত। চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত মঙলবাৰে পুৱা ৬ বজাৰ পৰা ৭ বজাৰৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ আলুৰি সীতাৰামাৰাজু জিলাৰ অন্তৰ্গত মাৰেদুমিলিৰ সংঘল অঞ্চলত গ্ৰে-হাউণ্ডছ আৰু অন্যান্য নিৰাপত্তা বাহিনীয়ে যুটীয়া তালাচী অভিযান আৰম্ভ কৰে। মাওবাদীৰ দলটোৱে প্ৰথমে গুলীচালনা আৰম্ভ কৰে বুলি আৰক্ষীৰ সূত্ৰই জনাইছে। প্ৰত্যুত্তৰত নিৰাপত্তা বাহিনীয়ে পাল্টা গুলীচালনা কৰাত প্ৰায় আধা ঘণ্টা ধৰি চলে তীব্ৰ সংঘৰ্ষ। নিহত আন চাৰিজন মাওবাদীক চিনাক্ত কৰা হৈছে চেল্লুৰী নাৰায়ণ ওৰফে সুৰেশ (SZCM), টেক শংকৰ, মল্লা আৰু দেৰে বুলি। এনকাউণ্টাৰৰ পিছতে ঘটনাস্থলীৰ পৰা ৬খন অটোমেটিক অস্ত্ৰ, বিস্ফোৰক দ্ৰব্য আৰু বিপুল পৰিমাণৰ গোলা-বাৰুদ উদ্ধাৰ কৰা হৈছে। ছত্তীশগড়ৰ সুকমা জিলাৰ পুবৰ্তী অঞ্চলৰ বাসিন্দা হিডমাৰ মূৰৰ দাম আছিল ৫০ লাখ টকা। তেওঁৰ নেতৃত্বত ২৬টাৰো অধিক বৃহৎ আক্ৰমণ সংঘটিত হৈছিল। উল্লেখযোগ্যভাৱে ২০১০ চনত দান্তেৱাড়াত চিআৰপিএফৰ কনভয়ত হোৱা আক্ৰমণত ৭৬ জোৱান শ্বহীদ হৈছিল। ২০১৩ চনত ঝিৰাম ঘাটি আক্ৰমণত কংগ্ৰেছৰ শীৰ্ষ নেতাৰ মৃত্যুৰ লগতে ২৭জন নিহত হৈছিল। ২০২১ চনত সুকমা-বিজাপুৰত হোৱা আক্ৰমণতো ২২ জোৱান শ্বহীদ হৈছিল। এই সকলোবোৰ ঘটনাৰ মূল পৰিকল্পনাকাৰী আছিল হিডমা। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে হিডমাকে ৩০ নৱেম্বৰৰ ভিতৰত ন্যায়ৰ আওতালৈ অনাৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰি দিছিল। আজিৰ এই সাফল্যই নিৰ্ধাৰিত সময়ৰ ১২ দিন পূৰ্বেই সেই লক্ষ্য পূৰণ কৰিলে। গৃহমন্ত্ৰীগৰাকীয়ে অভিযানত জড়িত সকলো বিষয়া-কৰ্মচাৰীৰ সৈতে ফ'নত বাৰ্তালাপ কৰি অভিনন্দন জনাইছে। এই এনকাউণ্টাৰক মাওবাদী বিৰোধী অভিযানৰ ক্ষেত্ৰত এক ঐতিহাসিক সাফল্য বুলি মন্তব্য কৰিছে নিৰাপত্তা বিশে-ষকসকলে।

## ৰাজ্যজুৰি জাতীয় স্বাভিমান দিৱস পালন অসম গণ পৰিষদৰ

দলৰ সভাপতি অতুল বৰাই। এই শিবিৰৰ মুকলি পৰ্বত আন্তঃৰাষ্ট্ৰীয় ল'ন বল খেলুৱৈ পুতুল সোণোৱাল আৰু বিমান নাথ তথা যুৱ ব্যৱসায়ী মঞ্জৰ আলম উপস্থিত থাকি সকলোকে উৎসাহিত কৰে। অসম গণ পৰিষদৰ সাধাৰণ সম্পাদক ড° তপন দাস, যুৱ পৰিষদৰ কাৰ্যকৰী সভাপত হৃষীকেশ শৰ্মাকে ধৰি শতাধিক যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰীয়ে ৰক্তদান কৰে। ইয়াৰ পাছতে জাতীয় স্বাভিমান দিৱসৰ মূল কাৰ্যসূচী দীঘলীপুখুৰীৰ সমীপৰ লক্ষ্মীধৰ বৰা ক্ষেত্ৰত আৰম্ভ হয়। সংগীতৰ ৰাজপুত্ৰ জুবিন গাৰ্গৰ প্ৰতি আয়োজিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে জ্যেষ্ঠ অভিনেতা, পৰিচালক নিলু চক্ৰৱৰ্তীয়ে। অগপৰ সাধাৰণ সম্পাদক বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, মনোজ শইকীয়া, সুনীল ডেকাৰ লগতে আন বিষয়ববীয়া আৰু কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বিশিষ্ট চিকিৎসক, সংগীত পৰিচালক ড° হিতেশ বৰুৱাই জুবিন গাৰ্গৰ স্বভিমানী অসমীয়া সত্তা সন্দৰ্ভত আলোকপাত কৰে। বিশিষ্ট শিল্পী জে পি দাসে সংগীত পৰিৱেশন কৰি অনুষ্ঠানত জুবিন গাৰ্গক শ্ৰদ্ধা জনায়। অনুষ্ঠানত কিতাপৰ বন্ধু— মনালিছা শইকীয়া, জোনমণি দাস, শিৱ প্ৰসাদ ভট্টাচাৰ্য, বিপুল শৰ্মা আৰু অনিন্দিতা কলিতাক সম্বৰ্দ্ধনা জনায়। একেদৰে প্ৰকৃতিৰ বন্ধু—মলয় বৰুৱা, মুমিনা আখটাৰ, ভোলা ক্ৰ', প্ৰমোদ কলিতা, ধ্ৰুৱজ্যোতি শইকীযা আৰু চন্দন ডেকাক সম্বৰ্দ্ধনা জনোৱা হয়। এই অনুষ্ঠানত সহস্ৰাধিক সদস্যই দলৰ তৰফৰপৰা বাণীবদ্ধ কৰা জুবিন গাৰ্গৰ কালজয়ী গীত পৰিৱেশন কৰে। অনুষ্ঠানত নিবিড় দেব শৰ্মা আৰু দৰ্শন শইকীয়াই বাঁহী তথা যন্ত্ৰ সংগীতত সুৰ নিগৰাই প্ৰাণৰ শিল্পীজনক শ্ৰদ্ধাঞ্জলি জনায়। আনহাতে, সংগীতৰ ৰাজপুত্ৰৰ স্মৃতিত গুৱাহাটী মহানগৰীৰ কেইবাটাও স্থানত নাহৰৰ পুলি ৰোপণ কৰা হয়। পুৱাৰভাগত মহানগৰীৰ বিভিন্ন স্থানত নাহৰৰ পুলি অগপৰ সদস্যসকলে ৰোপণ কৰে। একেদৰে অসম গণ পৰিষদৰ সকলো সমষ্টি সমিতিয়ে অনুৰূপ কাৰ্যসূচী লৈ জাতীয় স্বাভিমান দিৱস পালন কৰে। কলিয়াবৰৰ কুঁৱৰীটোলত আজি জুবিন স্থলী নামেৰে উছৰ্গিত স্থানত অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ তত্ত্বাৱধানত আৰু কলিয়াবৰৰ সকলো সামাজিক আৰু জাতীয় সংগঠন, অনুষ্ঠান প্ৰতিষ্ঠান তথা কলিয়াবৰবাসী ৰাইজৰ সহযোগত মৰমৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিনটো জাতীয় স্বাভিমান দিৱস হিচাপে উদযাপন কৰি মৰমৰ শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। গায়ন - বায়ন, দিহা নাম তথা শিল্পীগৰাকীৰ সৃষ্টি— বিভিন্ন জনগোষ্ঠীয় গীত আৰু মায়াবিনী গীত পৰিৱেশনৰে মৰমৰ শিল্পী জুবিনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বোকাখাতটো দলৰ সভাপতি অতুল বৰাৰ তত্ত্বাৱধানত তথা স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত জাতীয় স্বাভিমান দিৱস পালন কৰা হয়। সমান্তৰালকৈ বঙাইগাঁৱত প্ৰাণৰ শিল্পীজনক শ্ৰদ্ধা জনাই জুবিন গাৰ্গৰ আৱক্ষ মূৰ্তিৰ আধাৰশিলা স্থাপন কৰে অগপৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে। তেজপুৰ, লক্ষিমপুৰ, ধেমাজি, যোৰহাটকে ধৰি প্ৰতিটো সমষ্টিতে ৰক্তদান কাৰ্যসূচীৰ লগতে হিয়াৰ আমঠু শিল্পীজনলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। উল্লেখ্য, ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দুই সহস্ৰাধিক দলটোৰ যুৱ, ছাত্ৰ পৰিষদৰ সদস্যই ৰক্তদানৰ বাবে পঞ্জীয়ন কৰে।

## আজাৰা থানাৰ গোচৰত জামিন লাভ ভিক্টৰ দাসৰ

অধীনত এটা গোচৰত গ্ৰেপ্তাৰ কৰা হৈছিল। সেই গোচৰত নিম্ন আদালতে তেওঁক জামিন প্ৰদান কৰাৰ পিছতেই আদালতৰ চৌহদৰ ভিতৰতে আজাৰা আৰক্ষীৰ এটা পৃথক গোচৰত তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰা হৈছিল। এই ঘটনাই তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছিল। কিন্তু আজাৰা থানাৰ গোচৰতো জামিন লাভ কৰাৰ পিছতো ভিক্টৰ দাসৰ মুক্তিৰ পথ এতিয়াও মুকলি হোৱা নাই। কাৰণ তেওঁ বৰ্তমান ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (NSA)ৰ অধীনত প্ৰতিৰোধমূলকভাৱে আটক হৈ আছে। এই আইনৰ অধীনত চৰকাৰে তেওঁক ১২ মাহলৈকে জে'লত ৰখাৰ ক্ষমতা ৰাখে। এডভাইজৰী ব'ৰ্ডে ইতিমধ্যে অসম চৰকাৰৰ এই আদেশত অনুমোদন জনাইছে। ফলত আন সকলো ফৌজদাৰী গোচৰত জামিন পালেও এনএছএৰ বাবে ভিক্টৰ দাসৰ জে'লৰ বাহিৰলৈ ওলোৱাৰ পথ এতিয়াও বন্ধ হৈ আছে। ভিক্টৰ দাসৰ আইনজীৱীসকলে জনোৱা অনুসৰি, এতিয়া তেওঁলোকে এনএছএৰ আদেশৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দুৱাৰ মাতিবলৈ প্ৰস্তুতি চলাইছে।

## জুবিন গাৰ্গৰ জন্মদিনৰ দিনাই মুখ্যমন্ত্ৰীৰ বিস্ফোৰণ

খোৱাইছিল যাতে তেওঁক সহজে ব্যৱহাৰ কৰি তেওঁৰ ধন-সম্পত্তি আত্মসাৎ কৰিব পাৰে। লণ্ডনৰ পৰা অসমলৈ উভতি আহি জুবিনৰ জন্মদিনত আয়োজিত ৰক্তদান শিবিৰত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে এই গুৰুতৰ অভিযোগ উত্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয়, "জুবিন গাৰ্গ আছিল অতি সৰল আৰু সহজ-সৰল স্বভাৱৰ মানুহ। যেতিয়া কিছুমান লোকে তেওঁক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলে, তেতিয়াই তেওঁক জোৰ কৰি মদ খোৱাই দিয়া হৈছিল। মদ কেতিয়াও জুবিনৰ পৰিচয় নাছিল। জুবিনৰ পৰিচয় আছিল তেওঁৰ অপূৰ্ব সংগীত, দুখীয়া-দৰিদ্ৰৰ কাষত থিয় দিয়া আৰু অন্যায়ৰ বিৰুদ্ধে সাহসেৰে মাত মতা।" তেওঁ লগতে কয়, "জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ চাৰ্জশ্বীটত এই সকলো কথা স্পষ্টভাৱে উল্লেখ আছে। চাৰ্জশ্বীট দাখিল হ'লে ৰাইজে নিজ চকুৰে দেখিব যে জুবিনক কেনেকৈ ষড়যন্ত্ৰৰ জালত পেলাই মদ্যপানৰ অভ্যাসত বান্ধি ৰখা হৈছিল।" মুখ্যমন্ত্ৰীয়ে দুখ প্ৰকাশ কৰি কয় যে, জুবিনৰ মৃত্যুৰ পাছতো অসমৰ একাংশ লোকে প্ৰচাৰ চলাইছিল যে মদ খায়ে জুবিনক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। "এয়া অতি দুৰ্ভাগ্যজনক। জুবিনক সঁচা অৰ্থত জীয়াই ৰাখিবলৈ হ'লে তেওঁৰ গীতৰ জৰিয়তে, দুখীয়াক সহায় কৰি, সমাজৰ বাবে ভাল কাম কৰি জীয়াই ৰাখক। মদৰ বৰফি দি নহয়, "তেওঁ মন্তব্য কৰে। উল্লেখ্য যে, জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে আজি বিজেপি আৰু মিত্ৰজোঁটৰ উদ্যোগত ৰাজ্যৰ ৫৩টা স্থানত একে লগে ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ এখন শিবিৰত অংশগ্ৰহণ কৰি নিজেও ৰক্তদান কৰে। তেওঁ জনোৱা অনুসৰি এদিনতে ৩ হাজাৰৰো অধিক দলীয় কৰ্মীয়ে ৰক্তদান কৰিছে আৰু এই সংখ্যা আৰু বৃদ্ধি পাব। জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰায় এবছৰ পাছতো তেওঁৰ মৃত্যুৰ ৰহস্য আজিও ৰাইজৰ মাজত এক বিতৰ্কৰ বিষয় হৈয়ে আছে। মুখ্যমন্ত্ৰীৰ এই স্পষ্ট মন্তব্যৰ পাছতে এতিয়া তদন্তৰ চাৰ্জশ্বীটৰ প্ৰতি ৰাইজৰ চকু থাকিব বুলি ধাৰণা কৰা হৈছে।

## দাবী পূৰণ নহ'লে আন্দোলন অব্যাহত ৰখাৰ হুংকাৰ

দাবীত মঙলবাৰে ধেমাজি জিলাৰ জোনাইত তীব্ৰ প্ৰতিবাদে মুখৰ হৈ পৰে। ইউনাইটেড বড়ো পিপ'লছ অৰ্গেনাইজেচন (ইউবিপিঅ')ৰ আহ্বানত জোনাই সমজিলা কাৰ্যালয় চৌহদত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰে শ শ প্ৰতিবাদকাৰীয়ে। কাৰ্যসূচী আৰম্ভণিতে অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মবাৰ্ষিকী উপলক্ষে নিমাত মিনিটৰ মৌন প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তাৰ পিছতে "জয় বড়ো হাৰিনি", "বিকেডব্লিউএইচচি নিৰ্বাচন অতি শীঘ্ৰে কৰক", "কাৰ্বি আংলং আৰু ডিমা হাছাওৰ বড়োসকলক পাহাৰীয়া জনজাতিৰ মৰ্যাদা দিয়ক", "বড়ো ৰেজিমেণ্ট গঠন কৰক", "ইউবিপিঅ' জিন্দাবাদ", "এবছু জিন্দাবাদ" আদি শ্ল'গানেৰে সমগ্ৰ প্ৰাংগণ কঁপাই তোলে প্ৰতিবাদকাৰীসকলে। ২০২০ চনৰ ২৭ জানুৱাৰীত স্বাক্ষৰিত তৃতীয় বড়ো শান্তি চুক্তিৰ ৫.১ দফা অনুসৰি বিটিএডিৰ বাহিৰৰ বড়ো অধ্যুষিত অঞ্চলৰ উন্নয়নৰ বাবে বড়ো কছাৰী কল্যাণ পৰিষদ গঠনৰ কথা ঘোষণা কৰা হৈছিল যদিও পাঁচ বছৰ পাৰ হৈও গাঁও চিনাক্তকৰণৰ কাম সম্পূৰ্ণ হোৱা নাই আৰু নিৰ্বাচনো অনুষ্ঠিত হোৱা নাই। প্ৰথম পৰ্যায়ত ৯৫৮খন গাঁও চিনাক্ত হৈছে যদিও দ্বিতীয় পৰ্যায়ৰ ১৬১খন গাঁৱৰ কাম এতিয়াও চূড়ান্ত হোৱা নাই। ইয়াৰ উপৰি শোণিতপুৰ, বিশ্বনাথ, গোৱালপাৰা আৰু দক্ষিণ কামৰূপ জিলাৰ বহু বড়ো গাঁও এতিয়াও এই পৰিষদৰ অন্তৰ্ভুক্ত হৈ উঠা নাই বুলি অভিযোগ উত্থাপন হৈছে। ইউবিপিঅ'ৰ সভাপতি মনোৰঞ্জন বসুমতাৰীয়ে কয়, "চৰকাৰে বাৰম্বাৰ প্ৰতিশ্ৰুতি দি আমাক ঠগি আহিছে। আমাৰ দাবীসমূহ পূৰণ নহ'লে এই আন্দোলন আৰু তীব্ৰতৰ হ'ব। আমি কোনো পৰিস্থিতিতে পিছুৱাব নোৱাৰোঁ।" প্ৰধান দাবীসমূহৰ ভিতৰত আছে বড়ো কছাৰী কল্যাণ পৰিষদৰ নিৰ্বাচন অতি শীঘ্ৰে অনুষ্ঠিত কৰা, বিটিএডিৰ বাহিৰৰ সকলো বড়ো গাঁও বিকেডব্লিউএইচচিৰ অন্তৰ্ভুক্ত কৰা, কাৰ্বি আংলং আৰু ডিমা হাছাওত বসবাস কৰা বড়োসকলক পাহাৰীয়া জনজাতিৰ মৰ্যাদা প্ৰদান কৰা, ২০০৬ চনৰ বনাঞ্চল অধিকাৰ আইনৰ অধীনত জনজাতি লোকক ভূমিৰ পট্টা প্ৰদান কৰা, ভাৰতীয় সেনাত বড়ো ৰেজিমেণ্ট গঠন কৰা। অৱস্থান ধৰ্মঘটৰ অন্তত জোনাই সমজিলা আয়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়লৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়। কাৰ্যসূচীত ইউবিপিঅ'ৰ ধেমাজি জিলা সমিতিৰ সভাপতি ৰাতিৰাম বসুমতাৰী, প্ৰাণজিতা বড়ো, এনডিএফবি ফৰামৰ সভাপতি প্ৰফুল্ল বড়ো, এবছুৰ উপ-সভাপতি উদাং বি বড়োকে ধৰি দুই শতাধিক কৰ্মী আৰু সমৰ্থকে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, একে দাবীত বিটিচিৰ বাহিৰৰ ২২খন জিলাৰ সদৰত একেৰাহে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

## এনআৰচি প্ৰকাশৰ পিছতহে

তালিকাৰ বিশেষ সংক্ষিপ্ত পুনৰীক্ষণ (Special Summary Revision - SR)। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰে, "অসমত এতিয়াও এনআৰচি আনুষ্ঠানিকভাৱে ঘোষণা কৰা নহ'ল। সেয়ে SIR কৰিব পৰা নাই। আগন্তুক বছৰৰ মাজভাগত এনআৰচিৰ চূড়ান্ত তালিকা প্ৰকাশ পোৱাৰ পিছতে অসমত SIR প্ৰক্ৰিয়া আৰম্ভ হ'ব।" তেওঁ লগতে জানিবলৈ দিয়ে যে, বৰ্তমানৰ ভোটাৰ তালিকাত বহু মৃত ব্যক্তি, বিয়া হৈ অন্য ঠাইলৈ যোৱা নাৰী, সৰু ল'ৰা-ছোৱালী আদি অযোগ্য ব্যক্তিৰ নামো অন্তৰ্ভুক্ত হৈ আছে। এইবাৰৰ SR প্ৰক্ৰিয়াত বুথ লেভেল অফিচাৰসকলে প্ৰতিটো ঘৰলৈ গৈ পৰিয়ালৰ সদস্যৰ নাম, ঠিকনা, মৃত ব্যক্তিৰ তথ্য আদি সংগ্ৰহ কৰিব। ফলত ৰাজ্যই এখন যথেষ্ট শুদ্ধ ভোটাৰ তালিকা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ স্পষ্ট কৰে, "SR প্ৰক্ৰিয়াত নাগৰিকত্ব পৰীক্ষা কৰা নহয়। কিন্তু এনআৰচি প্ৰকাশৰ পিছত যেতিয়া SIR হ'ব, তেতিয়া প্ৰতিজন ভোটাৰৰ নাগৰিকত্ব পৰীক্ষা কৰা হ'ব। SRৰ পিছত SIR হ'লে অসমে অতি শুদ্ধ ভোটাৰ তালিকা পাব।" উল্লেখ্য যে, আজিৰে পৰা আৰম্ভ হোৱা এই বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ ম্যাদ কাল ১ জানুৱাৰী, ২০২৬ তাৰিখক ভিত্তি হিচাপে লৈ কৰা হ'ব। এই তাৰিখৰ পূৰ্বে বা তাৰিখৰ দিনা ১৮ বছৰ পূৰ্ণ হোৱা সকলো যোগ্য নাগৰিকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাটোৱে অসমৰ ৰাজনৈতিক পৰিৱেশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে।

## ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণক লৈ নিৰ্বাচন

নেতাই কয়, "অসমত ইতিমধ্যে এনআৰচি সম্পূৰ্ণ হৈছে। তাৰ পিছতো এছআইআৰৰ প্ৰয়োজন নাই বুলি দেশৰ মুখ্য নিৰ্বাচন আয়ুক্তেও পূৰ্বতে স্পষ্টভাৱে কৈছিল। তথাপি বিহাৰ নিৰ্বাচনৰ ঠিক পাছতে হঠাৎ এই সিদ্ধান্ত লোৱাটো অতি সন্দেহজনক।" কংগ্ৰেছ নেতাসকলে লগতে অভিযোগ কৰে যে নিৰ্বাচন আয়োগে শেহতীয়াকৈ জাৰি কৰা নিৰ্দেশিকাত বিএলএ (বুথ লেভেল এজেণ্ট)ৰ ভূমিকা সীমিত কৰি দিছে। পূৰ্বৰ নিয়ম অনুসৰি বিএলঅ' (বুথ লেভেল অফিচাৰ)ৰ লগত বিএলএ থাকি পৰ্যবেক্ষক হিচাপে থাকিব লাগিছিল। কিন্তু নতুন নিৰ্দেশিকাত খচৰা ভোটাৰ তালিকা প্ৰকাশৰ পিছতহে বিএলএসকলক অন্তৰ্ভুক্ত কৰাৰ কথা কোৱা হৈছে। "এয়া সম্পূৰ্ণ নিয়মবিৰোধী। কাইলৈৰ পৰাই প্ৰতিটো পৰ্যায়তে বিএলএসকলক অন্তৰ্ভুক্ত কৰিব লাগে, "বুলি দাবী জনায় কংগ্ৰেছে। ৰকিবুল হুছেইনে কয়, "এনে কৰিলে বিহাৰৰ দৰে পৰিস্থিতি সৃষ্টি কৰাৰ চেষ্টা চলিছে বুলি আমি ভাবিবলৈ বাধ্য হম। কিছুমান নিৰ্দিষ্ট সম্প্ৰদায়ৰ লোকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়াৰ ষড়যন্ত্ৰৰ আশংকা আমাৰ আছে।" ৰিপুন বৰাই লগতে কয়, "প্ৰতিটো নিৰ্বাচনৰ আগতে সাৰাংশ পুনৰীক্ষণেই হৈ আহিছে। হঠাৎ বিশেষ নিবিড় পুনৰীক্ষণৰ নামত এই প্ৰক্ৰিয়া আৰম্ভ কৰাটোৱে নিৰ্বাচন আয়োগৰ নিৰপেক্ষতাৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে।" কংগ্ৰেছে এই বিষয়ে নিৰ্বাচন আয়োগৰ ওচৰত লিখিত আপত্তি দাখিল কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে আইনী পদক্ষেপ লোৱাৰ কথাও জনাইছে।

## ১ জানুৱাৰী ২০২৬ক ভিত্তি দিন

হৈছে। এই প্ৰক্ৰিয়াৰ জৰিয়তে যিসকল নাগৰিকে ২০২৬ চনৰ ১ জানুৱাৰীত ১৮ বছৰ বয়স পূৰ্ণ কৰিব, তেওঁলোকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ লগতে মৃত, স্থানান্তৰিত আৰু ডুপ্লি-কেট নাম আঁতৰোৱা হ'ব। আজিৰ পৰা প্ৰয়োজনীয় নথি-পত্ৰৰ ছপা আৰু বুথ লেভেল অফিচাৰ (BLO) সকলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। আগন্তুক ২২ নৱেম্বৰৰ পৰা BLOসকলে ঘৰে ঘৰে গৈ তথ্য যাচাই কৰিব। ২৭ ডিচেম্বৰত খচৰা তালিকা প্ৰকাশ পাব আৰু দাবী-আপত্তি নিষ্পত্তিৰ পিছত ২০২৬ চনৰ ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচন কমিচনৰ এই সিদ্ধান্তক উষ্ম আদৰণি জনাই কয়, "এই বিশেষ সংশোধনীৰ ফলত অসমে এখন সম্পূৰ্ণ শুদ্ধ, নিকা আৰু আধুনিক ভোটাৰ তালিকা লাভ কৰিব। ৰাজ্য চৰকাৰে এই কামত নিৰ্বাচন কমিচনক সম্পূৰ্ণ সহযোগিতা আগবঢ়াব। "উল্লেখ্য যে, অসম চুক্তিৰ অধীনত নাগৰিকত্বৰ বিশেষ ধাৰা (Section 6A) থকাৰ বাবে ইতিপূৰ্বে নিৰ্বাচন কমিচনে অসমক এই বিশেষ সংশোধনীৰ পৰা বাদ দি ৰাখিছিল। যোৱা মাহতহে কমিচনে গুজৰাট, মধ্যপ্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, তামিলনাডুকে ধৰি একাধিক ৰাজ্যত এই প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। এতিয়া অসমো সেই তালিকাত সন্নিৱিষ্ট হোৱাত ৰাজনৈতিক মহলত বহুল চৰ্চা আৰম্ভ হৈছে। নিৰ্বাচনী বিশে-ষকসকলৰ মতে, এই সংশোধনীয়ে অসমৰ ভোটাৰ তালিকাক অধিক সঠিক আৰু বিশ্বাসযোগ্য কৰি তুলিব আৰু আগন্তুক নিৰ্বাচনী প্ৰক্ৰিয়াত ইয়াৰ প্ৰভাৱ পৰিব বুলি তেওঁলোকে মত প্ৰকাশ কৰিছে।

## তোলনীয়া সন্তান নিৰ্যাতন গোচৰত

যে, ২০২৩ চনৰ মে' মাহত সংগীতা দত্ত আৰু তেওঁৰ স্বামী ডাঃ ৱালিউল ইছলামৰ বিৰুদ্ধে তেওঁলোকৰ তোলনীয়া কন্যা সন্তানক (তেতিয়া মাত্ৰ ১৪ বছৰীয়া) বৰ্বৰ নিৰ্যাতন চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। এই ঘটনাই ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। পল্টনবজাৰ আৰক্ষীয়ে ২০২৩ চনৰ ৫ মে'ত প্ৰথমে ডাঃ ৱালিউল ইছলামক গ্ৰেপ্তাৰ কৰে আৰু পিছদিনা ৬ মে'ত খানাপাৰাৰ পৰা ডাঃ সংগীতা দত্তক গ্ৰেপ্তাৰ কৰিছিল। দুয়োগৰাকী চিকিৎসকৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ লগতে POCSO আইনৰ একাধিক কঠোৰ ধাৰা সন্নিৱিষ্ট কৰি গোচৰ ৰুজু কৰা হৈছিল। আদালতৰ নিৰ্দেশত দুয়োগৰাকীকে গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল। ইতিমধ্যে ডাঃ ৱালিউল ইছলামে কেইমাহমান পূৰ্বে জামিন লাভ কৰিছিল যদিও ডাঃ সংগীতা দত্তৰ জামিনৰ আবেদন বাৰে বাৰে নাকচ হৈ আহিছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰপতিৰ এখন খণ্ড বিচাৰপীঠে দীৰ্ঘ শুনানিৰ অন্তত ডাঃ সংগীতা দত্তৰ জামিন আবেদন মঞ্জুৰ কৰে। আদালতে কেইবাটাও চৰ্ত সাপেক্ষে এই জামিন মঞ্জুৰ কৰা বুলি জানিব পৰা গৈছে। এই গোচৰত তদন্ত প্ৰক্ৰিয়া এতিয়াও চলি আছে আৰু আগন্তুক দিনত চাৰ্জশ্বীট দাখিলৰ সম্ভাৱনা আছে বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

## জীৱন জীৱন বৰ অনুপম

মহিমা। এই পৃথিৱীত তেৱাই কত শত সহস্ৰ যে জীৱ সৃষ্টি কৰিছে আৰু সিবোৰৰ ভোগ বিলাসৰ আহিলা উপকৰণ উদ্ভাৱন কৰিছে যে সকলোৱে ৰুচি আৰু তৃপ্তি বেলেগ বেলেগ। কিন্তু আচৰিত কথাটো হৈছে মনুষ্য জাতিক ভগৱন্তই কেতবোৰ অতি বৈচিত্ৰ্যময় শক্তি প্ৰদান কৰিছে, সেয়া হৈছে - বুদ্ধি, বিবেক, জ্ঞান, গৰিমা, প্ৰতিভা, মনীষা, অভিজ্ঞতা আৰু বিবেচনা আদি। অন্যান্য জীৱ-জন্তুবিলাকৰ মানুহৰ দৰে আহাৰ, মৈথুন, তৃপ্তি আৰু নিদ্ৰাদিৰ বাহিৰে বাকী মানুহৰ মাজত থকা উপৰ্যুক্ত ব্যাপাৰসমূহ স্বৰূপতে নাই। বহু বহু শিক্ষণ, অনুশীলন আদিৰ ফলত চাৰ্কাচত ক্ৰিয়া কৰ্ষণ কৰা মুষ্টিমেয় কিছু কিছু জীৱ-জন্তুৰ বাহিৰে বাকীবোৰৰ একো অনুভূতি নাই। গতিকেহে মানুহ আৰু জীৱ-জন্তুৰ মাজত নানান দিশত অমিল পৰিলক্ষিত হয়। সেইকাৰণে মানুহক এই পৃথিৱীত জীৱশ্ৰেষ্ঠ প্ৰাণী বুলি কোৱা হয়।

সৌভাগ্যবশত: এই পৃথিৱীত মানৱ জাতিয়ে মানুহৰ আকাৰ-আকৃতিয়ে মানুহ ৰূপত জন্মগ্ৰহণ কৰিছে, ঈশ্বৰপ্ৰদত্ত বুদ্ধি বিবেক খটুৱাই মানৱতাৰ কাম-কৰ্মৰে জীৱন অতিবাহিত কৰাৰ সুযোগ লাভ কৰিছে। মানুহৰ শৰীৰত যিহেতুকে জীৱশ্ৰেষ্ঠ মানুহৰ এটা চাপ বা মোহৰ আছে, গতিকে মানুহৰ কাম-কৰ্মবোৰ সদায় সত্য, শুদ্ধ, সভ্য, শিক্ষিত, বিবেকবান তথা মানৱীয় গুণৰাশিৰ অধিকাৰী হ'বই লাগিব। মানুহে অন্যান্য প্ৰাণীৰ দৰে খাব, শুব আৰু বংশ বিস্তাৰৰ ক্ষমতা বা সক্ষমতা লাভ কৰাৰ উপৰিও একোখন সভ্য, শিক্ষিত, সুস্থ সমাহিত সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰটো সদা সক্ৰিয় হ'বই লাগিব। মানুহৰ মন-মগজুত জ্ঞান কৰ্ষণৰ একোটা ভেঁটি বা বুনিয়াদ থকাৰ বাবেই মানুহ বিজ্ঞানী, দাৰ্শনিক, জ্যোতিষী, মনীষী তথা অসাধাৰণ সৃষ্টিকাৰক হ'বগৈ পাৰিছে। এয়াই মানুহৰ মাজত উন্নতি, উদ্গতি আৰু ক্ৰমবিকাশৰ জখলা বগাব পৰা একো একোটা স্তৰ বিভাজন। মানুহে এনেবোৰ স্তৰ অতিক্ৰম কৰি জগতত ন ন আৱিষ্কাৰ উদ্ভাৱন কৰিব পৰা যি যিবোৰ কৌশল, কৰ্ষণ আৰু শ্ৰম অনুশীলন, ইবোৰ কাৰ্যকৰণ প্ৰণালীৰ জৰিয়তেই মানুহ এই পৃথিৱীত মহামানৱ হ'বগৈ পাৰে। প্ৰকৃত মানুহৰ গাত থাকিবলগীয়া জ্ঞান, গুণ-গৰিমাৰ যোগাত্মক কাম-কাজবোৰৰ দ্বাৰাই মানুহে জগতত জ্ঞানী, মানী, যশস্বী হোৱাৰ উপৰিও স্বৰূপাৰ্থত খ্যাতিমন্ত হ'ব পাৰে, জগতত নিজৰ নাম যুগমীয়া কৰি যাব পাৰে।

সামগ্ৰিকভাৱে মানুহৰ জীৱনটো বহু বেছি দীঘলীয়া নহয়। খুউব বেছি এশযনৱৈযআশী, সত্তৰতে জীৱন নাটৰ যৱনিকা পেলাব লগীয়া হয় বা পট পেলাব লগীয়া হয়। এনে একোটা জীৱন কালৰ ভিতৰতে মানুহে জীৱশ্ৰেষ্ঠ প্ৰাণী হিচাপে বহু কাম সম্পন্ন কৰিব লগা হয়। শিক্ষা-দীক্ষা লোৱা, কৰ্মসংস্থাপন বা নিযুক্তি লাভ কৰা, বিয়া-বাৰু পাতি ঘৰ-সংসাৰী হোৱা, বংশ বৃদ্ধি কৰা, পৰিয়াল প্ৰতিপালন কৰাকে মুখ্য কৰি সংসাৰৰ নানানটা সমস্যাৰ সমাধানকল্পে আত্মনিয়োগ কৰা আদি মানুহৰ সমাজত অনেক কৰণীয় থাকে। সৰহসংখ্যক লোকে ইবোৰৰ মাজতে নিজক সততে ব্যস্ত ৰাখি কম সময়ৰ ভিতৰতে এই নৰ-নাট সামৰিব লগাই হয়। মূৰকত এনেহে হয়গৈ যে "আহিল কণা গ'ল কণা, খাগৰি কাটিলো তিনিকণা।" ইবোৰতে জীৱন-জীৱিকাৰ নৌকা যাত্ৰা কৰি থাকোঁতেই মৃত্যুৰ পাছত এই জগতত নাম ৰাখি যাব পৰাকৈ একো উল্লেখনীয় কামকে কৰি যাব নোৱাৰেগৈ। উপৰোৱাকৈ হিচাপ কৰি চালে জীৱনৰ অংকটো এনেকুৱাই হয়।

"জীৱন জীৱন বৰ অনুপম।" এই মনুষ্য জনম লাভ কৰাটো যথাৰ্থতেই এটা পুণ্যৰ ফল। কোনোবা জনমত হয়তো কিবা এটা ভাল কাম কৰাৰ বাবেই মনুষ্য জনম পায়, এই কথা প্ৰায়বোৰ মানুহেই একান্তভাৱে বিশ্বাস কৰে। সেয়ে মনুষ্য জনম পাই মানুহে সদায় ভাল কাম কৰি, সৎ পথত চলি প্ৰকৃত অৰ্থত মানুহ হ'বলৈ যত্ন কৰিব লাগে। এটা কথা সৰ্বজনবিদিত যে ঈশ্বৰ প্ৰদত্ত প্ৰতিজন মানুহৰ গাতেই কিছুমান গুণ থাকে, প্ৰতিভা আৰু মনীষা থাকে। সমাজ জীৱনৰ ব্যৱহাৰিক মঞ্চত কেতবোৰ অনুকূল মাধ্যম গঢ় দি ইবোৰৰ প্ৰকাশ আৰু বিকাশ লাভ কৰাৰ ক্ষেত্ৰত পাৰ্যমানে চেষ্টা কৰিব লাগিব, অহোপুৰুষাৰ্থ কৰিব লাগিব। আমি এটা কথা জানোৱেই যে যিসকল স্বনামধন্য লোকে ভিন ভিন দিশত পাৰদৰ্শী হ'ব পাৰিছে, জগতত নিজৰ নাম উজলাব পাৰিছে, সেইসকল লোকে নিশ্চয়কৈ মনুষ্য জীৱনৰ অৰ্থ-তত্ত্ব বুজি লৈ অবিৰতভাৱে কৰ্মযজ্ঞত আত্মনিয়োগ কৰিব পাৰিছে। জীৱনটোক মানুহে কেতিয়াও মাথোন দৈহিক উপভোগৰ উপকৰণ কৰি চলিলে নহ'ব। এটা কথা সৰ্বজনে জনা ভাল যে মানুহে মাথোন দেহৰ জুতি লৈ কালাতিক্ৰম কৰাতকৈ মন মানসিকতাৰ জুতি বিচাৰি নিজে মত্ত হ'ব পাৰিলেই জীৱনৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব পাৰিব। এনে অৰ্থতহে কোৱা হৈছে যে - "জীৱন জীৱন বৰ অনুপম।"

## বিজেপিক উৎখাত কৰিবলৈ ঐক্যবদ্ধ বিৰোধী দলসমূহ

আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰক ক্ষমতাৰ পৰা উৎখাত কৰিবলৈ বিৰোধী দলসমূহ দৃঢ়প্ৰতিজ্ঞ। বিহাৰৰ ফলাফলে অসমৰ ৰাজনৈতিক পৰিৱেশত কোনো প্ৰভাৱ নেপেলায় বুলি স্পষ্ট কৰি বিৰোধী নেতাসকলে একেলগে যুঁজ দিয়াৰ আহ্বান জনাইছে। ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে এই সন্দৰ্ভত কয়, "বিহাৰৰ নিৰ্বাচনৰ ফলাফলে অসমৰ ৰাজনীতিত একো প্ৰভাৱ পেলোৱা নাই। আমি অসমত বিজেপিক ক্ষমতাৰ পৰা আঁতৰাই পেলাবলৈ সম্পূৰ্ণৰূপে দৃঢ়প্ৰতিজ্ঞ। তৃণমূল পৰ্যায়ৰ পৰাই বিৰোধী দলসমূহৰ মাজত ঐক্য গঢ়ি তুলিব লাগিব।" যোৱা সপ্তাহত গুৱাহাটীত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত কংগ্ৰেছ, অসম জাতীয় পৰিষদ (অজপ), ৰাইজৰ দল, চিপিআই, চিপিএম, চিপিএমএল লিবাৰেচনকে ধৰি প্ৰধান আঠটা বিৰোধী দলে এক মঞ্চত মিলিত হৈছিল। বৈঠকত উপস্থিত থকা অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে কয়, "বিজেপি নেতৃত্বাধীন চৰকাৰৰ অপশাসন, দুৰ্নীতি আৰু জনবিৰোধী নীতিৰ বিৰুদ্ধে সকলো বিৰোধী দলে হাতে হাতে মিলাই যুঁজ দিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমৰ সামাজিক তন্ত্ৰ ধ্বংস কৰাৰ চেষ্টা চলিছে। এই চৰকাৰৰ পৰা ৰাইজক মুক্ত কৰাটোৱেই আমাৰ মূল লক্ষ্য।" ৰাজ্যসভাৰ সাংসদ তথা অসম জাতীয় পৰিষদৰ নেতা অজিত কুমাৰ ভূঞাই কয়, "বিজেপি ক্ষমতালৈ অহাৰ পৰাই ৰাজ্যত ধৰ্মীয় বিভাজনৰ ৰাজনীতি চলিছে। চৰকাৰে সদায় নিজৰ অপশাসনৰ বিৰুদ্ধে মাত মতাসকলক লক্ষ্য কৰি লয়। ২০২৬ত এই চৰকাৰক পৰাজিত কৰাটো সময়ৰ দাবী।" বিৰোধী দলসমূহে ইতিমধ্যে আসন ভাগ-বতৰাৰ বিষয়ে এতিয়াও চূড়ান্ত সিদ্ধান্ত লোৱা নাই যদিও শীঘ্ৰেই এই বিষয়ে বিস্তৃত আলোচনা আৰম্ভ হ'ব বুলি জানিব পৰা গৈছে। লগতে ৰাজ্যৰ চুকে-কোণে যুটীয়া জনসভা, পথসভা আৰু প্ৰচাৰ অভিযানৰ জৰিয়তে জনসাধাৰণৰ মাজলৈ যোৱাৰ পৰিকল্পনা কৰা হৈছে। উল্লেখ্য যে, ২০২১ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এনডিএই ১২৬খন আসনৰ ভিতৰত ৭৫খন আসন লাভ কৰি টানকৈ ক্ষমতা দখল কৰিছিল। আনহাতে, কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটে মাত্ৰ ৫০খন আসন লাভ কৰিছিল। এইবাৰ বিৰোধী শিবিৰত নতুন আঞ্চলিক শক্তিৰ যোগদানৰ ফলত ৰাজনৈতিক সমীকৰণ সলনি হ'ব পাৰে বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে। আগন্তুক নিৰ্বাচনলৈ এতিয়াৰ পৰাই বিৰোধী দলসমূহৰ এই ঐক্যৰ প্ৰক্ৰিয়াই অসমৰ ৰাজনীতিত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে।

## জুবিন গাৰ্গৰ জন্মদিনত ৰক্তদান কৰি পাৰ্কৰ

সাপেক্ষে এখন অতি সুন্দৰ স্মৃতি উদ্যান গঢ়ি তোলা হ'ব। এই পাৰ্কখন যাতে অতি আকৰ্ষণীয় হয়, তাৰ বাবে বিশেষ গুৰুত্ব দিয়া হ'ব।" হাগ্ৰামা মহিলাৰীয়ে লগতে ঘোষণা কৰে যে, বিটিচি অঞ্চলত সাংস্কৃতিক তথা ঐতিহ্যৰ প্ৰতীকস্বৰূপে ড° ভূপেন হাজৰিকাৰ এখন প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব। ইয়াৰ উপৰি গোসাঁইগাঁৱত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত এটা সাংস্কৃতিক ভৱনো নিৰ্মাণ কৰা হ'ব। জুবিন গাৰ্গৰ শৈশৱ আৰু ছাত্ৰজীৱনৰ স্মৃতি জড়িত বিজনী আৰু তামোলপুৰৰ স্কুলসমূহৰ প্ৰতিও বিশেষ দায়বদ্ধতা প্ৰকাশ কৰে মহিলাৰীয়ে। তেওঁ কয়, "জুবিনে পঢ়া-শুনা কৰা বিজনী কলেজ আৰু তামোলপুৰৰ স্কুলত কোনো ধৰণৰ অভাৱ নহয়। এই শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনিৰ সম্যক উন্নয়ন সাধন কৰা হ'ব।" জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনাই হাগ্ৰামা মহিলাৰীয়ে কয়, "জুবিন আছিল এজন সৰল, সহৃদয় আৰু অসমৰ প্ৰাণৰ শিল্পী। তেওঁৰ গীতে আজিও লাখ লাখ অসমীয়াৰ হৃদয়ত বাস কৰে। তেওঁৰ নামত গঢ় লৈ উঠা এই স্মৃতি উদ্যানে যাতে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ জুবিনৰ স্মৃতি জীয়াই ৰাখে, সেইটোৱে আমাৰ লক্ষ্য।" আজিৰ দিনটোত বিটিচিৰ বিভিন্ন স্থানতো জুবিনৰ ভক্তসকলে ৰক্তদান, বৃক্ষৰোপণ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

# শোণিতপুৰ জিলাৰ জামুগুৰি-হাটত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, নদুৱাৰ, ১৮ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ অন্তৰ্গত ধলাইবিল-নাহৰবাৰী পথাৰ জ্যোতি-বিষ্ণু সমন্বয় ক্ষেত্ৰত ২০২৬ বৰ্ষৰ ৬, ৭ আৰু ৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব উত্তৰপূৰ ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয় সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন। অধিৱেশনৰ উদ্দেশ্যে জ্যোতি-বিষ্ণু সমন্বয় ক্ষেত্ৰত দহ সহস্ৰাধিক হেজাৰ হেজাৰ ভকত বৈষ্ণৱৰ উপস্থিতিত যোৱা ১৬ নৱেম্বৰত পুৱা ১০ বজাত পৱিত্ৰ লাইখুঁটা স্থাপন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মহামান্য পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ প্ৰধান আচাৰ্য, কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য নিয়ন্ত্ৰক ভবেন্দ্ৰনাথ ডেকাই। হৰিনাম, আয়তীৰ উৰুলি, খোল-তাল, শংখ ধ্বনীৰে বৈকুণ্ঠপুৰীলৈ পৰিণত অনুষ্ঠানটিত উপস্থিত থাকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ উপ-পদাধিকাৰ চন্দ্ৰ হাজৰিকা, প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া, যুটীয়া সম্পাদক দেবাঞ্জন বৰা, তোযেশ্বৰ বৰা, মুখ্য অধিনায়ক সঞ্জীৱ বৰা, শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অশোক কুমাৰ বৰা, মূলৰ বিষয়ববীয়া, কেন্দ্ৰীয় সেৱাবাহিনীৰ বিষয়ববীয়া আৰু আদৰণী সমিতিৰ সভাপতি প্ৰভাকৰ বৰ্মন, কাৰ্যকৰী সভাপতি নদুৱাৰ বিধানসভা সমষ্টিৰ বিধায়ক, চতিয়াৰত্ন পদ্ম হাজৰিকা, সাধাৰণ সম্পাদক বিপুল বৰা, যুটীয়া সম্পাদক মানসপ্ৰতিম বৰা, মৌচুমী কাকতি, তেজপুৰ জিলা শাখাৰ সভাপতি ডাঃ সুনন্দ তামোলী, সম্পাদক প্ৰদীপ ৰায় আদিৰ লগতে আদৰণী সমিতি, জিলা সমিতি, শাখা সমিতিৰ বিষয়ববীয়া, বিভিন্ন জিলাৰ সভাপতি, সম্পাদক আৰু বাপ-বান্ধৱ, আইমাতৃ, সেৱক-সেৱিকাসমস্ত। লাইখুঁটা স্থাপন কৰি পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকাই উত্তৰপূৰ ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয় সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ পতাকাৰ তলত আজি সকলো একত্ৰিত হৈ সমন্বয়ৰ সেতু টনকিয়াল কৰা বুলি মত ব্যক্ত কৰাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ ৰাইজৰ উপস্থিতিয়ে জ্যোতি-বিষ্ণু সমন্বয় ক্ষেত্ৰ বৈকুণ্ঠপুৰীলৈ ৰূপান্তৰ কৰে বুলি মন্তব্য দিয়ে। লাইখুঁটা স্থাপন অনুষ্ঠানৰ পাছতেই কাঠবাৰী খেলপথাৰত পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকাৰ সভাপতিত্বত এখনি বিশাল সভা অনুষ্ঠিত হয়। এটি বৰগীতৰে শুভাৰম্ভ হোৱা সভাখনত আদৰণী ভাষণ প্ৰদান কৰে আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি পদ্ম হাজৰিকাই। সভাখন উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই। সভাখনতেই অধিৱেশনৰ শীৰ্ষ গীত আনুষ্ঠানিকভাৱে মুকলি কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ শঙ্কৰী সংস্কৃতি গৱেষণা পৰিষদৰ সভাপতি পৱিত্ৰ প্ৰাণ বৰাই। বহু কেইগৰাকী সন্মানীয় বিশিষ্ট অতিথি, বাপ-বান্ধৱ, আইমাতৃ, যুৱক-যুৱতী আৰু সেৱক-সেৱিকাসমস্তৰ উপস্থিতিয়ে সভাখন সাফল্যমণ্ডিত কৰি সফল সমাপ্তি ঘটায়।

# হাজোত বিধায়িকা সুমন হৰিপ্ৰিয়াৰ উদ্যোগত জুবিন গাৰ্গ সোঁৱৰণী ফুটবল খেল

**অসম বাৰ্তা, হাজো, ১৮ নৱেম্বৰ ঃ** অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ উদ্যোগত আৰু দমদমা ক্ৰীড়া সন্থাৰ সহযোগিতা আজি পি এমশ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হয় এখন প্ৰীতি ফুটবল খেল। দিনৰ তিনি বজাত অনুষ্ঠিত হোৱা আমন্ত্ৰণমূলক খেলখনত অংশ লয় নংগ্ৰিম হিলচ শ্বিলং আৰু বৰপেটা বাৰাদি ফুটবল দলে। বিধায়িকা সুমন হৰিপ্ৰিয়াই শুভাৰম্ভ কৰা খেলখনত স্থানীয় বিজেপিৰ নেতা-কৰ্মীসকলৰ লগতে স্থানীয় ক্ৰীড়াপ্ৰেমী ৰাইজ উপস্থিত থাকে। আনহাতে অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি তথা পৱিত্ৰ স্মৃতি সজীৱ কৰি ৰখাৰ উদ্দেশ্যে দমদমা সাহিত্য সভা আৰু দমদমা ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত নিৰ্মীয়মান 'তুলসী প্ৰসাদ ভৱন' প্ৰাংগন, পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগন আৰু দমদমা মহাবিদ্যালয় প্ৰাংগনত শিল্পী গৰাকীৰ মৰমৰ নাহৰ গছৰ পুলি ৰোপণ কৰে। এই নাহৰ পুলি ৰোপণ কৰে দমদমা সাহিত্য সভাৰ সভাপতি বাবুল চন্দ্ৰ দাস আৰু দমদমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰঞ্জন শৰ্মাই। বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে— দমদমা সাহিত্য সভাৰ সম্পাদক বিনোদ মালাকাৰ, সহঃ সম্পাদক মাধৱ চন্দ্ৰ দাস, প্ৰাক্তন সভাপতি কনক শৰ্মা, কোষাধ্যক্ষ ধৰণী কলিতা, পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী বন্তিবড়া ডেকা, পংকজ শৰ্মা, প্ৰমোদ চন্দ্ৰ দাস, কুমুদ ডেকা, ৰাজেন মেধি, কাৰ্তিক চৌধুৰী, দমদমা মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ৰুমী কলিতা, গ্ৰন্থাগাৰিক ড° ববিতা কলিতা প্ৰমুখ্যে আন কেবাগৰাকী অধ্যাপিকাই। ইফালে অসম নাট্য সন্মিলন হাজো শাখাই চন্দ্ৰমা হোটেল এণ্ড ৰেষ্টুৰেণ্টৰ সভাগৃহত আজি অসমীয়াৰ প্ৰাণৰ শিল্পী যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মজয়ন্তী আৰু বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপন কৰে। তদুপলক্ষে অসম নাট্য সন্মিলন হাজো শাখাৰ সভাপতি বাবুল মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এক সভাত অসম নাট্য সন্মিলনৰ সাংগাঁথনিক সম্পাদক কিচিন দাস, সমাজসেৱক উদ্ধৱ বৈশ্য, গজেন বৈশ্য, মহানন্দ দাস, মনোৰঞ্জন মেধি, বিবেকানন্দ দাসে দুয়োজনা বৰেণ্য শিল্পীৰ স্মৃতি ৰোমন্থন কৰে। সভাৰ আত ধৰে কিচিন দাসে। সভাৰ পূৰ্বে পুৱাৰ ভাগত জুবিন গাৰ্গৰ আৰু ড° ভূপেন হাজৰিকাৰ প্ৰতিকৃতিত মাল্যৰ্পণ তথা বন্তি প্ৰজ্বলন কৰে গজেন বৈশ্যই। জুবিন গাৰ্গৰ স্মৃতিত নাহৰ গছ ৰোপণ কৰে চন্দ্ৰমা হোটেল এণ্ড ৰেষ্টুৰেণ্টৰ স্বত্বাধিকাৰী মনোৰঞ্জন মেধিয়ে।

## প্ৰান্তে-প্ৰান্তে জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন



# মাকুমত এটা ভাড়াঘৰত উদ্ধাৰ হোৱা যুৱকৰ মৃতদেহক লৈ চাঞ্চল্যৰ সৃষ্টি

**অসম বাৰ্তা, মাকুম, ১৮ নৱেম্বৰ ঃ** আজি মাকুম টেঙাপানী পথৰ মাকুম জাতীয় বিদ্যালয়ৰ সন্মুখত থকা এটা ভাড়াতীয়া ঘৰত এখন চিলিং ফেনত চিপজৰী লোৱা অৱস্থাত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৃত যুৱকজন মাকুম বজালনী নগাঁৱৰ বিপ্লৱ বৰুৱা( ২৩)বুলি জানিবলৈ পৰা যায়। মৃত বিবাহিত যুৱক জনে কেইমাহমানৰ পৰা কৰ্মসূত্ৰে পত্নী আৰু এটি পুত্ৰ সন্তানৰ সৈতে ভাড়াতীয়া হিচাপে আছিল। নিশা পত্নীৰ সৈতে কাজিয়াৰ সূত্ৰপাত ঘটি উক্ত ঘটনাটো সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে যুৱক জনৰ পৰিয়ালে। ইয়াৰ পূৰ্বতেও পত্নীৰ সৈতে প্ৰায় বিভিন্ন কাৰণত কাজিয়া পেছাল চলিছিল বুলি আত্মীয়ই জানিবলৈ দিয়ে। ঘটনাস্থলীত মাকুম থানাৰ আৰক্ষী উপস্থিত হৈ দণ্ডাধীশৰ উপস্থিতিত যুৱক জনৰ মৃতদেহটো তদন্ত কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। মৰণোত্তৰ পৰীক্ষা আৰু আৰক্ষীৰ স্বৰজমিন তদন্তৰ পাছতহে যুৱক জনৰ মৃত্যুৰ প্ৰকৃত তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। ইপিনে যুৱক জনক প্ৰেমজনীত কাৰণত পৰিকল্পিত ভাৱে হত্যা কৰা হৈছে বুলি যুৱক জনৰ জ্যেষ্ঠ ভাতৃয়ে সংবাদ মাধ্যমৰ আগত দাবী কৰে। এজন কমবয়সীয়া বিবাহিতা যুৱকৰ এনেধৰণেৰে মৃত্যু হোৱাত বিভিন্ন ধৰণৰ প্ৰশ্ন উথাপিত হৈছে।

# উত্তৰ-পূব সীমান্ত ৰে'লৱে বিজয়ী

# প্ৰথম বাৰ্ষিক টচেন বড়া সোঁৱৰণি আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, নাহৰকটীয়া, ১৮ নৱেম্বৰ ঃ** ভাৰতৰ ৰাষ্ট্ৰীয় ফুটবল দলত অন্তৰ্ভুক্ত হোৱা প্ৰথম অসমীয়া টচেন বড়াৰ সোঁৱৰণত নাহৰকটীয়া ক্ৰীড়া সন্থাৰ সজৌন্যত ৪ নৱেম্বৰৰ পৰা আয়োজন কৰা প্ৰথম বাৰ্ষিক টচেন বড়া সোঁৱৰণি আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাখন সমাপ্তি হয়। ইউনাইটেড চিৰাঙ দুৱাৰ ফুটবল দল আৰু উত্তৰপূব সীমান্ত ৰেলৱে মাজত অনুষ্ঠিত চূড়ান্ত খেলত উপস্থিত থাকে অসম চৰকাৰৰ ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা, কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালা, বিধায়ক টেৰছ গোৱাল, অসম ক্ৰীড়া সন্থাৰ সভাপতি, বিধায়ক তথা নাহৰকটীয়া ক্ৰীড়া সন্থাৰ সভাপতি তৰংগ গগৈ, অসম ফুটবল সন্থাৰ উপ সভাপতি শান্তনু ভৰালী। প্ৰায় বিশ হাজাৰ দৰ্শকে উপভোগ কৰা প্ৰতিযোগিতাখনৰ শুভাৰম্ভ অনুষ্ঠানত ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই এহাজাৰ সংগীত শিল্পীয়ে দুয়োজন শিল্পীৰ গীত পৰিৱেশ কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক প্ৰতিযোগীখনত উত্তৰ পূব ৰে'লৱে দলে ইউনাইটেড চিৰাঙ দুৱাৰ ফুটবল দলক ৩-০ গলত পৰাস্ত কৰে। খেলৰ দ্বিতীয়াৰ্ধত ৰে'লৱেৰ হৈ সৌভিক কৰ, শিৱৰা নাৰ্জাৰী আৰু দেৱজিৎ বাছাকৰ গলৰ জৰিয়তে ৰে'লৱে জয় সাব্যস্ত কৰিবলৈ সক্ষম হয়।

# বৰকলা আদৰ্শ লালুংগাঁৱত বীৰছা মুণ্ডাৰ জন্মজয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ১৮ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় যুৱবঁটা বিজয়ী সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ জনজাতি মন্ত্ৰালয়ৰ সহযোগত জনজাতীয় গৌৰৱ দিৱস উপলক্ষে যোৱা ১৪, নৱেম্বৰ তাৰিখে স্বাধীনতা সংগ্ৰামী বীৰছা মুণ্ডাৰ ১৫১ সংখ্যক জন্মজয়ন্তীৰ লগত সংগতি ৰাখি সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাই পৰিচালনা কৰি থকা নগাঁও জিলাৰ বৰকলা আদৰ্শ লালুংগাঁৱত অৱস্থিত ড° বি. আৰ. আম্বেদকাৰ জনজাতি বিদ্যাপীঠত বিভিন্ন কাৰ্যসূচীৰে গৌৰৱ দিৱসটি আৰু পণ্ডিত জৱাহৰলাল নেহেৰুৰ জন্মজয়ন্তী শিশু দিৱস উদ্‌যাপন কৰা হয়। দিৱস উপলক্ষে বীৰছা মুণ্ডা আৰু নেহেৰুৰ প্ৰতিচ্ছবিত মাল্যপ্ৰদান, বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতে সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকাৰ সভাপতিত্বত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক সকলৰ উপস্থিতিত অনুষ্ঠিত এক আলোচনা সভাত স্বাধীনতা সংগ্ৰামী বীৰছা মুণ্ডা আৰু পণ্ডিত জৱাহৰলাল নেহেৰুৰ জীৱনাদৰ্শৰ ওপৰত বক্তব্য আগবঢ়াই সন্থাৰ ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথ, সন্থাৰ উপ সভাপতি শশীন্দ্ৰ দেৱ মহন্ত, অৱসৰপ্ৰাপ্ত শিক্ষক হিৰেণ ডেকা, স্থানীয় সমাজকৰ্মী বিশ্বজিৎ বৰদলৈ, ফনীধৰ দাস, বিধান বৰদলৈ প্ৰমুখ্যে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে। দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চিত্ৰাংকণ, আকস্মিক বক্তৃতা, সাংস্কৃতি অনুষ্ঠানৰ আয়োজন কৰা হয়। সভাত গাঁওখনৰ পুৰুষ-মহিলাকে ধৰি শতাধিক লোকে শিশু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সাংস্কৃতি অনুষ্ঠান উপভোগ কৰে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় নগাঁও জিলা পুথিভঁড়াল সন্থাৰ সম্পাদক ভূপেন চন্দ্ৰ নাথে। উক্ত দিনা সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাই পৰিচালনা কৰা নৱজীৱন বিশেষ শিশু গৃহ, বিশেষ দত্তক গ্ৰহণ কেন্দ্ৰ আৰু নেতাজী বিদ্যাপীঠতো শিশু দিৱস উদযাপন কৰা হয়।



# সোৱণশিৰি সংগীত বিদ্যালয়ত লুইত কণ্ঠ জুবিন গাৰ্গৰ জন্মদিন পালন

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ১৮ নৱেম্বৰ ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ অন্তৰ্গত সোৱণশিৰি সংগীত বিদ্যালয়ত আজি প্ৰয়াত শিল্পী লুইতকণ্ঠ জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন পালন কৰা হয়। জুবিন গাৰ্গ বিহীন প্ৰথমটো জন্মদিন পালন কাৰ্যসূচীত শিল্পী গৰাকীক সোঁৱৰণ কৰি যথেষ্ট আবেগিক পৰিৱেশৰ সৃষ্টি হয়। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে সোৱণশিৰি সংগীত বিদ্যালয়ৰ পৰিচালন সঞ্চালক তথা সমাজ হিতৈষী বিজয় বৰুৱাই। কাৰ্যসূচীত উপস্থিত অভিভাৱক নিতুল মুদৈ আৰু সাংবাদিক দিপ প্ৰতিম বৰায়ো শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই। কাৰ্যসূচীত কণমানি ছাত্ৰ-ছাত্ৰীসকলে জুবিন গাৰ্গৰ চিৰসেউজ গীত পৰিৱেশন কৰে।

# সিদলসতী আনন্দৰাম বৰুৱা মডেল স্কুলত জুবিন গাৰ্গৰ জন্মদিন পালন

**অসম বাৰ্তা, উত্তৰ শালমাৰা, ১৮ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সিদলসতী আনন্দৰাম বৰুৱা মডেল স্কুলত অসমীয়াৰ প্ৰাণৰো প্ৰাণ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৫৩ তম জন্মদিন উদ্‌যাপন কৰা হয়। পুৱা ৯.৩০ বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মল্যাৰ্পন কৰে বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীসতীশ ৰায আৰু শিক্ষক শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি নাহৰৰ গছ পুলি ৰোপণ কৰি সমূহীয়াকৈ মহান শিল্পী গৰাকীৰ কণ্ঠ দান কৰা মাযাবিনী গীত পৰিৱেশন কৰে।

# সংযুক্ত বড়ো গণ মঞ্চৰ ডিব্ৰুগড় জিলা সমিতিৰ নাহৰকটীয়াত বিভিন্ন দাবীৰে ১ ঘণ্টীয়া অৱস্থান ধৰ্মঘট

**অসম বাৰ্তা, নাহৰকটীয়া, ১৮ নৱেম্বৰ ঃ** বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ সমষ্টি গঠনৰ তাৎক্ষণিক প্ৰক্ৰিয়া আৰম্ভ কৰা, বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন তৎক্ষণাত অনুষ্ঠিত কৰা, অসমৰ কাৰ্বি আংলং আৰু ডিমা হাচাও স্বায়ত্তশাসিত জিলাত বসবাস কৰা বড়ো কছাৰী জনগোষ্ঠীক অনুসূচিত জনজাতি (পাহাৰ) মৰ্যাদা প্ৰদান কৰা, বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ অধীনত বড়ো কছাৰী জনসাধাৰণৰ বাবে বিশেষ উন্নয়ন পেকেজ প্ৰদান কৰা, বড়ো কছাৰী কল্যাণ স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত বড়ো মাধ্যমৰ বিদ্যালয়ত বিটিচিৰ বাহিৰৰ এটিইটি আৰু চিটিইটি অৰ্হতাসম্পন্ন বড়ো প্ৰাৰ্থীৰ বাবে বিশেষ নিযুক্তি প্ৰদান কৰা বড়ো মিডিয়াম ভেঞ্চাৰছ স্কুলসমূহক প্ৰাদেশিকীকৰণৰ বাবে প্ৰক্ৰিয়াকৰণ কৰা, নগা ৰেজিমেণ্টৰ লগত সংগতি ৰাখি ভাৰতীয় সেনাবাহিনীত এটা "বড়ো ৰেজিমেণ্ট" গঢ়ি তোলা। BKWACৰ বাহিৰত থকা দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ বড়ো গাঁওসমূহ অন্তৰ্ভুক্ত কৰা, শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ বড়ো গাঁও বিটিচিৰ বাহিৰত থকা বড়ো গাঁওসমূহ বিকেডব্লিউএচিৰ অধীনত অন্তৰ্ভুক্ত কৰা আদি। সংগঠনটোৱে প্ৰতিবাদ স্থলী বিভিন্ন শ্লোগানেৰে প্ৰতিবাদ স্থলী উত্তাল কৰি তোলে। এই প্ৰতিবাদী ধৰ্মঘট অনুষ্ঠানত সংযুক্ত বড়ো গণ মঞ্চৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি পলাশ বড়ো, কেন্দ্ৰীয় সহকাৰী সম্পাদক যতীন বড়ো, জিলা সমিতিৰ উপদেষ্টা নিৰঞ্জন বড়ো, বড়ো সাহিত্য সভাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি গুৰু প্ৰসাদ খাকলাৰী আদি।

# জুবিন গাৰ্গৰ জন্মদিনত "প্ৰজ্ঞাৰ এষণা" প্ৰাচীৰ পত্ৰিকা উন্মোচন



**অসম বাৰ্তা, আমগুৰি, ১৮ নৱেম্বৰ ঃ** অসমৰ অমৃত কণ্ঠ জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উপলক্ষত যোৰহাট জিলাৰ হাঁহচৰা শাখা সাহিত্য সভাই "প্ৰজ্ঞাৰ এষণা" নামৰ প্ৰাচীৰ পত্ৰিকাৰ প্ৰথম সংস্কৰণ উন্মোচন কৰে। আজি সন্ধিয়া হাঁহচৰা চাৰিআলিত অনুষ্ঠিত হোৱা অনুষ্ঠানত নিতাইপুখুৰী হেমচন্দ্ৰ গোস্বামী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ বড়াই পত্ৰিকাখনৰ শুভ উন্মোচন কৰে। ইয়াৰ আগতে সাহিত্য সভাৰ সভানেত্ৰী অৰ্পণা চুতীয়াই বন্তি প্ৰজ্বলন কৰে। জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰা এই প্ৰাচীৰ পত্ৰিকাখনৰ সম্পাদনাৰ দায়িত্ব পালন কৰে হাঁহচৰা শাখা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক মনোমালা হাজৰিকা। সামগ্ৰিক পৰিকল্পনাত মদনমোহন পাগবন্ধা, পৰিকল্পনা সহযোগী অনুৰাগ শইকীয়া তথা অলংকৰণৰ দায়িত্ব পালন কৰে অবিদ্বীপ মহন ফুকন আৰু সত্য ৰাজকোঁৱৰে। উন্মোচনী অনুষ্ঠানত হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মাধৱ গগৈ, সাহিত্য সভাৰ জিলা সমন্বয়ক ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য্যৰ লগতে শাখাৰ বিভিন্নজন বিষয়ববীয়া তথা সদস্য আৰু ভালেসংখ্যক স্থানীয় বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিছিল।

# ড° উৎপলানন্দ আচাৰ্যলৈ ভাৰত জ্যোতিষ ৰত্ন, বস্তু তথা মন্ত্ৰ এৱাৰ্ড ২০২৫

**অসম বাৰ্তা, মিৰ্জা, ১৮ নৱেম্বৰ ঃ** আন্তৰ্জাতিক সন্মানেৰে সন্মানিত হ'ল দক্ষিণ কামৰূপৰ জনপ্ৰিয় জ্যোতিষী ড° উৎপলানন্দ আচাৰ্য। নিজৰ কৰ্মৰাজিৰ জৰিয়তে বৈদিক এষ্ট্ৰোলজিকেল ৰিচাৰ্চ চেণ্টাৰৰ তৰফৰ পৰা ভাৰত জ্যোতিষ ৰত্ন, বস্তু তথা মন্ত্ৰ এৱাৰ্ড ২০২৫ লাভ কৰিললৈ সক্ষম হৈছে জ্যোতিষী উৎপলানন্দ আচাৰ্যই। যোৱা ৮ আৰু ৯ নৱেম্বৰ তাৰিখে গুৱাহা -টীৰ পাঞ্জাবাৰীত অনুষ্ঠিত হৈছিল ৫ম বাৰ্ষিক আন্তৰ্জাতিক বৈদিক এষ্ট্ৰোলজিকেল কনফাৰেঞ্চ। বৈদিক এষ্ট্ৰোলজিকেল ৰিচাৰ্চ ছোছাইটি, গুৱাহাটী আৰু ইণ্ডিয়ান ইনষ্টিটিউট অৱ অ'ৰিয়েণ্টেল হেৰিটেজ, কলিকতাৰ পৰিচালনাত অনুষ্ঠিত হৈছিল উক্ত অনুষ্ঠান। সেই অনুষ্ঠানতে উৎপলানন্দ আচাৰ্যলৈ প্ৰদান কৰা হয় এই বঁটা। উল্লেখ্য যে এই আন্তৰ্জাতিক বঁটা লাভ কৰা দক্ষিণ কামৰূপৰ প্ৰথম গৰাকী জ্যোতিষী হিচাবে চিহ্নিত হৈছে ড° উৎপলানন্দ আচাৰ্য। উল্লেখ্য যে পূৰ্বতে অসম গৌৰৱ ২০২১, এচিয়াশ্ৰী আদি বঁটাও লাভ কৰিবলৈ সক্ষম হৈছে জ্যোতিষী গৰাকীয়ে।



## জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবী

# মাজুলীত আছুৰ মানৱ শৃংখল



**অসম বাৰ্তা, উজনী মাজুলী, ১৮ নৱেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত অসমীয়াৰ হিয়াৰ আমঠু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিনৰ উপলক্ষে সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে। শিল্পী গৰাকীৰ জন্ম দিনটোতে প্ৰতিবাদ সাব্যস্ত কৰি ন্যায় বিচাৰি মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰি হত্যাকাৰীৰ কঠোৰ শাস্তিৰ দাবী জনাই। প্ৰতিবাদস্থলীত উপস্থিত থাকে আছুৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, ৰাজ্যিক কাৰ্যনিৰ্বাহক

# ৰঙিয়াত বিভিন্ন দল-সংগঠনৰ জুবিন গাৰ্গৰ জন্মদিন পালন

**অসম বাৰ্তা, ৰঙিয়া, ১৮ নৱেম্বৰ ঃ** আজি অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ বিহীন প্ৰথমটো জন্মদিন। জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উপলক্ষে মঙলবাৰে ভাৰতীয় জনতা পাৰ্টিয়ে সমগ্ৰ ৰাজ্যজুৰি আয়োজন কৰে এক বৃহৎ কাৰ্যসূচী "জীৱন সুৰভি"। এই উপলক্ষে উত্তৰ কামৰূপ জিলা বিজেপিৰ উদ্যোগত ৰঙিয়া সমষ্টিৰ অন্তৰ্গত নৱনিৰ্মিত ৰঙিয়া সংহত সম জিলা আয়ুক্ত কাৰ্যালয় চৌহদত এক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। এই ৰক্তদান শিবিৰ মুকলি কৰে স্থানীয় বিধায়ক ভৱেশ কলিতাই। দুই শতাধিক লোকে এই শিবিৰত ৰক্তদান কৰে। আনহাতে ৰঙিয়া ব্লক ক্লাৱৰ উদ্যোগত আৰু জুবিন অনুৰাগীৰ সহযোগত ৰঙিয়া ৭নং ৱাৰ্ডত স্থাপন কৰা হয় মৰমৰ শিল্পীগৰাকীৰ প্ৰতিমূৰ্তি। স্থানীয় এগৰাকী প্ৰতিভবান যুৱকৰ প্ৰচেষ্টাৰ লগতে ৭ নং ৱাৰ্ডৰ ৰাইজৰ সহযোগত স্থাপন কৰা হয় জুবিন গাৰ্গৰ প্ৰতিমূৰ্তী। ইয়াৰোপৰি। ৰঙিয়া উকিল সন্থাৰ অধিবক্তা সকলেও এক অনুষ্ঠানৰ মাজেৰে গীতে মাতে প্ৰাণৰ শিল্পী গৰাকীৰ জন্মদিন পালন কৰে। ইয়াৰোপৰি চিআইটিইউ, নিখিল ভাৰত কৃষক সভা, নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি, ভাৰতৰ গণতান্ত্ৰিক যুৱফেডাৰেশ্বন, আই.পি.টি.এ, ভাৰতৰ ছাত্ৰ ফেডাৰেশ্বন, অসম ৰাজ্যিক কৃষি শ্ৰমিক ইউনিয়নৰ নেতা কৰ্মী সকলেও ৰঙিয়াৰ হাইৱে চ'কত আয়োজন কৰা এক অনুষ্ঠানৰ যোগে শিল্পী গৰাকীৰ জীৱনাদৰ্শৰ ওপৰত আলোকপাত কৰাৰ লগতে গীতে-মাতে সোঁৱৰা হয়। ৰঙিয়াৰ শিল্পী সমাজকে আদি কৰি ৰঙিয়া ছাত্ৰ সন্থা তথা বিভিন্ন দল সংগঠনে প্ৰিয় শিল্পী গৰাকীৰ জন্মদিনত সশ্ৰদ্ধ স্মৰণ কৰে।

# ধুবুৰী ভাৰতীয় জনতা পাৰ্টিৰ উদ্যোগত জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উপলক্ষে ৰক্তদান শিৱিৰ

**অসম বাৰ্তা, ধুবুৰী, ১৮ নৱেম্বৰ ঃ** ধুবুৰী জিলা বিজেপিৰ উদ্যোগত জুবিনবিহীন প্ৰথমটো জন্মদিন উপলক্ষে ৰক্তদান শিবিৰৰ আয়োজন কৰে। উক্ত শিবিৰত আজি জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি ১০০ জনকৈ লোকে কৰে ৰক্তদান। আৰু ১০০ নাহৰ গছ বিভিন্ন স্থানত ৰোপণ কৰে। যাৰ বাবে জীৱনত প্ৰথমবাৰ ৰক্তদান কৰিবলৈ আগবাঢ়ি আহিছে জুবিন অনিৰাগীয়ে। ধুবুৰী আৰক্ষী প্ৰশাসন সকল উপস্থিত হৈ ৰক্তদান কৰে। উপস্থিত আছিল ধুবুৰী পৌৰসভাৰ অধ্যক্ষ ড° দেৱময় সন্যাল, ধুবুৰী জিলাৰ বিজেপিৰ সভাপতি ৰণজিত কুমাৰ ৰায়, ধুবুৰী-গৌৰীপুৰ উন্নয়ন প্ৰাধিকৰণৰ পৰিষদৰ অধ্যক্ষ দিপক কুমাৰ সাহা, অগপৰ অসম বাসীক সংক্ষালগু পৰিষদৰ ৰাজ্যিক সভাপতি মিঠুন ৰয়, ধুবুৰী জিলাৰ বিজেপিৰ সম্পাদক উতম প্ৰসাদ, বিজেপিৰ কোষাধ্যক্ষ তাৰকেশ্বৰ পাল, গোলকগঞ্জৰ বিজেপিৰ প্ৰাক্তন বিধায়ক অশ্বিনী কুমাৰ ৰায়, অগপ, ধুবুৰীৰ সভাপতি বিশ্বজিৎ কলিতা, কেন্দ্ৰীয় এস সি মৰ্চাৰ সম্পাদক বিশ্বজিৎ মালি আৰু বিজেপিৰ কৰ্মকৰ্তাসকল।

# নগাঁৱৰ কাছমাৰীত গ'ল্ডেন ফিউল চিটি নামৰ জিঅ' পেট্ৰ'ল পাম্প মুকলি

**অসম বাৰ্তা, নগাঁও, ১৮ নৱেম্বৰ ঃ** মানৱদৰদী মহান শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি নগাঁৱৰ পৰা চিধা মৰিগাঁও ৰোডৰ কাছমাৰীত মুকলি হয় গ'ল্ডেন ফিউন চিটি নামৰ জিঅ পেট্ৰ'ল পাম্প। নগাঁৱৰ প্ৰতিস্থিত সু-চিকিৎসক ডাঃ ফৰিদুল হুছেইনৰ মালিকানাধীন এই পেট্ৰ'ল পাম্পটো আনুষ্ঠানিক ভাৱে মুকলি কৰে নগাঁও জিলা অতিৰিক্ত আয়ুক্ত সুধিপ নাথে। নগাঁও-মৰিগাৱৰ গ্ৰাহকৰ বাবে ২৪ ঘণ্টাই সেৱা আগবঢ়াবলৈ লোৱা প্ৰথমটো পেট্ৰ'ল পাম্পত পৰিণত হব এই গ'ল্ডেন চিটি পেট্ৰ'ল পাম্প। আগন্তুক দুই মাহলৈকে গ্ৰাহকে প্ৰতি লিটাৰ পেট্ৰ'লত দুই টকা আৰু ডিজেলত এক টকা ৰেহাই মূল্যত ক্ৰয় কৰিব পাৰিব। উল্লেখ্য যে সকলো সময়তে জিঅ ডিপি পেট্ৰ'ল পাম্পত তেলৰ মাত্ৰ আৰু গুণগত মানদণ্ড বৰ্তাই ৰখা হয়। উক্ত অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত সুধিপ নাথ, চিকিৎসক ফৰিদুল হুছেইন, তৌচিফ ফাৰদিন, মুহাম্মদ স্বেইখ, চুহাগ উদ্দিন চৌধুৰী, লুতফুৰ নেহাৰ লগতে গণ্যমান্য ব্যক্তি সকল উপস্থিত থাকে।

## ন্যায়ৰ প্ৰাৰ্থনা যুৱ পৰিৱেশকৰ্মী পাপুল গগৈৰ

# জুবিনৰ ৫৩ সংখ্যক ওপজা দিনত বগাপানী গাঁও পঞ্চায়তত নাহৰ পুলি ৰোপণ

**অসম বাৰ্তা, ডিগবৈ, ১৮ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যত আজি জনতাৰ শিল্পী, হাৰ্থ্ৰৱ জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিন পালন কৰে। জুবিনৰ ওপজা দিনৰ উপলক্ষ্যে যুৱ পৰিৱেশকৰ্মী পাপুল গগৈয়ে ডিগবৈৰ বগাপানী গাঁও পঞ্চায়তৰ চৌহদৰ কাষে কাষে নাহৰ গছৰ পুলি ৰোপণ কৰি জুবিন আৰু প্ৰকৃতিৰ মাজত থকা সম্পৰ্কৰ বিষয়ে আলোকপাত কৰে। সমান্তৰালকৈ জুবিন গাৰ্গৰ বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে তেখেতে যাতে ন্যায় পাই তাৰ বাবে প্ৰাৰ্থনা জনায়। গছপুলি ৰোপণৰ সময়ত সদৌ তিনিচুকীয়া জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ উপ-সভাপতি উমেশ প্ৰসাদ, সাধাৰণ সম্পাদক অশোক দাস, শিক্ষয়িত্ৰী ঝৰ্ণা গগৈসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন